


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩১৪ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ২৩ জুন, ২০২২, ৮ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 314 Dainandin Barta ■ Guwahati, Thursday ■ 23 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




## বিধ্বংসী ভূমিকম্পত বিধ্বস্ত আফগানিস্তান



### ১০০০ৰো অধিক লোক নিহত আহত ১৫০০ৰো অধিক

### ৬.১ প্ৰাবল্যৰ ভূমিকম্প

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২২ জুন ঃ** আজি পুৱতি নিশাই যেন কাল অমানিশা নামি আহে আফগানিস্তানলৈ। ভাৰতৰ চুবুৰীয়া আফগানিস্তান আৰু পাকিস্তানত ভূমিকম্প হৈছিল। আফগানিস্তানত ৬.১ প্ৰাবল্যৰ ভূমিকম্প অনুভৱ কৰা হৈছিল। ৰয়টাৰৰ এক প্ৰতিবেদন অনুসৰি, আফগানিস্তানত হোৱা ভূমিকম্পত কমেও ১০০০জন লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। ইয়াৰ উপৰি, পাকিস্তান আৰু মালয়েছিয়াতো কম্পন অনুভৱ কৰা হৈছে। দেশখনৰ দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ মতে, দক্ষিণ আফগানিস্তানত ৬.১ প্ৰাবল্যৰ ভূমিকম্পৰ ফলত কমেও ১০০০জন লোকৰ মৃত্যু হৈছে। ভূমিকম্পৰ কেন্দ্ৰস্থল ■ ৮ পৃষ্ঠাত



## বিশ্বনাথ-চতিয়া সংযোগী ঘাইপথ ঘিলাধাৰী নৈৰ পকী দলঙত বৃহৎ ফাঁট

**যাতায়াত বন্ধ**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২২ জুন ঃ** বিশ্বনাথৰ চতিয়াত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পকী দলঙৰ মাজ ভাগতে বহি যোৱাৰ লগতে বৃহৎ ফাঁট মেলাৰ ফলত যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। দলঙৰ এটা খুঁটা তললৈ সোমাই যোৱাৰ বাবেই দলংখন মাজ ভাগতে বহি যায়। আনহাতে, বুধবাৰে পুৱাই বিশ্বনাথৰ লোক নিৰ্মাণ বিভাগৰ লোক উপস্থিত হৈ পথটোৰে যাতায়াত সম্পূৰ্ণ বন্ধ কৰি দিয়ে। অত্যন্ত ব্যস্ত এই ১৫নং ৰাষ্ট্ৰীয় ঘাইপথটো বন্ধ হৈ পৰাৰ লগে লগে যথেষ্ট ■ ৮ পৃষ্ঠাত

### হোটেল ৰেডিচন ব্লুত মহাৰাষ্ট্ৰ চৰকাৰৰ ভাগ্য বন্দী

**পুৰাই দুকুৰিতকৈ অধিক বিধায়কৰ সমাগম**

# অসমহাৰাষ্ট্ৰ



### ৬ মন্ত্ৰীৰ সমৰ্থন আছে ঃ একনাথ সিন্ধে

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২২ জুন ঃ** ৰাজ্যৰ আটাইকেইখন জিলাত বানপানী আৰু ভূমিস্খলনে জনজীৱন একপ্ৰকাৰ স্তব্ধ কৰি দিয়াৰ বাতৰিয়ে বিভিন্ন মহলত হতাশা বিয়পাই দিয়াৰ সময়তে বুধবাৰে পুৱতি নিশাৰ পৰা এক নতুন চাঞ্চল্যকৰ খবৰে ৰাজ্যবাসীক উৎকণ্ঠিত কৰি ৰাখিছে। কেৱল অসমৰে নহয়, দেশবাসীৰ কাৰণে এতিয়া মহাৰাষ্ট্ৰৰ নতুন ৰাজনৈতিক পৰিঘটনাৰ অভিকেন্দ্ৰ হৈ পৰিছে জালুকবাৰীত অৱস্থিত হোটেল ৰেডিচন ব্লু। ■ ৮ পৃষ্ঠাত



### শিৱসেনাৰ বিধায়ক নীতিন দেশমুখৰ বিস্ফোৰণ

## মোক অপহৰণ কৰা হৈছে




**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২২ জুন ঃ** মহাৰাষ্ট্ৰৰ ৰাজনৈতিক সংকটৰ মাজতে ৰাজ্যখনৰ ৪০জনৰো অধিক বিধায়কে অসমৰ গুৱাহাটীৰ হোটেল ৰেডিচন ব্লুত থিতাপি লৈছে। এনে সময়তে শিৱসেনাৰ বিধায়ক এগৰাকীয়ে তেওঁক অপহৰণ কৰা বুলি বিস্ফোৰক দাবী কৰিছে। মহাৰাষ্ট্ৰত ৰাজনৈতিক সংকটৰ মাজতে শিৱসেনাৰ বিধায়ক নীতিন দেশমুখে মুখ্যমন্ত্ৰী উদ্ধৱ ঠাকৰেৰ প্ৰতি সমৰ্থন ব্যক্ত কৰিছে । তেওঁ দাবী কৰিছিল যে তেওঁক 'অপহৰণ' কৰা হৈছিল আৰু গুজৰাটৰ চুৰাটলৈ লৈ যোৱা হৈছিল, য'ৰ পৰা ■ ৮ পৃষ্ঠাত

**বিধায়কে বিচাৰিলে মুখ্যমন্ত্ৰীৰ পদ এৰিবলৈ মই সাজু ঃ উদ্ধৱ থাকৰে**

## সিন্দেক মুখ্যমন্ত্ৰীৰ পদৰ বাবে প্ৰস্তাৱ এনচিপিৰ নেতা শাৰদ পাৱাৰৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২২ জুন ঃ** এক আৱেগবিহ্বল ভাষণেৰে আজি মাৰাঠী জনতাক সম্বোধন কৰে চৰম ৰাজনৈতিক সংকটে বিৰাজ কৰা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই। তেওঁ কয় যে যদি বিধায়কসকলে বিচাৰে তেন্তে তেওঁ মুখ্যমন্ত্ৰীৰ পদ এৰিবলৈ সাজু আছে। মহাৰাষ্ট্ৰৰ ৰাজনৈতিক সংকট ঘনীভূত হৈ পৰাৰ সময়তে ক'ভিডত আক্ৰান্ত হৈছে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে। কিন্তু শেষ চেষ্টা হিচাপে তেওঁ ভাৰ্চুৱেলী কেবিনেট বৈঠক ■ ৮ পৃষ্ঠাত

## অসমৰ বানাক্ৰান্তলৈ সহায়ৰ হাত তিব্বতী ধৰ্মগুৰু দালাই লামাৰ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ২২ জুন ঃ** বানত বুৰিছে ৰাজ্য। এতিয়ালৈকে অসমৰ বানত ৮৯জন লোকৰ প্ৰাণ হানি ঘটিছে। এনে বিষম পৰিস্থিতিৰ মাজতে বলীউডৰ বহু অভিনেতা আৰু অন্যান্য লোকে অসমলৈ সাহায্য দিছে। ৰাজ্যৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ ২৩ তাৰিখে আহিব কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰ এটা দল তিব্বতী ধৰ্মগুৰু দালাই লামায়ো অসমৰ বানক লৈ উদ্বিগ্নতা ব্যক্ত কৰিছে। কেৱল সেয়াই নহয়, তেওঁ অসমলৈ পাৰ্যমানে সাহায্যও দিছে। অসমৰ বান পৰিস্থিতি ■ ৮ পৃষ্ঠাত

## নগাঁৱৰ বান শিবিৰত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুন ঃ** নগাঁও জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে । নগাঁও জিলাৰ বিশেষকৈ কামপুৰ, ৰহা, ননৈ, দক্ষিণপাট, কঠীয়াতলী, নগাঁও চহৰৰ কাষৰীয়া বিভিন্ন অঞ্চল বৰ্তমানেও বানৰ কৱলত। বানে ভয়ংকৰ ৰূপ লোৱা নগাঁও জিলাৰ ৰহাৰ ফুলগুৰিত আজি উপস্থিত হৈ বন্যাক্ৰান্তৰ অৱস্থাৰ বুজ লয় কেন্দ্ৰীয় জল পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ৰহাৰ ফুলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত থকা এটা আশ্ৰয় শিবিৰত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বানাক্ৰান্ত ৰাইজৰ লগত মত বিনিময় কৰি ৰাইজৰ অৱস্থাৰ বুজ লয়। একাংশ বানাক্ৰান্তই বানসাহায্য প্ৰদানৰ নামত প্ৰশাসনে মাত্ৰ কেইটামান চাউল-দাইল দিয়ে দায়িত্ব সামৰাৰ কথা কৈ কেন্দ্ৰীয় মন্ত্ৰীজনৰ ওচৰত ক্ষোভ উজাৰে। আশ্ৰয় শিবিৰত সংবাদ ■ ৮ পৃষ্ঠাত

### মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা-সাংসদ দিলীপ শইকীয়াৰ চক্ৰ বিষয়াক নিৰ্দেশ

## বানাক্ৰান্ত গাঁৱলৈ শীঘ্ৰে বান সাহায্য প্ৰেৰণ কৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২২ জুন ঃ** ৰাজ্য চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু সাংসদ দিলীপ শইকীয়াই কালি নিশা ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত চক্ৰ বিষয়াগৰাকীৰ সৈতে এক বৈঠকত মিলিত হয়। উক্ত বৈঠকত বৰ্ন্যাতৰ বাবে খাদ্য-সামগ্ৰী, ঔষধ, পশুধনৰ খাদ্য আদি সাহায্য সামগ্ৰীসমূহ কোন কোন অঞ্চলত গৈছে তাৰ তদাৰক কৰাৰ ■ ৮ পৃষ্ঠাত

### গোলাঘাটৰ ২নং বেঙেনাখোৱা প্ৰাথমিক বিদ্যালয়ত অঘটন

## মধ্যাহ্ন ভোজনৰ আহাৰ খাই বিষক্ৰিয়াত আক্ৰান্ত ৯ ছাত্ৰ-ছাত্ৰী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২২ জুন ঃ** গোলাঘাটৰ ২নং বেঙেনাখোৱা প্ৰাথমিক বিদ্যালয়ত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। মধ্যাহ্ন ভোজনৰ খাদ্য খাই বিষক্ৰিয়াত আক্ৰান্ত হৈছে ৯গৰাকী ছাত্ৰ-ছাত্ৰী। খবৰ অনুসৰি বিদ্যালয়ৰ মধ্যাহ্ন ভোজন খোৱাৰ কিছু ■ ৮ পৃষ্ঠাত



## বিপদসংকুল পাৰা-পাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২২ জুন ঃ** দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰ পাছতো বোকাখাত বিধানসভা সমষ্টিৰ আলামী মাজগাঁও আৰু ৰোহিতা অঞ্চলৰ পথসমূহ উন্নয়ন নোহোৱাত উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে স্থানীয় ৰাইজে। ৰাজ্যৰ কেবিনেট মন্ত্ৰী অতুল বৰাই প্ৰতিনিধিত্ব কৰা বোকাখাত সমষ্টিৰ দিচৈ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰোহিতা আৰু দুসুঁতিমুখ গাঁও পঞ্চায়তৰ অন্তৰ্গত আলামী-মাজগাঁও-ভলুকাগুৰি ফেৰীঘাট সংযোগী পথত থকা এটা ভগা কালভাৰ্টৰ বাবে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগি আহিছে স্থানীয় ৰাইজে। উল্লেখ্য যে উক্ত পথটোত থকা দুটা ভগা কালৰ্ভাটৰ বাবে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, ৰোগী-প্ৰসূতি লগতে ■ ৮ পৃষ্ঠাত

## মানৱতাবাদীৰ দৌৰাত্ম্যত অতিষ্ঠ বানপীড়িত

### কেৱল ফেচবুকত ফটো দিবলৈকে বিলাইছে বিস্কুট, পানী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২২ জুন ঃ** মঙলদৈৰ বানপৰিস্থিতি ক্ৰমাৎ জটিল হৈ পৰিছে। বিশেষকৈ মঙলদৈ ৰাজহ চক্ৰৰ গাঁৱত আজি পুনৰ পানী বৃদ্ধি পোৱাত অধিক ভয়াৱহ হৈ পৰিছে বান। ভাৰতীয় সেনাবাহিনী, এছ ডি আৰ এফ, এন ডি আৰ এফে আজিও বানপীড়িত লোকক উদ্ধাৰ কৰা পৰিলক্ষিত হৈছে । উক্ত গাঁৱৰ প্ৰতিঘৰৰ মূধচেৰে পানী বাগৰাত আশ্ৰয় শিবিৰ আৰু কুৰুৱা-ৰঙামাটি মথাউৰিত আশ্ৰয় লৈছে । পিছে এনে দুৰ্যোগৰ মাজতে একাংশ ব্যক্তি, বিষয়া, দল-সংগঠনে ■ ৮ পৃষ্ঠাত







### ৰহা-চাপৰমুখত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

**চাপৰমুখ ৰে'ল জংচনত বানাক্ৰান্তৰ সমস্যাৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে**

## ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বানাক্ৰান্তৰ লগত বাৰ্তালাপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২২ জুন ঃ** বছৰটোৰ দ্বিতীয়টো প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হোৱা ৰহা-চাপৰমুখৰ বানাক্ৰান্ত লোকৰ সমস্যাৰ বুজ ল'বলৈ আজি চাপৰমুখ ৰে'ল জংচনত উপস্থিত হয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। গুৱাহাটীৰ পৰা ৰে'লযোগে ৰে'ল বিভাগৰ কেইবাগৰাকী উচ্চ পদস্থ বিষয়াৰ সৈতে চাপৰমুখত উপস্থিত হৈ ৰে'ল জংচনটোত শিবিৰ পাতি থকা বানাক্ৰান্তসকলৰ লগত মতবিনিময় কৰি বানপীড়িত লোকসকলে চৰকাৰীভাৱে যোগান ধৰা বান সাহায্য পাইছেনে নাই তাৰ বুজ লয় আৰু বানপীড়িতসকলক সকলো প্ৰকাৰৰ সাহায্য প্ৰদানৰ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰ্যায় ক্ৰমে বানপীড়িতসকলৰ পুনৰ সংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা ■ ৮ পৃষ্ঠাত



### গুৱাহাটীত অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যালয় তথা দক্ষতা উন্নয়ন প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ বামুণীমৈদামত অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যালয় তথা দক্ষতা উন্নয়ন প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰে লিজ চুক্তিৰ জৰিয়তে ৰাজহুৱা খণ্ডৰ এই তৈল প্ৰতিষ্ঠানক দিয়া ৫ বিঘা ভূমিত ■ ৮ পৃষ্ঠাত

## ক'লাজল নদীৰ বাঢ়নী পানীত ভাগিল পছৰীয়া-মলং সংযোগী মথাউৰি

**আঠখন গাঁও ডুব যাব পানীৰ তলত ঃ ইমামী বুৰিল**

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২২ জুন ঃ** ক'লাজল নদীৰ বাঢ়নী পানীৰ প্ৰৱল সোঁতত উটি গ'ল পছৰীয়া-মলং সংযোগী মথাউৰি। যোৱা দুদিন ধৰি মথাউৰিৰ ওপৰেৰে ঝিৰ ঝিৰকৈ পানী বাগৰি আছিল যদিও আজি পুৱা পানীৰ প্ৰৱল সোঁতে মথাউৰিটো ভাগি পেলায়। ফলত নিমিষতে পছৰীয়াৰ বিভিন্ন অঞ্চল পানীয়ে বুৰাই পেলায়। বৰ্তমানলৈ পানীত হোৱা ক্ষয়-ক্ষতিৰ অনুমান কৰিব পৰা নাই যদিও বৃহত্তৰ অঞ্চলৰ ধিঙৰবৰি, ■ ৮ পৃষ্ঠাত



## অপৰিৱৰ্তিত ৰাজ্যৰ বানপৰিস্থিতি মৃতকৰ সংখ্যা ৮৯জনলৈ বৃদ্ধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ জুন ঃ** অসমৰ বানপৰিস্থিতি ভয়ংকৰ হৈ আছে। ৰাজ্যখনৰ এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত এতিয়ালৈকে ৮৯জন লোকে প্ৰাণ হেৰুৱাইছে আৰু প্ৰায় ৪৫ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। ইফালে, তিব্বতী আধ্যাত্মিক নেতা দালাই লামাই বানপীড়িত লোকসকলৰ বাবে অসমৰ জনসাধাৰণৰ সৈতে একত্ৰিত হৈ দান কৰাৰ কথা ঘোষণা কৰিছে। তেওঁ এই সন্দৰ্ভত ৰাজ্যখনৰ মুখ্যমন্ত্ৰীলৈ এখন পত্ৰ লিখিছে। যোৱা ২৪ ঘণ্টাত অসমত বানপানীৰ ফলত ১১জন লোকৰ মৃত্যু হৈছে। আনহাতে, ৭জন লোক সন্ধানহীন হোৱা বুলি কোৱা হৈছে। বিষয়াসকলৰ মতে, উদ্ধাৰ অভিযানত সহায় কৰিবলৈ ভুৱনেশ্বৰৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ জোৱানসকলক অসমলৈ ■ ৮ পৃষ্ঠাত



**ধেমাজিৰ বানপৰিস্থিতিৰ পৰ্যালোচনা মন্ত্ৰী পেগুৰ**

## খহনীয়া ৰোধ কৰাৰ বাবে চাৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২২ জুন ঃ** শিক্ষামন্ত্ৰী তথা ধেমাজিৰ বিধায়ক ড° ৰণোজ পেগুৱে জিলা প্ৰশাসন আৰু জিলাখনৰ সকলো সংশ্লিষ্ট বিভাগীয় বিষয়াৰ সৈতে বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। ■ ৮ পৃষ্ঠাত

# বানে তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে নগৰবেৰাৰ জলজলী নৈৰ বৃহৎ কাঠৰ দলঙৰ্লৈ

## দলংখন বানৰ কবলৰ পৰা ৰক্ষা কৰি প্ৰয়োজনীয় মেৰামতি কৰাৰ দাবী



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২২ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বিভিন্ন এলেকা সম্প্ৰতি বানৰ কবলত পৰি কক্‌বকাই থকাৰ সময়ত বৃহত্তৰ অঞ্চলটো প্ৰায় লক্ষাধিক লোকৰ যাতায়াত আৰু যোগাযোগৰ গুৰুত্বপূৰ্ণ জলপথৰ নগৰবেৰাৰ জলজলী নদীৰ ওপৰৰ বৃহৎ কাঠৰ দলংখনলৈ বানে তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। ফলত যিকোনো মুহূৰ্তত দলংখন নদীত উটি গৈ যাতায়াত ব্যাহত হোৱাৰ আশংকাত ভুগিছে অঞ্চলটোৰ ৰাইজে। উল্লেখ্য যে জলজলী নদীখনৰ দোকুছি-ভখুৰাদিয়া-ৰংগেশ্বৰী-পিজুপাৰা পাৰঘাটেদি জন্মলগ্নৰে পৰা টুলুঙা নাও অথবা যন্ত্ৰচালিত নাৱেৰে এক বিপদসংকুল পৰিৱেশৰ মাজেৰে পাৰাপাৰ হৈ আহিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে কোনো এখন চৰকাৰে যাত্ৰীসকলৰ যাতায়াতৰ সু-ব্যৱস্থা গ্ৰহণ নকৰিলে। শেহতীয়াকৈ জলজলী নদীখনত প্ৰথমে ৰাইজে অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত বাঁহৰ দলং আৰু তাৰ পিছত জলজলী নদীৰ ওপৰত দলং নিৰ্মাণ দাবী সমিতিৰ উদ্যোগত পকী দলং নোহোৱালৈ যাতায়াতৰ বাবে একাংশ লোকে নিজৰ গাঁঠিৰ ধন দি প্ৰায় এক কোটি চৈধ্য লাখ টকা ব্যয় কৰি ১১০০ ফুট দৈৰ্ঘ্যৰ বৃহৎ কাঠৰ দলং নিৰ্মাণ কৰি উলিয়াই যাতায়াত ব্যৱস্থা পৰিচালনা কৰি আহিছিল। যদিও যোৱা ৭ মাৰ্চত চৰকাৰীভাৱে এক্সপাৰ্ট কমিটীৰ অনুমোদন সাপেক্ষে কাঠৰ দলংখন লোকনিৰ্মাণ বিভাগক হস্তান্তৰ কৰি এ পি ডব্লিউ আৰ ডি অনুসৰি পুনৰ্নিৰ্মাণ কৰি পৰৱৰ্তী সময়ত পৰিচালনা কৰিবলৈ নিৰ্দেশ দিয়ে। কাঠৰ দলংখনেৰে নিতৌ শ শ সৰ্বসাধাৰণ ৰাইজৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, কৰ্মচাৰী, ৰোগী আদিয়ে যাতায়াত অব্যাহত ৰাখিছে যদিও দলংখন দুৰ্বল হৈ পৰাত এম্বুলেঞ্চৰ লগতে চাৰিচকীয়া বাহনসমূহ বন্ধ হৈ পৰিছে। ফলত জলজলী নৈখনৰ পূব প্ৰান্তৰ বৃহৎ অঞ্চলটোৰ ৰোগী, প্ৰসূতি আৰু গৰ্ভৱতী মহিলাক চিকিৎসালয়লৈ অনাৰ ক্ষেত্ৰত নৰক যন্ত্ৰণাৰ সন্মুখীন হ'বলগীয়াত পৰিছে। তদুপৰি জলজলী নৈখনৰ গাতে লাগি থকা নগৰবেৰা বজাৰখন বৃহত্তৰ অঞ্চলটোৰ ব্যৱসায়-বাণিজ্যৰ প্ৰাণ কেন্দ্ৰস্বৰূপ যদিও যাতায়াতৰ অসুবিধাৰ বাবে কৃষকসকলে উৎপাদন কৰা শস্যৰ উচিত মূল্য নাপাই মূৰে-কপালে হাত দিব লগা হৈছে। মনকৰিবলগীয়া যে দলংখন লোক নিৰ্মাণ বিভাগে পৰিচালনা কৰি আছে যদিও আজিলৈকে দলংখন মেৰামতিৰ ব্যৱস্থা নকৰাত দুৰ্বল হৈ পৰিছে। এনে পৰিস্থিতিত সম্প্ৰতি হোৱা বানে দলংখনলৈ ভাবুকিৰ সৃষ্টি কৰিছে। যিকোনো মুহূৰ্তত দলংখন পানীয়ে উটুৱাই নিব পাৰে বুলি চিন্তিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজে। শীঘ্ৰে বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ যাতায়াতৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি নগৰবেৰাৰ জলজলী নৈৰ উক্ত কাঠৰ দলংখন বানৰ কবলৰ পৰা ৰক্ষা কৰাৰ লগতে মেৰামতিৰ ব্যৱস্থা হাতত ল'বলৈ চৰকাৰ প্ৰশাসনক দাবী জনাইছে।

### মৈৰাদিয়া মিলনজ্যোতি যুৱ সংঘৰ প্ৰশংসনীয় পদক্ষেপ

# চেঙাৰ চৰাঞ্চলত বানাক্ৰান্তৰ মাজত বিভিন্ন খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২২ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা থানাৰ অন্তৰ্গত দক্ষিণপাৰৰ চৰাঞ্চলবাসীৰ মাজত বানপানীয়ে এক হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। বানাক্ৰান্ত অঞ্চলসমূহৰ ৰাইজৰ এনে জটিল পৰিস্থিতিৰ সময়তে কালি জিলাখনৰ চেঙা সমষ্টিৰ এলেকাধীন মৈৰাদিয়া মিলনজ্যোতি যুৱ সংঘৰ উদ্যোগত আৰু মৈৰাদিয়া আঞ্চলিক আমছুৰ সহযোগত এটি সঁজাতী দলে মৈৰাদিয়া, কাছুমাৰা, আদুৰিপাৰা আদি বানাক্ৰান্ত অঞ্চলসমূহত ভূটভূটী নাৱেৰে পৰিদৰ্শন কৰি বানাক্ৰান্ত লোকসকলৰ মাজত দেখা দিয়া বিভিন্ন সমস্যাসমূহৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত লোকসকলৰ মাজত সঁজাতী দলটোৱে সামৰ্থ্য অনুযায়ী কিছু খাদ্য-সামগ্ৰী বিতৰণ কৰে। উল্লেখ্য যে সঁজাতী দলটোৱে গাঁওসমূহৰ একাংশ বানাক্ৰান্ত লোকৰ লগত হোৱা মতবিনিময়ত বানাক্ৰান্ত লোকসকলে অভিযোগ উত্থাপন কৰি কয় যে,



আমাৰ এনে জটিল সন্ধিক্ষণত চৰকাৰ-প্ৰশাসনৰ লগতে কোনো এগৰকী জনপ্ৰতিনিধিয়ে কোনো খবৰ লোৱা নাই। শীঘ্ৰে চৰকাৰ-জিলা প্ৰশাসনৰ লগতে স্থানীয় জনপ্ৰতিনিধিক বানাক্ৰান্ত ৰাইজৰ মাজত দেখা দি সমস্যাৰ বুজ লৈ শীঘ্ৰে পৰ্যাপ্ত পৰিমাণৰ সাহায্য প্ৰদানৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মৈৰাদিয়া মিলনজ্যোতি যুৱ সংঘৰ আৰু আমছুৰ কৰ্মকৰ্তাৰ লগতে বানাক্ৰান্তসকলে দাবী জনাইছে।

## শিৱসাগৰত প্লাষ্টিক কেৰীবেগ ব্যৱহাৰত নিষেধাজ্ঞা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ জুন ঃ** দৈনন্দিন জীৱনত ব্যৱহৃত প্লাষ্টিক কেৰী বেগ আৰু অন্যান্য প্লাষ্টিক সামগ্ৰী যেনে বেনাৰ, উৎসৱ-পাৰ্বণত সৌন্দৰ্যবৰ্ধনৰ বাবে ব্যৱহৃত প্লাষ্টিক সামগ্ৰী (bunting), ফ্লেক্স, প্লাষ্টিকৰ পৰা প্ৰস্তুত কৰা ফ্লেগ, প্লেট, কাপ, চামুচ আদি সামগ্ৰীৰ ব্যৱহাৰে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদীভাৱে পৰিৱেশ বিনষ্ট কৰাৰ লগতে জনস্বাস্থ্য আৰু জীৱ-জন্তুৰ প্ৰতি সৃষ্টি কৰা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ বিতোপন নেওগে সমগ্ৰ শিৱসাগৰ জিলাত প্লাষ্টিক কেৰী বেগ আৰু ৭৫ মাইক্ৰন ঘনত্বৰ ফিল্ম বিক্ৰী আৰু ব্যৱহাৰ ৩১ ডিচেম্বৰ ২০২২ লৈকে নিষিদ্ধ কৰি ভাৰতীয় কাৰ্যবিধি আইনৰ ১৪৪ ধাৰা জাৰি কৰিছে। তদুপৰি এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক, থাৰ্মকল আদি প্ৰস্তুতকৰণ, আমদানি, মজুতকৰণ, বিতৰণ, বিক্ৰী আৰু ব্যৱহাৰ আদি ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ নিষিদ্ধ কৰিছে। অৱশ্যে ভাৰতীয় মান নিৰূপক আই এছ ১৭০৮৮-২০০৮ অনুসৰি পৰিৱেশ অনুকূল প্লাষ্টিকৰ পৰা প্ৰস্তুত কৰা কেৰী বেগ এই নিষেধাজ্ঞাৰ ক্ষেত্ৰত প্ৰজোয্য নহ'ব। এই নিষেধাজ্ঞা অমান্য কৰাসকলৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ১৮৮ ধাৰা অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# লেখাপানীৰ টিপঙত বিপ্লৱী তথা জননেতা বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লেখাপানী, ২২ জুন ঃ** সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ টিৰাপ সমিতিৰ উদ্যোগত টিৰাপ আৰু টিপংবাসী ৰাইজৰ সহযোগত টিপং চেণ্ট্ৰেল একাডেমীৰ সভাগৃহত সোমবাৰে বিভিন্ন কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা ৮ বজাত পতাকা উত্তোলন কৰে টিৰাপ সমিতিৰ সভাপতি প্ৰভাত কোঁৱৰে, স্মৃতি তৰ্পণ কৰে সম্পাদক বিনোদ দুৱৰাই। গছপুলি ৰোপণ কৰে টিপং চেণ্ট্ৰেল একাডেমীৰ প্ৰধান শিক্ষক বলোৰাম শইকীয়া, সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ সভাপতি লক্ষীকান্ত বড়া, উপ-সভাপতি বিজু কলিতাই। পুৱা দহ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত একাদিক্ৰমে চিত্ৰাংকন প্ৰতিযোগিতা, বিষ্ণু সংগীত প্ৰতিযোগিতা,



কবিতা আবৃত্তি, কুইজ প্ৰতিযোগিতা, সৃষ্টিমূলক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি ৫ বজাৰ পৰা মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে শিক্ষক বলোৰাম শইকীয়াই। অনুষ্ঠানত উপস্থিত থাকে মাৰ্ঘেৰিটাৰ সাংবাদিক সোণাৰাম কলিতা, জাগুনৰ সাংবাদিক ঋতুপৰ্ণ ভূঞা, সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ সম্পাদক শীৰ্ষজ্যোতি নেওগ (প্ৰাঞ্জল), সহকাৰী সম্পাদক ধৰণী নেওগ, টিপং চেণ্ট্ৰেল একাডেমীৰ শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে জ্যোতি বড়ো কোঁৱৰ, মিতালী দে', বিনীতা দেৱ, সঞ্জয় দৰ্জী, জনাৰ্দন ভট্টাচাৰ্য্য, মাৰ্ঘেৰিটা পাৰিজাত বিদ্যালয়ৰ শিক্ষয়িত্ৰী স্নিগ্ধা গগৈ, টিপং কলিয়ৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ ভাগৱতী, টিপং কলিয়ৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নৱ গগৈ, টিপং হাইস্কুলৰ সহকাৰী শিক্ষক অনিল বৰুৱাকে ধৰি বহু গণ্য-মান্য ব্যক্তি আৰু বিভিন্নজনে ভাষণ প্ৰদান কৰাৰ লগতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা পুৰস্কাৰপ্ৰাপক প্ৰতিযোগীসকলক মানপত্ৰ বঁটা আৰু বিভিন্ন ধৰণৰ পঢ়াৰ সামগ্ৰিক প্ৰদান কৰে।

# বন্যাৰ্তৰ কাষত চৰকাৰৰ পৰিৱৰ্তে আমছু



**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ২২ জুন ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ ইকবাল গোটে বছৰৰ দ্বিতীয়টো বানে বিধ্বস্ত কৰি পেলোৱা হোজাই জিলাৰ বৃহত্তৰ লস্কৰ পথাৰ অঞ্চলৰ বন্যাৰ্তৰ কাষত খাদ্য সামগ্ৰী বিতৰণ কৰা দেখা যায়। পুৱাৰে পৰা আমছুৰ হোজাই জিলা সমিতিৰ বিষয়ববীয়াসকলে নিজৰ কষ্টোপাৰ্জিত টকাৰে বৃহৎসংখ্যক বানবিধ্বস্ত ৰাইজক খিচিৰি বনাই লৈ এমুঠি অন্নৰ কাৰণে হাহাকাৰ কৰি থকা বানাক্ৰান্তৰ কাষত থিয় দিয়া দেখা যায়। ভোকাতুৰ বন্যাৰ্তই আমছুৰ পৰা পোৱা খাদ্য-সামগ্ৰী ল'বলৈ কাঁহী-বাটি লৈ আহি খাদ্য সামগ্ৰী হাতত লৈ আমছুক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে চৰকাৰৰ পৰা কোনো ধৰণৰ বান সাহায্য নোপোৱাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। এতিয়া প্ৰশ্ন হয়, চৰকাৰৰ দুৰ্যোগ প্ৰশমন বিভাগৰ ২০১৫ মতে বানাক্ৰান্ত প্ৰতিটো পৰিয়ালৰ ১২ বছৰৰ ওপৰৰ প্ৰতিজন সদস্যই ৬০০ গ্ৰাম চাউল বা আটা আনহাতে, ১২ বছৰৰ তলৰ প্ৰতিজন সদস্যই ৪০০ গ্ৰাম চাউল বা আটা পাব লাগে। বানাক্ৰান্ত প্ৰতিটো পৰিয়ালৰ প্ৰতিজন সদস্যই ১০০ গ্ৰাম দালি, ৩০ গ্ৰাম নিমখ, ৩০ মিলিলিটাৰ খোৱাতেল, ১০০ গ্ৰাম গুড়, ইয়াৰ উপৰি বন্যাৰ্তৰ প্ৰতিটো পৰিয়ালৰ ১২ বছৰৰ ওপৰৰ প্ৰতিজন সদস্যই ৬০০ গ্ৰাম চিৰা আৰু ১২ বছৰৰ তলৰ প্ৰতিজন সদস্যই ৪০০ গ্ৰাম চিৰা পাব লাগে যদিও এই বন্যাৰ্তসকলে একো পোৱা নাই। চৰকাৰৰ এই দুৰ্যোগ প্ৰশমন বিভাগটো একমাত্ৰ নামতহে আছে কামত নাই।

## শিৱসাগৰত ১ জুলাইৰ পৰা কেৰী বেগ ব্যৱহাৰত নিষেধাজ্ঞা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ২২ জুন ঃ** দৈনন্দিন জীৱনত ব্যৱহৃত প্লাষ্টিক কেৰী বেগ আৰু অন্যান্য প্লাষ্টিক সামগ্ৰী যেনে বেনাৰ, উৎসৱ-পাৰ্বণত সৌন্দৰ্যবৰ্ধনৰ বাবে ব্যৱহৃত প্লাষ্টিক সামগ্ৰী (bunting), ফ্লেক্স, প্লাষ্টিকৰ পৰা প্ৰস্তুত কৰা ফ্লেগ, প্লেট, কাপ, চামুচ আদি সামগ্ৰীৰ ব্যৱহাৰে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদীভাৱে পৰিৱেশ বিনষ্ট কৰাৰ লগতে জনস্বাস্থ্য আৰু জীৱ-জন্তুৰ প্ৰতি সৃষ্টি কৰা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ বিতোপন নেওগে সমগ্ৰ শিৱসাগৰ জিলাত প্লাষ্টিক কেৰী বেগ আৰু ৭৫ মাইক্ৰন ঘনত্বৰ ফিল্ম বিক্ৰী আৰু ব্যৱহাৰ ৩১ ডিচেম্বৰ ২০২২ লৈকে নিষিদ্ধ কৰি ভাৰতীয় কাৰ্যবিধি আইনৰ ১৪৪ ধাৰা জাৰি কৰিছে। তদুপৰি এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক, থাৰ্মকল আদি প্ৰস্তুতকৰণ, আমদানি, মজুতকৰণ, বিতৰণ, বিক্ৰী আৰু ব্যৱহাৰ আদি ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ নিষিদ্ধ কৰিছে। অৱশ্যে ভাৰতীয় মান নিৰূপক আই এছ ১৭০৮৮-২০০৮ অনুসৰি পৰিৱেশ অনুকূল প্লাষ্টিকৰ পৰা প্ৰস্তুত কৰা কেৰী বেগ এই নিষেধাজ্ঞাৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। ১ জুলাই, ২০২২ তাৰিখৰ পৰা এই নিষেধাজ্ঞা অমান্য কৰাসকলৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ১৮৮ ধাৰা অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি এক প্ৰেছ বাৰ্তাযোগে জনাইছে।

### খৈৰাবাৰীত নিখিল বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ ১২সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

# শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে ঃ সঞ্জীৱ বৰ্মন

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২২ জুন ঃ** 'অসমত বাস কৰা আন এটি শোষিত, নিষ্পেষিত জনগোষ্ঠী বৰ্মন কছাৰীসকলৰ উন্নয়ন আৰু উত্তৰণৰ হকে ২০১০ চনৰ ২২ জুনত জন্ম দিয়া নিখিল বৰ্মন কছাৰী ছাত্ৰ সন্থাই বহু ত্যাগ আৰু প্ৰত্যাহ্বানৰ মাজেৰে আজি প্ৰায় ১২টা বছৰ অতিক্ৰম কৰিলে। যাৰ বাবে সেই ঐতিহাসিক ২২ জুনৰ দিনাখন প্ৰতি বছৰে প্ৰতিষ্ঠা হিচাপে উদ্‌যাপন কৰি আহিছে। অইন বছৰৰ দৰে এইবাৰো নিখিল বৰ্মন কছাৰী ছাত্ৰ সন্থাই প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি আজি ২২ জুনৰ দিনাখন ওদালগুৰি জিলা খৈৰাবাৰী আঞ্চলিক বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, মাল্যাৰ্পণ, গছপুলি ৰোপণৰে অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰে ১২ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস। বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক মাধৱ বৰ্মনে আঁত ধৰা অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী পুৱা ৮ বজাত ছাত্ৰ সংগঠনৰ পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সভাপতি সঞ্জীৱ বৰ্মনে আৰু ৯ বজাত স্মৃতি তৰ্পণ কৰে নিখিল বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি মতিলাল বৰ্মনে। আনহাতে ৯.৩০ বজাত গছপুলি ৰোপণ কৰে নিখিল বৰ্মন কছাৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধীৰেন বৰ্মনে। উক্ত কাৰ্যসূচীসমূহত কেইবাখনো জিলা আৰু আঞ্চলিকৰ বিষয়ববীয়াৰ লগতে অঞ্চলবাসী ৰাইজৰ উপস্থিতিত কেন্দ্ৰীয় সভাপতি সঞ্জীৱ বৰ্মনে পতাকা উত্তোলন কৰি ভাষণৰ দ্বাৰাই 'আমি আমাৰ জাতিৰ, শৈক্ষিক, সাংস্কৃতিক, অৰ্থনৈতিক দিশত উন্নয়ন কৰি আমাৰ জাতিক জীয়াই ৰাখিব লাগিব, আমি সদায় অৱহেলিত, বঞ্চিত, কাৰোবাৰ শোষিত হৈ আহিছো। এতিয়া আৰু ঘৰতে বহি থকাৰ সময় নাই, জাগ্ৰত হ'বৰ হ'ল। শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে। আমি ঘৰতে হাত সাবটি বহি থাকিলে আমি আমাৰ অধিকাৰ কেতিয়াও নাপাম। আমি আমাৰ প্ৰাপ্যৰ হকে যুঁজিব লাগিব বুলি তাৎপৰ্যপূৰ্ণ ভাষণ দিয়ে। লগতে জনপ্ৰতিনিধি তথা চৰকাৰে আমাৰ জনগোষ্ঠীক সদায় ভুৱা প্ৰতিশ্ৰুতি দি আহিছে, যাৰ বাবে আমি কেইবাখনো জিলাত এতিয়াও জনজাতিৰ প্ৰমাণ-পত্ৰ পাবলৈ সক্ষম হোৱা নাই। বৰ্তমানৰ চৰকাৰে যদি আমাক সঠিক সময়ৰ ভিতৰত আমাৰ দাবী পূৰণ নকৰে তেন্তে আমি ৰাজপথত ওলাই আন্দোলন কৰিম বুলিও চৰকাৰক সকীয়াই দিয়ে।



## নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীক বিদায় সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২২ জুন ঃ** নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক আজি আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। বিভাগীয় প্ৰধান ৰাজীৱ বৰাই সভাপতিত্ব কৰা সভাত অধ্যক্ষ ড° ৰাজু ফুকন, উপাধ্যক্ষ যুগল ভৰালী, পৰিসংখ্যা বিভাগৰ মুৰব্বী পূৰ্ণকান্ত গগৈ, অসমীয়া বিভাগৰ প্ৰবক্তা ড° জীৱন কলিতা, ড° জ্যোতিৰঞ্জন মিলি, কবিতা কোঁচ, ৰিকু নেওগ আদিয়ে ছাত্ৰ - ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। অধ্যক্ষ ড° ৰাজু ফুকনে এই বছৰৰ পৰা নাজিৰা মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত মুকলি কৰিব লগা অসমীয়া বিভাগৰ স্নাতকোত্তৰ ডিগ্ৰীত নামভৰ্তি কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

## ৰাশিফলত আজিৰ দিনটো

**৮ আহাৰ, বৃহস্পতিবাৰ, ২৩ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা দশমী, নক্ষত্ৰ ঃ ৰেৱতী, জন্ম ৰাশি ঃ মীন**
**সূৰ্যোদয়- ৪-৩৪-৫৩ সূৰ্যাস্ত- ৬-১৫-৩৪**



■ **মেষ ঃ** সাহসৰ পৰিচয় ■ **বৃষ ঃ** ধনৰ নাটনি ■ **মিথুন ঃ** পদোন্নতি ■ **কৰ্কট ঃ** সাহায্য লাভ ■ **সিংহ ঃ** পাৰদৰ্শী ব্যক্তি ■ **কন্যা ঃ** কৌশল আয়ত্ত ■ **তুলা ঃ** দাম্পত্য সুখ ■ **বৃশ্চিক ঃ** ছাত্ৰ-ছাত্ৰীৰ আনন্দ ■ **ধনু ঃ** উত্তম খাদ্য গ্ৰহণ ■ **মকৰ ঃ** আদৰ্শবাদী মনোভাৱ ■ **কুম্ভ ঃ** অত্যধিক পৰিশ্ৰম ■ **মীন ঃ** আপোনজনৰ কাষত।

# শিৱসাগৰত অনুষ্ঠিত হ'ব 'অসম সাহিত্য সভা'ৰ ষষ্ঠসংখ্যক কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা

### সাংসদ তপন কুমাৰ গগৈৰ সভাপতিত্বত আদৰণী সমিতিৰ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোণ খঙিয়া, শিৱসাগৰ, ২২ জুন ঃ** ঐতিহাসিক শিৱসাগৰত ২৩ আৰু ২৪ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ বৰ্তমানৰ কাৰ্যকালৰ ষষ্ঠসংখ্যক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। এই উপলক্ষে বিগত কিছু দিনৰ পৰা শিৱসাগৰ জিলাত সাহিত্যানুৰাগী ব্যক্তিসকলৰ মাজত ব্যাপক উৎসাহ দেখিবলৈ পোৱা গৈছে। এই কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সফল কৰি তোলাৰ উদ্দেশ্যে যোৱা ১২ জুনত অনুষ্ঠিত ৰাজহুৱা সভাত সাংসদ তপন কুমাৰ গগৈক সভাপতি, শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈক কাৰ্যকৰী সভাপতি আৰু শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্তক সাধাৰণ সম্পাদক হিচাপে লৈ কেইবাখনো উপ-সমিতিৰে এখন বলিষ্ঠ আদৰণী সমিতি গঠন কৰে। মঙলবাৰে ৰংপুৰ শাখা সাহিত্য সভাৰ কাৰ্যালয়ত আদৰণী সমিতিৰ সভাপতি তথা সাংসদ তপন কুমাৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত আদৰণী সমিতিৰ সভাত ষষ্ঠসংখ্যক পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখনৰ বাবে বিশদভাৱে আলোচনা কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে কাৰ্যসূচী সফল কৰি তুলিবলৈ আদৰি সমিতিয়ে এখন সুন্দৰ বাজেট প্ৰস্তুত কৰে। উল্লেখ্য যে আদৰণী সমিতিৰ সাধাৰণ সম্পাদক সন্তোষ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আৰম্ভণিতে সেউজ কোঁৱৰ পৰাগধৰ চলিহাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে সাহিত্যাচাৰ্য ড° নাহেন্দ্ৰ পাদুনে। শাখা সভাৰ প্ৰতিনিধিৰ লগতে বিভিন্ন জাতীয় সংগঠনৰ নেতৃবৰ্গ উপস্থিত থকা সভাখনত আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি যোগ গগৈ, ৰতন শইকীয়া, খলিলুৰ ৰহমান হাজৰিকা, বিষ্ণু শইকীয়া, মৃদুল দাস, বসন্ত গগৈ, ড° সীমান্ত বৰুৱা, হৰিপ্ৰসন্ন হাজৰিকা, দীপক কোঁৱৰ, অসীম দত্ত, পদ্মা লাহন চেতিয়া, কল্পনা দত্ত, জনম খনিকৰ আদি ব্যক্তিসকলে ভাষণ প্ৰদান কৰি গঠনমূলক পৰামৰ্শ আগবঢ়ায়। উক্ত সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বিনোৱা টায়ে, শিৱসাগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° প্ৰশান্ত কুমাৰ চুতীয়া, শিৱসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক মনোজ কুমাৰ গগৈ, ৰংপুৰ সাহিত্য সভাৰ সভাপতি দীপালী ভট্টাচাৰ্য বৰুৱা, দুলাল দত্ত, কমল চিৰিং, মীৰা বৰুৱা, মনোৰঞ্জন টায়ে, প্ৰণোজ দত্ত, ধ্ৰুৱজ্যোতি শইকীয়া, মৃদুস্মিতা সিংহ, প্ৰণৱ বৰুৱা, প্ৰণৱ চেতিয়া, উৎপল সোণোৱাল, ইলা বৰগোহাঁই, স্নিগ্ধাৰাণী গগৈ, আমিনা বেগম, বীণা গোস্বামীকে আদি কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

# কৃষক মৰ্চা, অসম প্ৰদেশৰ বান সাহায্য বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২২ জুন ঃ** ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশ কৃষক মৰ্চাৰ সভাপতি দেৱজিৎ বৰাৰ নেতৃত্বত 'বান সাহায্য বিতৰণ কমিটী'ৰ আহ্বায়ক তথা ৰাজ্যিক উপ-সভাপতি ৰঞ্জিত ভট্টৰায়, সহঃ আহ্বায়ক তথা সাধাৰণ সম্পাদক ইন্দ্ৰাণী তহবিলদাৰ, সাধাৰণ সম্পাদক নিবাৰণ লহকৰৰ লগতে ৰাজ্যিক কমিটীৰ উদ্যোগত আজি বান সাহায্য বিতৰণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। চাংসাৰি হাইস্কুলত ৩৫০জন বানপীড়িত লোক আৰু পচৰীয়া নিম্ন বুনিয়াদী বিদ্যালয়ত ১৫০ৰো অধিক লোকৰ মাজত খাদ্য সামগ্ৰী আৰু পশুধনৰ বাবে খাদ্য সামগ্ৰী হিচাপে চাপৰৰ বস্তা দিয়া হয়। এই কাৰ্যসূচীত উপস্থিত থাকে কৃষক মৰ্চাৰ ৰাজ্যিক সম্পাদক নিলাদ্ৰী গুপ্তা, প্ৰচাৰ মাধ্যমৰ আহ্বায়িকা অসমী বৰা, ৰাজ্যিক কাৰ্যনিৰ্বাহক অনুৰাগ চলিহা আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰাজীৱ শৰ্মা, জিলা তথা মণ্ডলৰ সদস্যসকল।

## ৰঙিয়াত বানাক্ৰান্ত লোকৰ কাষত থিয় দিলে বিভিন্ন সামাজিক অনুষ্ঠানে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ২২ জুন ঃ** বছৰটোৰ দ্বিতীয়টো বানে জুৰুলা কৰা ৰঙিয়া মহকুমাৰ বিভিন্ন প্ৰান্তত আছুকে ধৰি বিভিন্ন সামাজিক সংগঠনে বানাক্ৰান্ত ৰাইজৰ ওচৰত থিয় দি আহিছে। বিশেষকৈ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি গোলোক ৰাজবংশী, বৈদ্যগড় আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নিটু ৰাজবংশী, সম্পাদক নৰজিৎ কলিতাৰ নেতৃত্বত কৰ্মীসকলে তৰণী, কৰৰা, দলৈগাঁও, বালাগাঁৱকে ধৰি বিভিন্ন অঞ্চলত বানত ক্ষতিগ্ৰস্ত ৰাইজৰ পৰিস্থিতিৰ বুজ লয়। ইফালে ৰঙিয়াৰ অগ্ৰণী শৈক্ষিক-সামাজিক অনুষ্ঠান এডুটেক ইনষ্টিটিউট্ অৱ টেকনলজি কো-এডুকেশ্বন ফাউণ্ডেচনে ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত বানবিধ্বস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ইয়াৰ সমান্তৰালভাৱে একাংশ বন্যাৰ্তক চাউল, দাইল, নিমখ, আটা, মিঠাতেল, আলু, বিস্কুট, চাবোনকে ধৰি বিবিধ সামগ্ৰী আগবঢ়ায়। আনহাতে, ৩১নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত আশ্ৰয় গ্ৰহণ কৰা মগনীয়া, মানসিকভাৱে বাধাগ্ৰস্ত লোকসকলকো খাদ্য-সামগ্ৰীৰ লগতে কাপোৰ আদি প্ৰদান কৰা হয়। এডুটেক ইন্‌ষ্টিটিউট্ অৱ টেকনলজি কো-এডুকেশ্বনেল ফাউণ্ডেচন তথা আই টি আই ৰঙিয়াৰ সভাপতি ধ্ৰুৱজ্যোতি কলিতা প্ৰমুখ্যে অনুষ্ঠানৰ বিষয়ববীয়াসকলৰ প্ৰচেষ্টাত সঁহাৰি জনাই কেইবাজনো ব্যক্তিয়ে বালাগাঁও, কাছাৰী শ'লমাৰী, বৰদলকে ধৰি বিভিন্ন অঞ্চলত নগদ ধনো প্ৰদান কৰে। আনহাতে, বেচৰকাৰী সংগঠন 'সমৃদ্ধি'ৰ উদ্যোগতো বনগাঁও আদি থাইত বানাক্ৰান্ত ৰাইজক বিভিন্ন খাদ্য সামগ্ৰীৰ লগতে ফেনাইল তথা আন বিভিন্ন প্ৰদূষণমুক্ত সামগ্ৰী প্ৰদান কৰে।

# বটদ্ৰৱাত একল অভিযানৰ উদ্যোগত যোগ দিৱস



**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২২ জুন ঃ** অষ্টমসংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে দেশৰ অনান্য প্ৰান্তৰ লগতে অসমৰো বিভিন্ন ঠাইত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰে। দেশৰ ৭৫সংখ্যক স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি একল অভিযান নগাঁও অঞ্চলৰ উদ্যোগত কালি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত যোগ দিৱস অনুষ্ঠিত হয়। এই যোগ দিৱসত অঞ্চলটোৰ কণ কণ শিশুৰ পৰা জ্যেষ্ঠ জনলৈকে শতাধিক যোগ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। বটদ্ৰৱা সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত অনুষ্ঠিত যোগ দিৱসৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, শিক্ষক দিলীপ কুমাৰ নাথে যোগৰ ইতিহাস, প্ৰয়োজনীয়তা ওপৰত সাৱলীল ভাষণ প্ৰদান কৰে। একল অভিযানৰ অঞ্চল প্ৰমুখ অতুল মহান্তিয়ে আঁত ধৰা অনুষ্ঠানত সমাজকৰ্মী হিমেশ্বৰ দাস, বটদ্ৰৱা সাংবাদিক সন্থাৰ সভাপতি নিতুমণি গোস্বামী, সম্পাদক মাজিদুল ইছলাম, কোষাধ্যক্ষ সাংবাদিক দিব্যজ্যোতি বৰুৱা, একল অভিযান নগাঁও অঞ্চলৰ অধ্যক্ষ ৰাধা ৰমন খাটোৱালা, সম্পাদক ললিত কোঠাৰীকে আদি কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# বৰছলাৰ ভৰা শিঙৰীত মহাবাহু ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়া

### শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী কৃষক-শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিঙৰী, ২২ জুন ঃ** ৰাজ্যৰ অধিকাংশ নদ-নদীৰ মথাউৰি আজিও উন্মুক্ত অৱস্থাতে পৰি আছে। বাৰিষাৰ আৰম্ভণিৰ লগে লগেই নদ-নদীসমূহৰ খহনীয়াই কালৰূপ ধাৰণ কৰিছে। সমান্তৰালভাৱে মহাবাহু ব্ৰহ্মপুত্ৰই ৭২নং বৰছলা বিধানসভা সমষ্টিৰ ঠেলামৰা ৰাজহ চক্ৰ এলেকাৰ ভৰাশিঙৰীত তীব্ৰ খহনীয়াৰ সৃষ্টি কৰি কৃষিভূমিৰ লগতে বহুতো পৰিয়ালক গৃহহীন কৰিছে। ব্ৰহ্মপুত্ৰৰ খহনীয়াই কালৰূপ ধাৰণ কৰাত শোণিতপুৰ জিলাৰ বৰছলা বিধানসভা সমষ্টিৰ গৰুডোবাৰ ভৰাশিঙৰীত ৰাইজৰ হেজাৰ হেজাৰ বিঘা কৃষিভূমিৰ লগতে কেইবাখনো জনবসতি প্ৰধান গাওঁ ইতিমধ্যে নৈৰ বুকুত জাহ গৈছে। ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াৰ ফলত ভৰাশিঙৰীৰ ছটি পাহাৰত অৱস্থিত ইতিহাসপ্ৰসিদ্ধ ঐতিহাসিক হৰ-গৌৰী দেৱালয়লৈ তীব্ৰ ভাবুকি আহি পৰিছে। খহনীয়াৰ কবলত পৰা উক্ত ভৰাশিঙৰী অঞ্চলত আজি কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যৰ নেতৃত্বত সঁজাতী দল এটাই উপস্থিত হৈ দুৰ্ভগীয়া ৰাইজৰ ক্ষয়ক্ষতিৰ বুজ লয়। উক্ত খহনীয়াগ্ৰস্ত অঞ্চল পৰিভ্ৰমণ কৰি কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই সংবাদ মাধ্যমৰ আগত চৰকাৰৰ তথা স্থানীয় জনপ্ৰতিনিধিসকলক তীব্ৰ ভাষাৰে সমালোচনা কৰে। কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই চৰকাৰ তথা স্থানীয় বিধায়কৰ বিৰুদ্ধে ক্ষোভ উজাৰি কয় খহনীয়া ৰোধৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ, ৰাজ্যৰ জলসম্পদ বিভাগ তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস তথা স্থানীয় বিধায়ক গণেশ কুমাৰ লিম্বুৱে বিগত দিনবোৰত কোনো ধৰণৰ ফলপ্ৰসু হোৱাকৈ ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলটোৰ হাজাৰ হাজাৰ বিঘা কৃষিভূমি আৰু বহুতো দৰিদ্ৰ পৰিয়ালৰ আশ্ৰয়খিনিও ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ বুকুত বিলিন হৈছে। চৰকাৰৰ নীৰৱতা আৰু জলসম্পদ বিভাগৰ দায়িত্বহীনতাৰ ফলত বৰ্তমান ৰাইজে দিক্-বিদিক হেৰুৱাই এক দুৰ্বিষহ অঘৰীৰ জীৱন কটাইছে। আনকি বিগত দিনবোৰৰ পৰাই ৰাইজে নিজৰ গাঁঠিৰ ধন খৰচ কৰি বাঁহ, গছ আদিৰে ভৰাশিঙৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধ কৰাৰ আপ্ৰাণ চেষ্টা চলাই আহিছিল যদিও সেয়া বাস্তৱায়িত নহ'ল। খহনীয়াৰ কবলত পৰা উক্ত ভৰাশিঙৰী অঞ্চলৰ লগতে ইতিসাহপ্ৰসিদ্ধ ঐতিহাসিক হৰ-গৌৰী দেৱালয়ৰ চৌপাশ এনেদৰে বাঁহ, গছ আদিৰে বচোৱাটো সম্ভৱপৰ নহয় বুলি কৃষক শ্ৰমিক নেতা বৈশ্যই কয়। কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই লগতে কয় উক্ত ভৰাশিঙৰী অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ বাবে কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমে দীৰ্ঘদিনৰে পৰা চৰকাৰক প্ৰবল দাবী জনাই আহিছে। কৃষক শ্ৰমিক সংগঠনৰ ধাৰাবাহিক আন্দোলন আৰু দাবীৰ প্ৰতি সঁহাৰি জনাই বিগত বৰ্ষত ৰাজ্যৰ জলসম্পদ বিভাগ তথা জলসম্পদৰ মন্ত্ৰী পীযূষ হাজৰিকা ভৰাশিঙৰী অঞ্চলত উপস্থিত হৈ প্ৰায় ৫০ লাখ টকা মোকলাই দিছিল যদিও সেয়া ফুটুকাৰ ফেনত পৰিণত হ'ল। পাৰ্কুপাইনৰ ৫০ লাখটকীয়া কামৰ ঠিকা লাভ কৰা ঠিকাদাৰগৰাকীয়ে কিছু কাম কৰিয়েই বাকী সমুদায় ধন কৌশলেৰে টেঁটুলৈকে গিলিলে। ঠিকাদাৰৰ এনে চতুৰালিৰ ফলত বৰ্তমান ভৰাশিঙৰীৰ চেণ্টাৰৰ বহুকেইখন দোকান নৈৰ বুকুত জাহ যোৱাৰ লগতে হৰ-গৌৰী দেৱালয়লৈ যোৱা একমাত্ৰ পথছোৱা খহনীয়াৰ কবলত পৰিছে। সেয়েহে এইক্ষেত্ৰত কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপৰ দাবী জনৰইছে। লগতে ৰাজ্য চৰকাৰ তথা ৰাজ্যৰ জলসম্পদ বিভাগে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই দাবী জনাইছে। অন্যথা আগন্তুক দিনত সৰ্বহাৰা ৰাইজৰ লগতে হৰ-গৌৰী দেৱালয়ৰ সুৰক্ষাৰ স্বাৰ্থত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে গণতান্ত্ৰিকভাৱে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই সংবাদ মাধ্যমৰ জৰিয়তে একপ্ৰকাৰ চৰকাৰক সকীয়াই দিছে।

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

২৩ জুন, ২০২২ ■ বৃহস্পতিবাৰ ■ গুৱাহাটী ■ ৮ আহাৰ, ১৯৪৪ শক




**ঐতিহাসিক কমলদৈপুল গাড়ীয়ে খুন্দীয়াই ভঙাক লৈ তাই আহোম ছাত্ৰ সন্থাৰ তীব্ৰ প্ৰতিক্ৰিয়া**

## আটাছু'ৰ তৎপৰতাত ট্ৰাক মালিকে দিলে পুল পুনৰ নিৰ্মাণৰ লিখিত প্ৰতিশ্ৰুতি



### ব্যৱস্থা গ্ৰহণৰ দাবীত ডিমৌ ৰাজহ চক্ৰ বিষয়াক স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২২ জুন ঃ** ডিমৌৰ নিতাই বৰবৰুৱা পথৰ ঐতিহাসিক কমলদৈপুলটো ১৮ জুনত এফচিআই চাউল অনা এখন ট্ৰাকে কাণ্ড জ্ঞানহীনভাৱে প্ৰচণ্ড বেগত খুন্দীয়াই ভাঙি পেলুৱাক লৈ সমগ্ৰ অঞ্চলটোৰ ৰাইজৰ লগতে তাই আহোম ছাত্ৰ সন্থাইয়ো তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত উচিত তদন্ত কৰি ঐতিহাসিক কমলদৈপুল ভগ্নপ্ৰায় অংশটো পুনৰ নিৰ্মাণৰ দাবীত তাই আহোম ছাত্ৰ সন্থাই ডিমৌ ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে।আটাছুৰ শিৱসাগৰ জিলা সমিতি উপ-সভাপতি নিপন বৰুৱা, কাৰ্যনিৰ্বাহক সদস্য মনোৰঞ্জন চেতিয়া, শিৱসাগৰ মহকুমা সমিতি সাধাৰণ সম্পাদক সুমিত কুমাৰ সন্দিকৈ আৰু ডিমৌ আঞ্চলিক সমিতিৰ সভাপতি বিদ্যুৎ দুৱৰাৰ স্বাক্ষৰিত স্মাৰক পত্ৰত উল্লেখ কৰিছে যে ঐতিহাসিক কমলদৈপুলত খুন্দিয়াই পুলটোৰ বিস্তৰ ক্ষতিসাধন কৰা বাহন আৰু চালকক কোনো কাৰনত এৰি দিয়া নহ্ব। আনহাতে কমলদৈপুল ক্ষতিসাধন কৰা উক্ত গাড়ীখন জব্দ কৰাৰ লগতে চালকক নিতাই আৰক্ষীয়ে আটক কৰিছিল যদিও পৰৱৰ্তী পৰ্যায়ত স্থানীয় দুজনমান যুৱক আৰু শিৱসাগৰৰ গাড়ী মালিকৰ মাজত হোৱা গোপন এক আলোচনা মৰ্মে গাড়ীখন অতি ৰহস্যজনকভাৱে ১৯ জুনৰ দিনা মুকলি কৰি দিয়ে। যি কাৰ্যক স্হানীয় ৰাইজ আৰু ডিমৌৰ সচেতন মহলে সহজভাৱে লব পৰা নাই। উল্লেখ্যৰ প্ৰয়োজন যে বিস্তৰ ক্ষতিসাধন হোৱা পুলটোৰ পুনৰ নিৰ্মাণ অথবা ক্ষতিপূৰণ প্ৰদান নকৰাকৈ গাড়ী মালিকে ২৫০০ টকা স্থানীয় কেইজনমান যুৱকক আগবঢ়াই বিষয়টো নিষ্পত্তি কৰা কায্যকো তাই আহোম ছাত্ৰ সন্থাই সহজভাৱে গ্ৰহণ কৰা নাই। ছশ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱোজ্জ্বল ইতিহাসৰ চানেকি বহন কৰি থকা ঐতিহাসিক কমলদৈ পুলৰ সংৰক্ষণৰ বাবে আটাছু'ৱে দীৰ্ঘদিনৰে পৰা দাবী জনাই আহিছে যদিও আজি পৰ্যন্ত প্ৰশাসনৰ ফালৰ পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰাটো অতি দুৰ্ভাগ্যজনক বিষয় বুলিও উল্লেখ কৰিছে স্মাৰক পত্ৰত। আজি প্ৰদান কৰা স্মাৰক পত্ৰত লগতে উল্লেখ কৰিছে যে ঐতিহাসিক কমলদৈ পুলত গধুৰ যান-বাহনৰ প্ৰৱেশ নিষিদ্ধ কৰি কাষৰ ৰাস্তাটো ব্যৱহাৰৰ ব্যৱস্থা কৰা, ঐতিহাসিক কমলদৈপুলৰ বিস্তৰ ক্ষতিসাধন কৰা গাড়ীখনৰ বিৰুদ্ধে উচিত তদন্ত কৰি, পুলটোৰ নিৰ্মানৰ ব্যৱস্থা কৰাৰ দাবী কৰিছে। কিছু দিন পূৰ্বেও পুলটো অ'এনজিচি গধুৰ যান বাহন চলাচল কৰি বিস্তৰ ক্ষতিসাধন কৰাৰ উপৰিও এখন টেইলাৰৰ প্ৰচণ্ড কুন্দাৰ ফলতো পুলটো দুৰ্বল হৈ পৰে। পৰৱৰ্তী সময়ত অ'এন,জিচি কৰ্তৃপক্ষই এই পুলটো পুনৰ নিৰ্মাণ কৰাৰ আশ্বাস প্ৰদান কৰিছিল যদিও সেইয়া ফুটুকাৰ ফেনত পৰিণত হ'ল। অনাগত দিনত এই ঐতিহাসিক সম্পদটো চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষই সংৰক্ষণ অথবা পুনৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেইয়া লক্ষণীয় হ'ব। ইফালে তাই আহোম ছাত্ৰ সন্থাইয়ো স্মাৰক পত্ৰৰ জড়িয়তে চক্ৰ বিষয়াক এই সমগ্ৰ বিষয়টো গুৰুত্ব আৰোপ কৰি গাড়ীখন আৰু গাড়ী মালিকৰ বিৰুদ্ধে তদন্ত কৰি গাড়ীখনৰ বিৰুদ্ধে উচিত ব্যৱস্থা লবলৈ আৰু কমলদৈপুলৰ সংৰক্ষণৰ সন্দৰ্ভত ক্ষিপ্ৰ পদক্ষেপ লবলৈও দাবী জনাইছে। আনহাতে ২১ জুনত আটাছুৰ তৎপৰতাত ট্ৰাক মালিকে পুল পুনৰ নিৰ্মাণৰ লিখিত প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

### কালভাৰ্ট বন্ধ কৰাত শতাধিক পৰিয়ালে ককবকাইছে কৃত্ৰিম বানপানীত

# পানীত নামি পুৰুষ-মহিলাই কালভাৰ্ট খোলাৰ দাবীত প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলগাছিয়া, ২২ জুন ঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কান্দুলীয়া গাঁৱৰ এটা কালভাৰ্ট খুলি দিয়াৰ দাবীত শতাধিক পুৰুষ-মহিলাই পানীত নামি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উ'ল্লেখ্য যে উক্ত গাঁওখনৰ শতাধিক পৰিয়ালক বিপদত পেলাই কান্দুলীয়া চ'কত থকা এটা কালভাৰ্ট কেৱল মাত্ৰ কেইজনমান লোকৰ মুনাফাৰ কাৰণেই বন্ধ কৰাৰ অভিযোগ তোলে ৰাইজে। বিগত তিনি বছৰ ধৰি কাৰ্লভাৰ্টটো বন্ধ কৰাত বৰষুণৰ ফলত কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। যাৰ ফলত পানী আৱদ্ধ প্ৰায় শতাধিক লোকৰ ঘৰৰ ভিতৰত পানী সোমাই ঠাইখিনিৰ মানুহে ছয় মাহ পৰ্যন্ত নৰক যন্ত্ৰণাৰ মাজেৰে জীৱন-যাপন নিৰ্বাহ কৰিবলগীয়া হয়। ইতিমধ্যে পানীত আৱদ্ধ



পৰিয়ালকেইটাই এসাঁজ খাবলৈয়ো যথেষ্ট কষ্টৰ সন্মুখীন হৈছে। ছাত্ৰ-ছাত্ৰীয়ে লিখা পঢ়া কৰাত যথেষ্ট অসুবিধাৰ হোৱাৰ লগতে বিদ্যালয়ত অহা-যোৱাৰ সময়ত পথত আহি কাপোৰ সলাবলগীয়া হয়। কৃষিজীৱী মানুহসকলে গৰু-ছাগলী, কুকুৰা পালনৰ পৰাও বঞ্চিত হৈ আহিছে। দীৰ্ঘ সময়ৰ ধৰি পানী আৱদ্ধ হোৱাত ৭০/৮০ বিঘা শাক-পাচলি, মৰাপাট খেতি নষ্ট হোৱাত দুৰ্ভগীয়া পৰিয়াল কেইটাই মূৰে-কঁপালে হাত দিছে। ইফালে দুদিন ধৰি প্ৰখৰ ৰ'দৰ বাবে শিশুৰ পৰা বৃদ্ধলৈকে বিভিন্ন বেমাৰ আজাৰত আক্ৰান্তৰ বলি হ'ব লগা হৈছে। এই নৰক যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ পাবলৈ বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আৰু জিলা প্ৰশাসনক ভুক্তভোগী ৰাইজে লিখিত আবেদন জনোৱাৰ পাছতো প্ৰশাসনে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে প্ৰতিবাদকাৰীয়ে। অতিশীঘ্ৰেই বন্ধ কালভাৰ্ট খুলি দি ৰাইজক নৰক যন্ত্ৰণাৰ পৰা ৰক্ষা কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনাইছে। অন্যথা ৰাইজে গনতান্ত্ৰিকভাৱে ইয়াত কৈ তীব্ৰ আন্দোলন গঢ়ি তোলাৰ লগতে সাংসদ আব্দুল খালেকৰ বাসগৃহ ঘেৰাও কাৰ্যসূচী হাতত লোৱাৰ হুংকাৰ প্ৰদান কৰে।

## বিষ্ণুৰাভা গীতৰ প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ জুন ঃ** নবীন শৰ্মা স্মৃতিচৰাৰ উদ্যোগত ২৬ জুনৰ দিনৰ ১২-৩০ বজাৰ পৰা বিষ্ণু ৰাভা গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতা চান্দমাৰিৰ জে বি আইন মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। ভৰ্তি মাচুল দুশ টকা মাত্ৰ। আয়োজকসকলে সবিশেষ জানিবৰ বাবে (ফোন নম্বৰ) ৯৪৩৫০-৪৯৮৮৯ আৰু ৯৪০১০-৫৩৬১৭ত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

## পশ্চিম দৰঙত এফালে বান-আনফালে অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিত দিশহাৰা জনতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২২ জুন ঃ** যোৱা ১৬ জুনত একাধিক ঠাইত নণৈ নদীৰ মথাউৰি ছিগি দৰং জিলাৰ লগতে পশ্চিম দৰং অঞ্চলটো কৃষক ৰাইজৰ খেতিপথাৰ, ঘৰ দুৱাৰ, জীৱ- জন্তু আদিৰ বিস্তৰ ক্ষতি সাধন কৰি ককাল বেকা কৰি পেলোৱাৰ পিছত কটা ঘাত চেঙা তেল দিয়াৰ দৰে এনে দুৰ্যোগৰ সময়ত অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিত দিশহাৰা হৈ পৰিছে বন্যাৰ্ত জনতা। জানিব পৰা মতে অঞ্চলটোৰ বজাৰ-দোকান সমূহত অসাধু দোকানী সকলে বানপানীৰ দোহাই মাল-বস্তু গুৱাহাটীৰ পৰা কিনি দোকানলৈ নিব নোৱাৰাৰ অজুহাত দেখুৱাই অত্যাৱশ্যকীয় সা-সামগ্ৰীত ইচ্ছানুযায়ী মূল্যবৃদ্ধি ঘটায় জনতাক মাধমাৰ সোধোৱাৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ নহ'লে নোহোৱা আলু, পিয়াজ, মিঠাতেল আদিৰ মূল্য বৃদ্ধিত বন্যাৰ্ত জনতাই চকুৰে সৰিয়হৰ ফুল দেখাৰ উপক্ৰম ঘটাত বুলি প্ৰকাশ। এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী, জিলা প্ৰশাসন, সংশ্লিষ্ট বিভাগৰ নীৰৱ ভূমিকাই ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনহাতে বানপানীৰ সময়ত অঞ্চলটোৰ চোৰাং তেলৰ ব্যৱসায়ীয়ে মুকলিভাৱে অত্যধিক দৰত ঘৰত তেল বিক্ৰী কৰি জনতাক শোষণ কৰাত ৰাইজৰ চকু কপালত উঠা বুলি প্ৰকাশ। এই নীলা কেৰাচিন তেল ক'ৰ পৰা নি বিক্ৰী কৰিছে ই ৰহস্যজনক।

## হাজোৰ বঙালপাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আলহাজ ছামচুদ্দিন আহমেদৰ মৃত্যুত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২২ জুন ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বঙালপাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আলহাজ ছামচুদ্দিন আহমেদৰ (৬৫) মৃত্যুত বৃহত্তৰ বৰছলি অঞ্চলৰ লগতে হাজোত শোকৰ ছাঁ পৰিলক্ষিত হয়। উল্লেখ্য দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ থাকি আজি পুৱাৰ ভাগত অৱশেষত সকলোকে কন্দুৱাই ইহসংসাৰৰ ত্যাগ কৰে। তেওঁ ১৯৯৯ চনত পঞ্চায়ত নিৰ্বাচনত ১০২নং বঙালপাৰা গাঁও পঞ্চায়তত অসম গণ পৰিষদ দলৰ পৰা



প্ৰতিদণ্ডিতা কৰি সভাপতি পদত নিৰ্বাচিত হৈছিল। প্ৰয়াত আহমেদ হাজো অগপ দলৰ এগৰাকী নিষ্ঠাবান কৰ্মী আছিল। ইয়াৰোপৰি প্ৰাক্তন সভাপতি গৰাকী বৃহত্তৰ বৰছলি অঞ্চলৰ প্ৰতিটো অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সমাজ জীৱনৰ হৈ কাম কৰিছিল। বৃহত্তৰ অঞ্চলৰ এগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ী হিচাপেও পৰিচিত আছিল প্ৰয়াত আহমেদে। আজি বিয়লি ৩.৩০ বজাত বঙালপাৰা কবৰস্থানত সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত প্ৰাক্তন সভাপতি গৰাকীৰ জানাজা সম্পন্ন কৰা হয়। তেওঁ মৃত্যুৰ সময়ত ইহ সংসাৰত পত্নীৰ লগতে এগৰাকী পুত্ৰ, চাৰি গৰাকী কন্যাসহ আত্মীয়-স্বজনক এৰি যায়। প্ৰাক্তন সভাপতিগৰাকীৰ মৃত্যুত অগপ দলৰ সভাপতি অতুল বৰা, প্ৰাক্তন মন্ত্ৰী নুৰুল হুছেইন, আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, হাজো অগপৰ সভাপতি প্ৰদীপ কুমাৰ বৰা, সম্পাদকদ্বয় বলী কলিতা, গোলোক ওঁজা, অসম যুৱ পৰিষদ কামৰূপ জিলা সমিতিৰ সম্পাদক আতাউৰ ৰহমান, বৰছলি শাখা সাহিত্য সভাৰ সভাপতি ছামচুল হক, বঙালপাৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী জাহানাৰা বেগম, কাউন্সিলৰ লুটফৰ ৰহমান, বঙালপাৰা অগপ শক্তি পৰিষদৰ সভাপতি হুছেইন আলী আহমেদ, সম্পাদক নুৰুল ইছলাম আদি কৰি বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বীয়ে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰমোদ চন্দ্ৰ কটকীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২২ জুন ঃ** পশ্চিম যোৰহাটৰ পুলিবৰ নিবাসী, গোলাঘাট বেজবৰুৱা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ বিষয় শিক্ষক, উপাধ্যক্ষৰূপে অৱসৰ গ্ৰহণ কৰা প্ৰমোদ চন্দ্ৰ কটকী (৯৫) ২২ জুনৰ পুৱা ৭:২৫ বজাত যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। হৃদৰোগত আক্ৰান্ত হৈ তেওঁ চিকিৎসালয়খনত ২১ দিন চিকিৎসাধীন হৈ আছিল। অৱসৰৰ পাছত তেওঁ সৰুচৰাই মৌজাৰ পৰ্বতীয়া ৰাজহ গাঁৱৰ ৰাইজে প্ৰতিষ্ঠা কৰা পৰ্বতীয়া উচ্চ বিদ্যালয়ত ১৯৯৩-৯৬ চনলৈ অবৈতনিক প্ৰধান শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ পুলিবৰ এলেকাৰ অন্যান্য অনুষ্ঠানৰ সৈতেও জড়িত আছিল। ১৯২৭ চনৰ ২৩ মাঘত তিতাবৰৰ এলেঙী সত্ৰৰ কটকী পৰিয়ালত জন্মগ্ৰহণ কৰা আৰু শিক্ষা গ্ৰহণৰ পাছত যোৰহাট পুলিবৰৰ স্থায়ী বাসিন্দা হোৱা কটকীয়ে দুজন পুত্ৰ-বোৱাৰী, দুগৰাকী কন্যা-জোঁৱাই,নাতি আৰু আত্মীয়সকলক এৰি থৈ গৈছে। তেওঁৰ মৃত্যুৰ খবৰ প্ৰচাৰ হোৱাত



অগণন গুণমুগ্ধ পুলিবৰস্থিত বাসগৃহত সমবেত হয় আৰু শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে বাসগৃহৰ বাৰীতে সম্পন্ন কৰা অন্ত্যেষ্টিক্ৰিয়াত সহযোগিতা আগবঢ়ায়। প্ৰমোদ চন্দ্ৰ কটকীৰ মৃত্যুত পশ্চিম যোৰহাটৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে যোৰহাটৰ পৰা প্ৰকাশিত মাহেকীয়া আলোচনী 'দিগদৰ্শন'ৰ সম্পাদক পংকজ কুমাৰ দাসে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে।

### ডিগবৈত চোৰাং তেলৰ ঘাটিত আৰক্ষীৰ অভিযান

## কুখ্যাত তেল চোৰ বিপিন ৰাজকোঁৱৰ আৰু ত্ৰিদিপ হাজৰিকা আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২২ জুন ঃ** তিনিচুকীয়া জিলা ডিগবৈ কুখ্যাত তেল চোৰ বিপিন ৰাজকোঁৱৰ, ত্ৰিদিপ হাজৰিকা আৰু ভগৱান শ্বাহৰ চোৰাং তেলৰ সাম্ৰাজ্যত আৰক্ষীৰ অভিযান। এক গোপন সূত্ৰ পমখেদি মঙলবাৰে নিশা আৰক্ষীয়ে চলোৱা এক অভিযানত বৃহৎ পৰিমাণৰ তেলৰ লগতে তেল চুৰি কাৰ্যত ব্যৱহৃত বহু সামগ্ৰী জব্দ কৰা হয়। আৰক্ষীয়ে এই অভিযানত কুখ্যাত তেল চোৰ বিপিন ৰাজকোঁৱৰ আৰু ত্ৰিদিপ হাজৰিকাক আটক কৰিবলৈ সক্ষম হয় যদিও ভগৱান শ্বাহ নামৰ তেল চোৰটো আৰক্ষী চকুত ধূলি মাৰি পলাই যাবলৈ সক্ষম হয় মাৰ্ঘেৰিটা দক্ষ মহকুমা আৰক্ষী বিষয়া হেমন্ত বড়োৰ নেতৃত্বত আৰু ডিগবৈ আৰক্ষী সহযোগত চলোৱা হৈছিল এই অভিযান। উল্লেখ্যে যে উক্ত তিনি কুখ্যাত তেল মাফিয়া নেতৃত্বতে দীৰ্ঘদিনে ডিগবৈত তেল চুৰি চক্ৰই ৰমৰমীয়া চোৰাং তেলৰ অবৈধ বেহা চলাই আহিছিল।

## ধুবুৰীত বান পৰিস্থিতিৰ বুজ ল'লে অভিভাৱক মন্ত্ৰী ৰণজিত কুমাৰ দাসে

### বানৰ সময়ত ধুবুৰী জিলা প্ৰশাসনৰ কামৰ ভূয়সী প্ৰশংসা মন্ত্ৰী দাসৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২২ জুন ঃ** অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী তথা ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি ধুবুৰী জিলাৰ বান পৰিস্থিতিৰ বুজ লয়। কালি সন্ধিয়া আহি ধুবুৰীত



উপস্থিত হোৱা মন্ত্ৰীগৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ প্ৰধান সচিব তথা ধুবুৰী জিলাৰ অভিভাৱক সচিব ডাঃ জে বি এক্কাৰ সৈতে আজি পুৱা ধুবুৰী আৱৰ্ত ভৱণৰ সভাকক্ষত জিলা প্ৰশাসনৰ বিষয়াৰ উপস্থিতিত বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। জিলা উপায়ুক্ত অন্বামুথন এম পি, অতিৰিক্ত উপায়ুক্ত মানস শইকীয়া আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ প্ৰকল্প বিষয়া মফেৰজুল সৰকাৰে মন্ত্ৰীগৰাকীক ধুবুৰীৰ সাম্প্ৰতিক বান পৰিস্থিতি, বানৰ মোকাবিলা কৰাৰ বাবে লোৱা পদক্ষেপ, সাহাৰ্য শিবিৰ আৰু সাহাৰ্য বিতৰণ, অত্যাৱশ্যকীয় সামগ্ৰীৰ মজুতকৰণ সম্পৰ্কত সবিশেষ তথ্যসহ অৱগত কৰে। বান পৰিস্থিতিৰ সময়ত ধুবুৰী জিলা প্ৰশাসনে লোৱা তৎপৰতাত সন্তুষ্টি প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ পানী শুকুৱাৰ পিছত হ'ব পৰা বিভিন্ন ৰোগৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ চিকিৎসকৰ দলে তৎপৰতাৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে জিলা প্ৰশাসনক অতি সোনকালে বানত ক্ষতি হোৱা মানুহৰ বাসগৃহৰ তথ্য সাজু কৰি জমা দিবলৈ কয় যাতে জুলাই মাহৰ ভিতৰত ৰাইজক ক্ষতিপূৰণ আদায় দিব পৰা যায়। ধুবুৰী চহৰত বছৰ বছৰ ধৰি হৈ থকা কৃত্ৰিম বানৰ অসুবিধাৰ সমাধানৰ বাবে এইবাৰ জিলা প্ৰশাসন আৰু পৌৰ সভাৰ সভাপতি ডাঃ দেৱময় সান্যালৰ নেতৃত্বত পৌৰসভাই লোৱা তৎপৰতাৰো সলাগ লয় মন্ত্ৰী দাসে। তেওঁ সমস্যাটোৰ স্থায়ী সমাধান কৰি ধুবুৰী চহৰক সৰ্বাংগসুন্দৰ কৰি তোলাৰ বাবে নগৰ আৰু গাঁও পৰিকল্পনা বিভাগৰ জৰিয়তে পদক্ষেপ গ্ৰহণ কৰিবলৈ বৈঠকত পৰামৰ্শ দিয়ে। বৈঠকৰ পিছতে মন্ত্ৰীগৰাকীয়ে ধুবুৰী চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত থকা সাহাৰ্য শিবিৰ পৰিদৰ্শন কৰি বানাক্ৰান্ত ৰাইজৰ খবৰ লয়। শিবিৰত জিলা প্ৰশাসনে স্থাপন কৰা শিশু উপযোগী স্থানত শিবিৰত থকা শিশুসকলক অংগনবাড়ী কৰ্মী-সহায়িকাই পাঠদান কৰি থকা কাৰ্যৰ প্ৰশংসা কৰে মন্ত্ৰীগৰাকীয়ে। সাংবাদিকৰ আগত তেওঁ বানৰ সময়ত ধুবুৰী জিলা প্ৰশাসনে বৰ্নাত্যৰ সহায়ৰ বাবে লোৱা তৎপৰতা আৰু বানৰ বাবে লোৱা আগতীয়া প্ৰস্তুতিৰ ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে মন্ত্ৰীগৰাকীয় কালি বিলাসীপাৰাত বান পৰিস্থিতিৰ বুজ লৈ জিলা প্ৰশাসনে লোৱা পদক্ষেপক প্ৰশংসা কৰিছিল। আনপিনে অভিভাৱক সচিব ডাঃ জে বি এক্কাই আজি ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়িত এম জি এনৰেগা, প্ৰধানমন্ত্ৰী আৱাস যোজনা আদি আঁচনিৰ পৰ্যালোচনা কৰে।

### পানবাৰীত ভাঙিল লোক নিৰ্মাণ বিভাগৰ পথ

## সম্পূৰ্ণ ৰূপে চলাচল বন্ধ পথচাৰীৰ



### শীঘ্ৰে পথ মেৰামতিৰ দাবী স্থানীয় ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২২ জুন ঃ** দৰঙৰ খাৰুপেটীয়াৰ পৰা ছেকানতলা হৈ কলাই গাঁও সংযোগী পথেৰে চলাচল বন্ধ। কেইবা দিন ধৰি হোৱা মূষলধাৰ বৰষুণৰ ফলত ৰাজ্যখনৰ লগতে দৰঙৰ পানবাৰী আৰক্ষী চকীৰ অন্তৰ্গত গলন্দি চাহ বাগিছা আৰু দৈপাম আৰক্ষী চকীৰ অন্তৰ্গত দুলীয়াপাৰা গাঁৱৰ পথৰ বিস্তৰ ক্ষতি সাধন হয়। ছেকানতলাৰ পৰা ৩০০ মিটাৰ মান দূৰত্বত দুখন ঠাইত ভাঙি গৈছে লোক নিৰ্মাণ বিভাগৰ পথ। যাৰ ফলত সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰিছে পথচাৰীৰ চলাচল। ইফালে আংচা নদীৰ বাঢ়নি পানীয়ে খহাই নিয়ে গলন্দি চাহ বাগিছা গাঁৱৰ একমাত্ৰ গ্ৰাম্য পথ। বুধবাৰে এগৰাকী ফ্ৰিৱালা পথ পিচলি নদীত পৰি গুৰুতৰ ভাৱে আহত হয়। পথচোৱা ভাঙি যোৱাত বন্ধ হৈ পৰিছে কেইবাখনো গাঁৱৰ ৰাইজৰ যাতায়াত ব্যৱস্থা। কৃষি প্ৰধান অঞ্চলটোৰ কৃষকসকলে উৎপাদিত পাচলি বজাৰ লৈ নিয়াত তীব্ৰ বাধাৰ সন্মুখীন হৈছে। দুই সপ্তাহ ধৰি খেতি পথাৰৰ মাজেৰে চলাচল অব্যাহত ৰাখিছে অঞ্চলবাসী ৰাইজে। শীঘ্ৰে লোক নিৰ্মাণ বিভাগৰ পথৰ লগতে গ্ৰাম্য পথখন মেৰামতি কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰৰ ওচৰত দাবী জনাইছে স্থানীয় ৰাইজে।

## দৰং জিলাত পুনৰ তিনি দিনৰ বাবে সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা জিলা প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২২ জুন ঃ** ভাৰতৰ বতৰ বিজ্ঞান বিভাগৰ তৰফৰ পৰা পোৱা তথ্য অনুযায়ী নেৰানেপেৰা বৃষ্টিপাত হোৱাৰ পূৰ্বানুমানৰ প্ৰতি লক্ষ্য ৰাখি আৰু সাম্প্ৰতিক বান পৰিস্থিতিৰ বাবে দৰং জিলা প্ৰশাসনে এক নিৰ্দেশ যোগে জিলাখনৰ সকলো চৰকাৰী, বেচৰকাৰী শিক্ষানুষ্ঠান পুনৰ তিনি দিনৰ বাবে অৰ্থাৎ ২৩ জুনৰ পৰা ২৫ জুনলৈ বন্ধ ৰাখিবলৈ পৰামৰ্শ দিছে। এই নিৰ্দেশ তৎকালীনভাৱে বলবৎ কৰা হৈছে।


**Franklin Templeton Mutual Fund**

Cordially invites you for a program under it's
**Investor Education and Awareness Initiative.**

Venue :
Hotel Daaysco Oley Allo, Paltan Bazar, G.S. Road
Guwahati - 781008 (Formerly Kiranshree Portico)

Date: 25th June, 2022
Time: 7.00 p.m.

Contact Person: Krushna Chandra Pattnaik (9755039449)

Due to limited seats, entry will be provided to registered attendees only. Please call on the above number to register by tomorrow.

All Covid protocols will be followed.

We look forward to your participation.

FRANKLIN TEMPLETON

Registered office: One International Centre, Tower 2, 12th & 13th Floor, Senapati Bapat Marg, Elphinstone (West) Mumbai - 400013

**Mutual Fund investments are subject to market risks, read all scheme related documents carefully.**



Affordable Health Mission | GNRC Quality • Value • Trust

EXECUTIVE
HEALTHCARE PACKAGE
GNRC HEART CHECK UP



₹ 9792/-

**Heamogram**
- HAEMOGLOBIN
- ESR
- PCV
- MCHC
- MCV
- MCH
- TOTAL WBC (TLC)
- TOTAL RBC COUNT (TRBC)
- DIFFERENTIAL COUNT (DLC)
- PERIPHERIAL SMEAR
- PLATELET COUNT

**Kidney Assessment**
- S. UREA
- S. CREATININE
- COMPLETE URINE ANALYSIS

**Cardiac Assesment**
- ECG
- ECHOCARDIOGRAPHY
- TREAD MILL TEST (TMT)

**Biochemical Parameters**
- BLOOD SUGER (FASTING & POST PRANDIAL)
- URIC ACID
- LIPID PROFILE (TOTAL CHOLESTEROL, HDL, LDL, TRIGLYCERIDES, VLDL)

**Liver Function Test**
- TOTAL PROTEIN
- ALBUMIN
- GLOBULIN
- A/G RATIO
- SGPT & SGOT
- ALKALINE PHOSPHATASE
- GGT
- S. BILIRUBIN (TOTAL & DIRECT)

**General Tests**
- BLOOD GROUPING & RH TYPING
- X-RAY CHEST
- ULTRASOUND SCREENING OF THE WHOLE ABDOMEN, CLINICAL EXAMINATION, MEDICAL SUMMARY AND ADVICE BY SENIOR CARDIOLOGIST & DIET COUNSELING.

(Complimentary Breakfast is Provided)

For Appointments 1800 345 0022
Free Ambulance 1800 345 0011


## কলংপাৰ বিদ্যাপীঠত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুন ঃ** 'যোগাভ্যাসে মানুহৰ শৰীৰ সুস্থ কৰি ৰাখে। শৰীৰ সুস্থ হৈ থাকিলে মন সুস্থ হৈ থাকে আৰু সুস্থ মন সৃষ্টিৰ কঠীয়াতলি। কেৱল সিমানেই নহয়, যাৰ মন সুস্থ হৈ থাকে, তেওঁ সদায় আনন্দত থাকে। যিজন মানুহ আনন্দত থাকে, তেওঁ বেছি কাল জীয়াই থাকে। সেই দিশৰ পৰা ক'ব পাৰি যে যোগাভ্যাসে মানুহৰ আয়ুস বৃদ্ধি কৰে।'— আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত আজি এই বক্তব্য অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাৰ। নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান কলংপাৰ বিদ্যাপীঠ চিনিয়ৰ চেকেণ্ডেৰী স্কুলত আয়োজিত যোগ দিৱসৰ শুভাৰম্ভ ভাষণত ৰাজখোৱাই লগতে কয় যে আধুনিক জীৱনযাত্ৰাত কিশোৰ-কিশোৰীৰ পৰা আৰম্ভ কৰি বৃদ্ধলৈকে প্ৰতিগৰাকী মানুহৰে বিভিন্ন মানসিক ছাপ থাকে। এই মানসিক ছাপবোৰৰ কু-প্ৰভাৱৰ পৰা মানুহক বহুখিনি সকাহ দিব পাৰে যোগ আৰু মেডিটেছনে। সেই কাৰণে সকলোৱে যোগ আৰু মেডিটেছন কৰিব লাগে বুলি ৰাজখোৱাই মন্তব্য দিয়ে। কলংপাৰ বিদ্যাপীঠৰ অধ্যক্ষ ৰাজখোৱাই ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যেক দিনাই কিছু সময় যোগ আৰু মেডিটেছন কৰিবলৈ পৰামৰ্শ দিয়ে। কলংপাৰ বিদ্যাপীঠৰ জ্যেষ্ঠ শিক্ষক বিজয় বসুমতাৰী, দিগন্ত বৰদলৈ, সুৰজিৎ দেৱনাথ, অতুলচন্দ্ৰ বৰুৱা আদি উপস্থিত থকা অনুষ্ঠানত মুখ্য বক্তা আৰু প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ধ্যান প্ৰশিক্ষক প্ৰশান্ত বৰা। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন শিক্ষানুষ্ঠানত যোগ আৰু মেডিটেছনৰ জ্ঞান বিতৰণ কৰি থকা বৰাই আৰম্ভণিতে যোগ আৰু মেডিটেছনৰ গুৰুত্বৰ বিষয়ে দাঙি ধৰে। তেওঁ কয় যে 'বৰ্তমান সময়ত যোগ আৰু মেডিটেছনৰ গুৰুত্ব অপৰিসীম। আজিৰ যান্ত্ৰিক যুগত মানুহ বিভিন্ন সমস্যাত জৰ্জৰিত হৈছে। খাদ্যৰ নামত বহুসময়ত অখাদ্যও ভোজন কৰিব লগা হৈছে। এনে পৰিস্থিতিত মানুহক ৰক্ষা কৰিব পাৰে যোগ আৰু মেডিটেছনে।' আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি ধ্যান প্ৰশিক্ষকজনে আৰু কয় ছাত্ৰ-ছাত্ৰীসকলেও নিয়মিত যোগাসন কৰিব লাগে। মেডিটেছন কৰিব লাগে। যোগ আৰু মেডিটেছনৰ জৰিয়তে মগজুৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰি, চকু ৰক্ষা কৰিব পাৰি আৰু শৰীৰ ৰোগমুক্ত কৰি ৰাখিব পাৰি। নিজৰ সৌন্দৰ্য বৃদ্ধি কৰিব পাৰি।' নিয়মীয়া যোগাসন আৰু মেডিটেছন কৰা মহিলাই বিউটি পাৰ্লাৰলৈ নোযোৱাকৈও নিজক ধুনীয়া কৰি ৰাখিব পাৰে বুলিও তেওঁ মন্তব্য দিয়ে। দেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানত ধ্যান প্ৰশিক্ষকজনে কেইবাবিধ যোগাসন আৰু মেডিটেছন কৰিও দেখুওৱায়। তেওঁ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক মগজু আৰু নেত্ৰৰক্ষাৰ মেডিটেছনৰ প্ৰশিক্ষণ দিয়ে। সামৰণিত অতুলচন্দ্ৰ বৰুৱাই ধ্যান প্ৰশিক্ষক প্ৰশান্ত বৰাৰ শলাগ জ্ঞাপন কৰে। ইফালে প্ৰাতঃ অনুষ্ঠানত যোগ দিৱসৰ বিষয়ে আলোকপাত কৰে অৰ্থবিজ্ঞান বিষয়ৰ শিক্ষক ৰুণামণি কলিতাই। উল্লেখ্য কলংপাৰ বিদ্যাপীঠত ২০ জুনত কলংপাৰ বিদ্যাপীঠ শাখা সাহিত্য সভাৰ সহযোগত বিষ্ণু ৰাভা দিৱসো পালন কৰা হয়। অধ্যক্ষ পদুম ৰাজখোৱাই নিজৰ ভাষণত কলাগুৰুৰ জীৱনকৰ্ম দাঙি ধৰে আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে বৰেণ্যজনক সকলোৱে আদৰ্শৰ প্ৰতীক হিচাপে পুৱাই স্মৰণ কৰা উচিত বুলি মন্তব্য দিয়ে। অধ্যক্ষ ৰাজখোৱাৰ অনুৰোধত কলাগুৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ভূগোল বিষয়ৰ শিক্ষক বিজয় বসুমতাৰীয়ে। ধূপ প্ৰজ্বলন কৰে অসমীয়া বিষয়ৰ শিক্ষক দিগন্ত বৰদলৈয়ে। শিক্ষা বিষয়ৰ শিক্ষক আব্দুল ৱাহিদ, তৰ্ক বিষয়ৰ শিক্ষক জ্যোতিমণি ডেকা আৰু বাংলা বিষয়ৰ শিক্ষক উৎপলা দাসে পুষ্পাঞ্জলি তৰ্পণ কৰে। প্ৰাতঃ অনুষ্ঠানত বিষ্ণু ৰাভাৰ বিষয়ে আলোকপাত কৰে ইংৰাজী বিষয়ৰ শিক্ষক শুভাশিস বৰগোহাঞিয়ে।

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৩ জুন ■ ২০২২ ■ ৮ আহাৰ ■ গুৱাহাটী

## যোগ দিৱস ঃ মানসিক আৰু শাৰীৰিক উত্তৰণৰ শক্তিশালী খোজ

২০১৫ চনৰ পৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে প্ৰতি বছৰৰ ২১ জুন তাৰিখে উদ্‌যাপন কৰি অহা হৈছে। সেই হিচাপে যোৱা ২১ জুনত পালন কৰা হৈছে সমগ্ৰ ভাৰতবৰ্ষত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মানুহৰ মানসিক আৰু শাৰীৰিক উত্তৰণৰ বাবে বিশ্ববাসীক দিব পৰা শক্তিৰ উমান দিবলৈ চলোৱা সাৰ্থক প্ৰয়াসে আজি দেশখনক এক নৱ-দিগন্তলৈ লৈ যাবলৈ সক্ষম হয়। ২০১৪ চনত প্ৰধানমন্ত্ৰীৰূপে মোদীয়ে দায়িত্বভাৰ লোৱাৰ পাছৰে পৰা যোগৰ বিশ্ব পৰ্যায়লৈ লৈ যাবলৈ পদক্ষেপ গ্ৰহণ কৰি সেই বৰ্ষৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত ভাষণ দি যোগৰ মহত্ত্ব আৰু গুৰুত্বৰ বিষয়টো তুলি ধৰে আৰু বিশ্ববাসীক স্বাস্থ্যসন্মত জীৱন-যাপন কৰাৰ বাবে ইয়াক জীৱনৰ অংগ হিচাপে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আৰু আহ্বানৰ প্ৰতি সহাঁৰি জনাই প্ৰতি বছৰে ২১ জুনক যোগ দিৱস হিচাপে ঘোষণা কৰে। এই দিৱসৰ সৈতে দেশৰ ২৫ কোটি মানুহক সংযুক্ত কৰাৰ বাবে লোৱা প্ৰস্তুতিয়ে এক নৱ-জাগৰণৰ যে সূচনা কৰিব, সেয়া নিশ্চিত। যোগ যিহেতু এক প্ৰাচীন ভাৰতীয় ভাষা সংস্কৃত শব্দ। ই সেয়ে প্ৰাচীন ভাৰতীয় ঐতিহ্য-পৰম্পৰা বহন কৰি আহিছে। সেই ঐতিহ্য হ'ল ধ্যানৰ। ধ্যানৰ যোগেদি শাৰীৰিক, মানসিক তথা আধ্যাত্মিক সংযোগ সাধনত গুৰুত্ব দিয়া হয়। অতীতত ঋষি-মুনিসকলে তপস্যাৰ যোগেদি সাধনাৰে হাজাৰ হাজাৰ বছৰ ধৰি জীয়াই থকাৰ সুফল লাভ কৰিছিল। যোগৰ যোগেদি শাৰীৰিক তথা মানসিকভাৱে সুস্থ হৈ থকাৰ বিশ্বাসে গভীৰভাৱে আকৃষ্ট কৰে। মন আৰু শৰীৰ সুস্থ্য ৰখাৰ লগতে শাৰীৰিক, মানসিক ৰোগৰ পৰা মানুহে মুক্তি লাভ কৰিব পাৰে। এসময়ত বৈজ্ঞানিক ভিত্তি নাই বুলি কোৱাসকলেও আধুনিক চিকিৎসা পদ্ধতিৰ সমান্তৰালভাৱে যোগাসনৰ ওপৰতো বিশ্বাস বাঢ়িছে। বিশেষকৈ যোগাসনৰ যোগেদি শাৰীৰিক-মানসিক স্বাস্থ্য সুস্থ ৰূপত সুৰক্ষিত ৰখাৰ বাবে আধুনিক বিশ্বত যোগৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাইছে। প্ৰাচীন পৰম্পৰাক বিশ্ববাসীয়ে আদৰি লৈছে। বৰ্তমান জীৱনশৈলী স্বাস্থ্যৰ বাবে ক্ষতিকাৰক হৈ পৰিছে। উচ্চ ৰক্তচাপ, মাধুমেহ আদি ৰোগত আজি মানুহ আক্ৰান্ত হৈছে আৰু বিভিন্ন কাৰণত মানসিক স্বাস্থ্যৰ অৱনতি ঘটিছে। নানান দুচিন্তা, বিষণ্নতা, অৱসাদ আদিত ভুগি থকা আজিৰ মানুহক যোগাসনৰ প্ৰয়োজন হৈছে। যোগাসনৰ যোগেদি শাৰীৰিক অসুস্থতা দূৰ কৰাৰ উপৰি মানসিক অসুস্থতাৰ পৰা মুক্ত হ'ব পৰা যায়। ক'ভিডকালীন সময়ছোৱাত যোগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। আনন্দ, স্বাস্থ্য আদিৰ লগতে শান্তিৰ বাবে যোগক মানৱতাৰ পৰ্যায়লৈ লৈ যোৱাটো অতিশয় গুৰুত্বপূৰ্ণ দিশ। ইয়ে ব্যক্তিৰ আভ্যন্তৰীণ চেতনা আৰু বাহ্যিক জগতৰ নামত নিৰন্তৰ সংযোগৰ ভাব গভীৰ কৰি তুলিব। সুস্থ-সুন্দৰ শৰীৰ আৰু মনৰ বাবে যোগাসন হৈ পৰিছে অতি সু-ফলদায়ক, মূল্যৱান। কাৰণ ই ৰোগ, মানসিক চাপ আৰু হতাশাৰ পৰা মুক্ত হোৱাৰ দিশত এক মাত্ৰা। ইতিমধ্যে ভাৰতত বিশ্ব স্বাস্থ্য সন্থাৰ গ্ল'বেল চেণ্টাৰ ফৰ ট্ৰেডিচনেল মেডিচিন স্থাপন কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ই এক গণ-আন্দোলনত পৰিণত হৈছে আৰু বিকশি উঠিছে। আয়ুস মন্ত্ৰণালয়ে প্ৰস্তুত কৰা সাধাৰণ যোগ প্ৰট'কলত ২৫ কোটিতকৈ অধিক লোকে অনুশীলন কৰি আছ। ই এক আশাপ্ৰদ পদক্ষেপ। নতুন প্ৰজন্মই যাতে শিক্ষাগ্ৰহণ কৰি থকাৰ সময়তে যোগৰ জৰিয়তে কিদৰে সু-স্বাস্থ্যৰ গৰাকী হ'ব পাৰে তালৈ লক্ষ্য ৰাখি বিদ্যালয়, বিশ্ববিদ্যালয় পৰ্যায়ত যোগ শিক্ষা প্ৰৱৰ্তনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় পাঠ্যক্ৰম কাঠামোত যোগাসনক স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ এক অবিচ্ছেদ্য অংগ হিচাপে প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ সংহত পাঠ্যক্ৰম প্ৰস্তুত কৰিছে। যোগৰ যোগেদি সকলো মানুহক শাৰীৰিক, মানসিক সমস্যাসমূহৰ পৰা মুক্ত কৰাৰ সংকল্প আছে। বিশ্বত কৰ'না মহামাৰীয়ে বহু লোকৰ মানসিক স্বাস্থ্য হানি হৈছে, বহু সমস্যাই দেখা দিছে। এইবোৰ সমস্যাৰ পৰা ৰক্ষা পৰিবলৈ যোগৰ প্ৰয়োজন। সেয়ে যোগৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে। এনেবোৰ পদক্ষেপে অদূৰ ভৱিষ্যতে যোগক এক নতুন মাত্ৰা প্ৰদান কৰিব। সেয়া বিশ্ববাসীৰ বাবে আশীৰ্বাদ হৈ পৰিছে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### ৰাজহুৱা সম্পত্তিৰ অপব্যৱহাৰ

ধৰ্মীয় অনুষ্ঠান নামঘৰ, মঠ, মন্দিৰক বাদ দি আমাৰ সচৰাচৰ যিবোৰ ৰাজহুৱা সম্পত্তি আছে, সেইবোৰৰ অৱস্থা দেখিলে এনে লাগে যে চৰকাৰে এইবোৰ আমাক কিয় দিছিল? এইবোৰৰ আমাৰ প্ৰয়োজন আছিলনে? আমি এইবিলাকৰ যোগ্য হওঁনে? আনহাতে, যদি এইবোৰ নিদিয়েও তেতিয়া চৰকাৰৰ বিৰুদ্ধে শ্ল'গান আৰম্ভ হৈ যায়? এইক্ষেত্ৰত আমি থিতাতে দেখা কেইবিধমান ৰাজহুৱা সম্পত্তিৰ কথা উল্লেখ কৰিছোঁ। প্ৰথমতে পানীৰ বাবে চৰকাৰে প্ৰদান কৰা টিউবৱেলৰ কথা ক'ব পাৰি। গাঁৱৰ তিনিআলি, চাৰিআলি বা ৰাজহুৱা স্থানত পানীৰ বাবে স্থাপন কৰা টিউবৱেলবোৰৰ অৱস্থা এবাৰ চাবচোন, কি কি হৈ আছে? হয় টিউবৱেলবোৰৰ হেণ্ডেল ভগা, নহয় টিউবৱেলবোৰৰ পৰা পানী নোলায়। প্ৰশ্ন হয়, চৰকাৰে এইবোৰ কিয় দিছিল? এনেকুৱা কিছুমান টিউবৱেল আছে যিবোৰ এবাৰো ব্যৱহাৰ নকৰাকৈ এনেয়ে পৰি আছে। দ্বিতীয়তে, ৰাজহুৱা স্থানত স্থাপন কৰা প্ৰস্ৰাৱাগাৰ আৰু পায়খানাবোৰৰ কথা ক'বলৈ লৈছো। লাখ লাখ টকা খৰচ কৰি চৰকাৰে বা স্বেচ্ছাসেৱী অনুষ্ঠানে বনাই দিয়ে, অলপ দিনৰ পাছত এইবোৰত সোমাই চাবছোন কি হৈ আছে। প্ৰশ্ন হয়, আমি ইমান লেতেৰানে? এইবোৰত আঁকি-বাকি, পিকাই, জাবৰ-জোঁথৰ পেলাই খাস্তাং কৰো। এইক্ষেত্ৰত এষাৰ প্ৰবচন মনলৈ আহে যে আছে গৰু নবায় হাল, হোৱাতকৈ নোহোৱাই ভাল। ঠিক সেইদৰে আমাক চৰকাৰে দিয়া আৰু বহুতো ৰাজহুৱা সম্পদ আছে যিবোৰ আমি আমাৰ সম্পত্তি বুলি নাভাবি উলাই কৰো। ৰাজহুৱা প্ৰেক্ষাগৃহৰ দুৱাৰ-খিৰিকী, ডেক্স-বেঞ্চ ভঙা, ৰাস্তা বনাবলৈ অনা শিল-ইটা-বালি মানুহে চুৰ কৰি নিয়া কামবোৰে আমাক কি সুচায়? আমি এবাৰ চিন্তা নকৰো কিয়? এইবোৰ আমাৰে সম্পত্তি। চৰকাৰে আমাক ব্যৱহাৰৰ বাবে দিছে। কিন্তু, আমি আমাৰ সম্পদবোৰৰ বিষয়ে নাজানোনে, নুবুজোনে আমাৰ মনত ঈৰ্ষাৰ ভাব আছে। এবাৰ হ'লেও চিন্তা নকৰো যে এইবোৰৰ বাবে আমি প্ৰত্যেকে চৰকাৰক প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে টকা-পইচা দি থাকিবলগীয়া হৈছে।

■ অৰূপজ্যোতি হাজৰিকা

*ফোন ঃ ৯৯৫৪৯-৭৮৩৮১*

### ভুল কাৰ?

যোৱা দুদিনমানৰ পৰা নেৰানেপেৰাকৈ দিয়া বৰষুণৰ ফলত গুৱাহাটীকে ধৰি মধ্য আৰু নামনি অসমৰ বহুত ঠাইত বানপানী হোৱা পৰিলক্ষিত হৈছে। বহুত ঠাই ইতিমধ্যে পানীত বুৰ গৈছে, বহুত ঘৰ এতিয়াও পানীৰ তলত আছে, যাতায়াত বিভিন্ন হোৱা দেখা গৈছে। আজিও গুৱাহাটীৰ বিভিন্ন অঞ্চল পানীত ডুবি আছে। ৰাস্তাৰে ওলাব-সোমাব নোৱৰা অৱস্থা, স্কুল-কলেজ বন্ধ, খাবলৈ বহুতৰে অভাৱ-অনাটনে দেখা দিছে। বহুকেইখন স্কুলত শৰণাৰ্থী শিবিৰ ইতিমধ্যে আৰম্ভ কৰা দেখা গৈছে। ঠিক সেই সময়তে একাংশই ছ'চিয়েল মিডিয়াতেই হওক বা সংবাদ মাধ্যমতেই হওক বিভিন্ন ধৰণৰ মন্তব্য কৰা দেখা গৈছে। দুদিনমানৰ পৰা বহুতে গুৱাহাটীখনকে লৈ বিৰূপ মন্তব্য কৰা দেখা গৈছে। দুদিনতে বহুতে গুৱাহাটীখনক চকুৰ কুটাৰে দেখিব নোৱৰাৰ দৰে দেখাব ধৰিছে। অসম বুলিবলৈ গুৱাহাটী যে হৈছে একমাত্ৰ ঠাই, য'ত নহাকৈ অসমৰ কোনো লোকে ভাবিবও নোৱাৰে, চিন্তা কৰিবও নোৱাৰে। চাকৰিৰ পৰা চৰকাৰী বিভাগৰ মূল অফিচৰ কামৰ পৰা ফুৰা-চকা বা বাহ্যিকতাৰ পয়োভৰ এইখনেই গুৱাহাটী। এতিয়া প্ৰশ্ন হ'ল— এজাক বৰষুণত কৃত্ৰিম বানপানী হোৱা এই গুৱাহাটীৰ এই অৱস্থাৰ আঁৰত ভুল কাৰ। এতিয়া অধিকাংশই কেৱল যেন এইটোৰ পিছতে লাগি থকা দেখা গৈছে। ঘৰৰ আগেৰে যোৱা নলাটো অকণমান ডাঙৰ কৰাৰ পৰা কোটিটকীয়া মেচিনকেইটাৰ বিতৰ্ক এৰি সঁচা অৰ্থত হাতে-কামে লাগিলেহে সমাধান ওলাব বুলি ভাব হয়। এইক্ষেত্ৰত উভয় পক্ষই সমালোচনা আঁতৰি সমাধানৰ পক্ষত থিয় দিলেহে আগন্তুক দিনৰ বাবে এখন সৰ্বাংগ সুন্দৰ গুৱাহাটী আমি আটায়ে পাম বুলি আশাবাদী।

■ ধৃতিময় ৰায় চৌধুৰী

*◆◆◆ ভাৰতৰ খাদ্য উৎপাদন হ্ৰাসৰ বাবে পৰিৱৰ্তিত জলবায়ুকে প্ৰধানকৈ দায়ী বুলি উল্লেখ কৰা হৈছে। কিন্তু আমাৰ দৃষ্টিত পৰা আৰু এটা গুৰুত্বপূৰ্ণ কথা হ'ল গ্ৰামাঞ্চলৰ বহু কৃষকৰ কৃষিৰ প্ৰতি হোৱা অনীহাও ইয়াৰ বাবে দায়ী। বৰ্তমানৰ বিনামূলীয়া খাদ্য আঁচনিৰ আউটিত পৰা বহু মানুহৰ কৰ্মবিমুখিতাও খাদ্য উৎপাদন কম হোৱাৰ এটা অন্যতম কাৰণ। এই বিনামূলীয়াৰ সুবাদত দেশৰ অৰ্থনীতিৰ ক্ষতিৰ সন্দৰ্ভত অভিজ্ঞ শতাধিক প্ৰশাসকে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওচৰত প্ৰতিবেদনো দাখিল কৰিছিল। গতিকে বৰ্তমান খাদ্য সংকট আৰু মুদ্ৰাস্ফীতিজনিত পৰিস্থিতিত দেশৰ জনসাধাৰণ কৰ্মোদ্যমী হোৱাৰ লগতে উৎপাদনমুখী হোৱাতো অতি জৰুৰী হৈ পৰিছে◆◆◆*

■ খাদ্য সংকট ■

# মানৱ জাতিক প্ৰত্যাহ্বান জনোৱা আচল যুদ্ধ



ইপাৰ-সিপাৰ

■ বেবী সোনোৱাল হাজৰিকা

যোৱা ৬ জুন ২০২২ তাৰিখ সোমবাৰে বিশ্ব খাদ্য সংস্থাৰ গৱেষণামূলক প্ৰতিবেদনত সমগ্ৰ বিশ্বজুৰি এক ভয়াৱহ দুৰ্ভিক্ষৰ আশংকাৰ কথা প্ৰকাশ কৰা হৈছে। বিশেষকৈ বিশ্বৰ ৬খন দেশৰ পৰিস্থিতি মাৰাত্মক হ'ব বুলি উল্লেখ কৰা হৈছে। বিশ্ব খাদ্য সংস্থাৰ গৱেষণামূলক প্ৰতিবেদনত ইথিঅ'পিয়া, নাইজেৰিয়া, দক্ষিণ চুডান, ইয়েমেন, আফগানিস্তান আৰু ছোমালিয়াত সৰ্বাধিক খাদ্য সংকটৰ আশংকা কৰা হৈছে। উল্লেখ্য যে, আফগানিস্তান আৰু ছোমালিয়াৰ নাম বিশ্ব খাদ্য সংস্থাৰ জানুৱাৰী (২০২২) মাহৰ তালিকাত নাছিল। কিন্তু এই কেইমাহৰ ভিতৰতে এই দুখন দেশ দুৰ্ভিক্ষৰ তালিকাত অন্তৰ্ভুক্ত হ'ল। বৰ্তমানৰ আটাইতকৈ উদ্বেগজনক কথাটো হ'ল, দুৰ্ভিক্ষৰ কবলত পৰি বিশ্বৰ এই ছখন দেশৰ প্ৰায় চাৰে ৭ লাখ মানুহ মৃত্যুৰ মুখত পৰিব পাৰে বুলি বিশ্ব খাদ্য সংস্থাই আশংকা প্ৰকাশ কৰিছে।

প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে, হিংসা আৰু সংঘাতত লিপ্ত ইথিঅ'পিয়াত সৰ্বাধিক লোকৰ মৃত্যু ঘটিব পাৰে। ২০১১ চনত ছোমালিয়াত সৃষ্ট খাদ্যাভাৱতকৈও ইথিঅ'পিয়াৰ অৱস্থা ভয়ংকৰ হ'ব পাৰে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। কংগো, হাইতি, চাহেল, ছুডান আৰু চিৰিয়াৰ অৱস্থাও বেয়ালৈ যাব পাৰে। এই দেশসমূহত মহামাৰীজনিত বিপদৰ ব্যাপক সম্ভাৱনা আছে। এই তালিকাত কেনিয়া নতুনকৈ অন্তৰ্ভুক্ত হৈছে। চৰম খাদ্যাভাৱৰ আশংকাৰ তালিকাত আছে— এঙ্গোলা, লেবানন, মাদাগাস্কাৰ, মোজাম্বিক, শ্ৰীলংকা, বেনিন আৰু যুদ্ধবিধ্বস্ত ইউক্ৰেইন।

কিছু দিন আগতে ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত খাদ্য সংকটৰ ভয়াৱহ তথ্য প্ৰকাশ পাইছিল। সেই প্ৰতিবেদন মতে, বৰ্তমান ৫৩খন দেশ খাদ্য সংকটৰ কবলত পৰিছে। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন মতে, দিনৰ হিচাবত নোখোৱাকৈ থকা মানুহৰ সংখ্যাই যোৱা এটা বছৰত সৰ্বোচ্চ সীমা অতিক্ৰম কৰিছে। জলবায়ু পৰিৱৰ্তনৰ লগতে ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধই বিশ্বব্যাপী খাদ্য উৎপাদনত প্ৰভাৱিত কৰিছে। তাৰ ফলত বিশ্ববাসী নতুনকৈ আৰু ডাঙৰ সমস্যাৰ সন্মুখীন হ'বলগীয়াত পৰিব। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত দেখা গৈছে যে, ৫৩খন দেশৰ প্ৰায় ১৯৩ মিলিয়ন মানুহে ২০২১ চনত আধাপেটীয়াকৈ খাই জীৱন ধাৰণ কৰিছে। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে, সংঘৰ্ষ, জলবায়ুৰ পৰিৱৰ্তন আৰু কৰ'না মহামাৰীয়েই এই অৱস্থাৰ বাবে দায়ী।

ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাই (এফ এ অ') জনাইছে যে, সংঘাত, জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তন আৰু অৰ্থনৈতিক সংকটৰ ফলত জনগণৰ জীৱিকা ধ্বংস হৈ যোৱাৰ ফলত যোৱা বছৰত ক্ষুধাৰ কবলত পৰা মানুহৰ সংখ্যা বাঢ়ি গৈ ১৯ কোটি ৩০ লাখ হৈছেগৈ। ইয়াৰ উপৰি আৰু ৪ কোটিৰো বেছি মানুহক তীব্ৰ ক্ষুধাৰ জ্বালালৈ ঠেলি দিয়া হৈছে। ৪ মে' ২০২২ তাৰিখে প্ৰকাশিত ২০২১ চনৰ বাৰ্ষিক প্ৰতিবেদনত এই তথ্যসমূহ সংস্থাটোৱে প্ৰকাশ কৰিছে। সৰ্বাধিক ক্ষতিগ্ৰস্ত দেশসমূহ হৈছে— কঙ্গো, ইথিঅ'পিয়া, ইয়েমেন আৰু আফগানিস্তান। এই দেশসমূহতেই আটাইতকৈ বেছি আধাপেটীয়াকৈ খাই জীয়াই থকা মানুহ আছে। বিশ্ব খাদ্য সংস্থাৰ মহাপৰিচালক কু ডঙ্গুৱে এই প্ৰসংগত উল্লেখ কৰিছে যে, ২০১১ আৰু ২০০৭-২০০৮ বৰ্ষত 'আৰব স্প্ৰীঙ'ৰ বাবে ৪৮খন দেশত ৰাজনৈতিক অস্থিৰতা, গৃহযুদ্ধ আৰু ধাৰাবাহিক বিক্ষোভ-সমাৱেশ আদি হৈছিল। সেই সময়ৰ খাদ্য সংকটতকৈও ভয়াৱহ আকাৰ ধাৰণ কৰাৰ আশংকাই দেখা দিছে বৰ্তমানৰ ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধজনিত খাদ্য সংকটে।

ৰাষ্ট্ৰসংঘৰ সংস্থাসমূহৰ গৱেষণামূলক প্ৰতিবেদনবিলাকত বিশ্বব্যাপী হোৱা খাদ্য সংকট তথা মূল্যবৃদ্ধি আৰু ইন্ধনজাতীয় মূল্যবৃদ্ধিৰ বাবে ৰাছিয়া -ইউক্ৰেইনৰ যুদ্ধকেই এককভাৱে দায়ী কৰা হৈছে। ইয়াৰ ফলত কৰ'নাজনিত পৰিস্থিতিয়ে কোবাই যোৱা অৰ্থনীতিৰ আৰু শোচনীয় অৱস্থা হ'ল। এই পৰিস্থিতিয়ে সমগ্ৰ বিশ্বকে দুৰ্যোগৰ মুখলৈ ঠেলি দিছে।

খাদ্য নিৰাপত্তাহীনতাৰ অৱলোকনত 'হাংগাৰ হটস্পটছ-ফাও-ডব্লিউএফপিৰ আগতীয়া সতৰ্কতা' শীৰ্ষক ৰাষ্ট্ৰসংঘৰ সতৰ্কবাণীত আৰু উল্লেখ কৰা হৈছে যে, এতিয়াই যদি যথাযথ পদক্ষেপ গ্ৰহণ কৰা নহয় বা গ্ৰহণত ব্যৰ্থ হয় তেন্তে বিপদ অৱশ্যম্ভাৱী। মানৱীয়তাৰ স্বাৰ্থত যিমান সম্ভৱ দ্ৰুততাৰে পদক্ষেপ গ্ৰহণ কৰিবলৈ খাদ্য আৰু কৃষি সংস্থাৰ লগতে বিশ্ব খাদ্য সংস্থাই উদাত্তভাৱে আহ্বান জনাইছে।

উল্লেখ্য যে, বিভিন্ন দেশত সংঘটিত সংঘাত, গৃহযুদ্ধ, জলবায়ু পৰিৱৰ্তনৰ ঢৌ, কৰ'না মহামাৰী, ঋণগ্ৰস্ততা আৰু শেহতীয়াকৈ ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধজনিত বিভিন্ন কাৰণৰ বাবে বিশ্বৰ অৰ্থনৈতিক পৰিস্থিতি অস্থিৰ হৈ পৰিছে। জলবায়ু পৰিৱৰ্তনৰ ফলস্বৰূপে খৰাং, অতিবৃষ্টি, বানপানী আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ফলত বহু দেশত উৎপাদন কমিছে। অথবা উৎপাদিত খাদ্য-শস্য মাৰাত্মক ক্ষতিৰ সন্মুখীন হৈছে।

এই সকলো বিষয়ত দৃষ্টি নিক্ষেপৰ আহ্বান জনাই বিশ্ব খাদ্য সংস্থাৰ প্ৰধানে মন্তব্য কৰিছে যে, 'আমি খাদ্য সংকট, অৰ্থনৈতিক সংকটৰ মাজত আছোঁ। এই অৱস্থাত মানুহৰ খাদ্য উৎপাদন আৰু ব্যৱহাৰৰ ক্ষমতা হ্ৰাস কৰি কোটি কোটি মানুহক অভাৱ-অনাহাৰৰ দিশলৈ ঠেলি



দিয়া হৈছে। খাদ্য নিৰাপত্তাহীনতা চৰম পৰ্যায়লৈ গতি কৰাৰ আশংকা কৰা হৈছে। এনে এটা সংকটৰ পৰা মুক্তি বা উত্তৰণৰ বাবে সন্মিলিত পদক্ষেপ গ্ৰহণ কৰা জৰুৰী। যাতে খাদ্য উৎপাদন বৃদ্ধি কৰা সম্ভৱ হয় আৰু বিদ্যমান প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰা যায়।'

বিশ্ব খাদ্য সংস্থাৰ বক্তব্যত সমগ্ৰ বিশ্বজুৰি খাদ্য সংকটৰ ভয়াৱহ অৱস্থাৰ কথা প্ৰতিফলিত হৈছে। আমাৰ ভাৰতৰো খাদ্য উৎপাদন হ্ৰাস পোৱা বুলি বাতৰি প্ৰকাশ হৈ আহিছে। জলবায়ু পৰিৱৰ্তনৰ বাবে ভাৰতৰ ঘেঁহু উৎপাদন ১৬ শতাংশ কমি গৈছে। আগন্তুক খাদ্য সংকটৰ আশংকাত ভাৰতে ঘেঁহুৰ লগতে চাউল আৰু চেনিৰ ৰপ্তানি নিষিদ্ধ কৰিবলগীয়া হৈছে। ৰপ্তানি নিষিদ্ধকৰণে বৈদেশিক মুদ্ৰা অৰ্জন হ্ৰাস অৱশ্যেই কৰিব, যিটো অৰ্থনীতিৰ বাবে শুভজনক নহয়। কিন্তু বৈদেশিক মুদ্ৰা অৰ্জন কৰিবলৈ গৈ বৰ্তমান খাদ্য সামগ্ৰী ৰপ্তানি কৰি ভাৰতে নিজকে খাদ্য সংকটৰ মাজলৈ ঠেলি দিব নোৱাৰে।

ভাৰতৰ খাদ্য উৎপাদন হ্ৰাসৰ বাবে পৰিৱৰ্তিত জলবায়ুকে প্ৰধানকৈ দায়ী বুলি উল্লেখ কৰা হৈছে। কিন্তু আমাৰ দৃষ্টিত পৰা আৰু এটা গুৰুত্বপূৰ্ণ কথা হ'ল গ্ৰামাঞ্চলৰ বহু কৃষকৰ কৃষিৰ প্ৰতি হোৱা অনীহাও ইয়াৰ বাবে দায়ী। বৰ্তমানৰ বিনামূলীয়া খাদ্য আঁচনিৰ আউটিত পৰা বহু মানুহৰ কৰ্মবিমুখিতাও খাদ্য উৎপাদন কম হোৱাৰ এটা অন্যতম কাৰণ। এই বিনামূলীয়াৰ সুবাদত দেশৰ অৰ্থনীতিৰ ক্ষতিৰ সন্দৰ্ভত অভিজ্ঞ শতাধিক প্ৰশাসকে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওচৰত প্ৰতিবেদনো দাখিল কৰিছিল। গতিকে বৰ্তমান খাদ্য সংকট আৰু মুদ্ৰাস্ফীতিজনিত পৰিস্থিতিত দেশৰ জনসাধাৰণ কৰ্মোদ্যমী হোৱাৰ লগতে উৎপাদনমুখী হোৱাটো অতি জৰুৰী হৈ পৰিছে। যাতে সম্ভাব্য খাদ্য সংকট আৰু অন্যান্য বিপদৰ পৰা দেশখন ৰক্ষা পৰিব পাৰে।

ইতিহাসৰ আঁত ধৰি ...

# হয়গ্ৰীৱ মাধৱ মন্দিৰ, হাজো



■ অন্‌জন ডেকা

শতিকাজোৰা ইতিহাসৰ পাতত জিলিকি থকা অসমৰ এক প্ৰাচীন স্থাপত্য হয়গ্ৰীৱ মাধৱ দেৱালয়। বিষ্ণুৰ এক অৱতাৰ 'হয়গ্ৰীৱ'ক এই দেৱালয়ত আৰাধনা কৰা হয়। সংস্কৃত ভাষাত 'হয়' মানে 'ঘোঁৰা' আৰু 'গ্ৰীৱ'ৰ অৰ্থ 'ডিঙি'। অৰ্থাৎ হয়গ্ৰীৱৰ অভিধানিক অৰ্থ ঘোঁৰাৰ মূৰসহ বিষ্ণু। সেয়েহে এই দেৱালয় বা মন্দিৰৰ নাম হয়গ্ৰীৱ মাধৱ দেৱালয়। উত্তৰ-পূবৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী মহানগৰীৰ পৰা মাত্ৰ ২৬ কিলোমিটাৰ দূৰৈত অৱস্থিত তীৰ্থ নগৰী হাজোৰ পঞ্চতীৰ্থৰ অন্যতম এই হয়গ্ৰীৱ মাধৱ দেৱালয়। গুৱাহাটীৰ মাজমজিয়াৰ পৰা মটৰ গাড়ীৰে এই ঠাই পাবলৈ প্ৰয়োজন হয় সাধাৰণ অৱস্থাত ৪৫ মিনিট। হাজোৰ সোঁমাজতে থকা মণিপৰ্বত বা মণিকূট পৰ্বতৰ শিখৰত ভূপৃষ্ঠৰ পৰা ৯০ মিটাৰ উচ্চতাত অৱস্থিত হাজোৰ এই ঐতিহাসিক হয়গ্ৰীৱ মাধৱ দেৱালয়। কোনে কেতিয়া কিয় আৰু কেনেকৈ এই ঐতিহাসিক দেৱালয় বা স্থাপত্য প্ৰতিষ্ঠা কৰিছিল সেই সম্পৰ্কে ইতিহাস প্ৰায় নীৰৱ। আৰু যদি ক'ৰবাত কেনেবাকৈ এই ইতিহাসৰ পাতত এই বিষয়ে লিখা আছে তেনেহ'লে তাৰ অধিকাংশই হয়তো পোহৰলৈ অহা নায়।

অসম তথা ভাৰতৰ প্ৰায়সমূহ দেৱালয়, উপাসনাস্থলী, প্ৰাচীন স্থাপত্য আৰু বিভিন্ন কীৰ্তিচিহ্নসমূহৰ বিষয়ে লিপিবদ্ধ কাহিনীৰ লগতে অনেক কাহিনী লিপিবদ্ধ নোহোৱাকৈয়ে মুখে মুখে চলি আহিছে প্ৰজন্মৰ পিছত প্ৰজন্মলৈ। হয়গ্ৰীৱ মাধৱ দেৱালয়ো ইয়াৰ ব্যতিক্ৰম নহয়। এই দেৱালয়ৰ সৈতেও জড়িত হৈ আছে অনেক কিংবদন্তি। সেই মতে, ব্ৰহ্মাই বেদ সৃষ্টি কৰাৰ সময়ত মধু আৰু কৈতভ নামৰ দুই অসুৰে লগ হৈ ব্ৰহ্মাৰ সৃষ্টিসমূহ চুৰি কৰি লৈ যায়। স্বাভাৱিকতেই এই ঘটনাই ব্ৰহ্মাক আচম্বিত কৰি তোলে। তেওঁ এক অনাহুত পৰিস্থিতিৰ মুখামুখি হয়। কি দৰে এই হেৰোৱা সামগ্ৰীসমূহ উদ্ধাৰ কৰিব পৰা যায়, সেই বিষয়ে চিন্তা-চৰ্চা কৰি তেওঁ বিষ্ণুৰ ওচৰ চাপিল। সেই সময়ত বিষ্ণু নিদ্ৰাৰত অৱস্থাত আছিল। উপায়হীন ব্ৰহ্মাই সেই সময়ত নিদ্ৰাৰত বিষ্ণুক টোপনিৰ পৰা জগাই দিয়ে আৰু অসুৰে চুৰি কৰি নিয়া তেওঁৰ সৃষ্টিসমূহ উদ্ধাৰৰ বাবে অনুৰোধ জনায়। ব্ৰহ্মাৰ অনুৰোধ মৰ্মে বিষ্ণুৱে হয়গ্ৰীৱৰ ৰূপ লৈ ৰসাতলৰ পৰা সমগ্ৰ সৃষ্টিৰাজি উদ্ধাৰ কৰে আৰু পিছলৈ মধু আৰু কৈতভৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈ দুয়োকে পৰাস্ত কৰে।

মহাকাব্য মহাভাৰতৰ শান্তিপৰ্বত এই বিষ্ণুৱে হয়গ্ৰীৱৰ ৰূপ ধাৰণ কৰি অসুৰদ্বয়ক নিধন কৰাৰ কথা উল্লেখ আছে। দেৱী ভাগৱততো এই বিষয়ে বিশদভাৱে অৱতাৰণা কৰা হৈছে। আনহাতে, ভাগৱত পুৰাণত এই স্থানতে মৎস্যৰূপী বিষ্ণুৱে অসুৰ নিধন কৰাৰ কথা উল্লেখ আছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে, হয়গ্ৰীৱ মাধৱ দেৱালয়ৰ ওচৰতে একালত মৎস্যৰূপী বিষ্ণুৰ উপাসনাস্থলী স্থাপন কৰা হৈছিল।

কামৰূপৰ পটভূমিত ৰচিত যোগিনী তন্ত্ৰত উল্লেখ থকা মতে ঔৰ্বঋষিয়ে মণিকূট পৰ্বতৰ শিখৰত হয়গ্ৰীৱ মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। মণিকূট পৰ্বতৰ শীৰ্ষত দুৰ্গম স্থানত এইজনা ঋষিয়ে তপস্যাত বহিছিল। এই সময়তে ব্ৰহ্মাৰ আশীৰ্বাদপুষ্ট হয়াসূৰ নামৰ এক অসুৰে সেই ঋষিৰ তপস্যা কালত প্ৰায়ে বিঘিনী ঘটাইছিল। পিছলৈ সেই তপস্বীৰ আহ্বানত বিষ্ণুৱে হয়গ্ৰীৱৰ ৰূপ লৈ এই অসুৰক যুদ্ধত পৰাভূত কৰে আৰু ভক্তৰ ইচ্ছানুযায়ী এই স্থানত অৱস্থান কৰে। কালিকা পুৰাণৰ মতে, বিষ্ণুৱে হয়গ্ৰীৱৰূপে জ্বৰাসুৰক নিধন কৰি মণিকূট পৰ্বতৰ শিখৰত স্থিত হৈ ইয়াৰ শোভাবৰ্ধন কৰিছিল। হয়গ্ৰীৱ মাধৱ অসমৰ এক প্ৰাচীন মন্দিৰ বা স্থাপত্য। কোনো কোনো বুৰঞ্জীবিদৰ মতে, পালবংশীয় কোনো ৰজাই খ্ৰীষ্টীয় ষষ্ঠ শতিকাতে এই স্থাপত্য নিৰ্মাণ কৰে। পিছলৈ কালৰ সোঁতত এই স্থাপত্য ধবংসৰ গৰাহত পৰে। ১৫-১৬ শতিকাত কোঁচ ৰজাৰ পৃষ্ঠপোষকতাত অসমৰ ভালেমানে ধ্বংসপ্ৰাপ্ত স্থাপত্য মেৰামতি আৰু পুনৰ্নিৰ্মাণ কৰোৱা হৈছিল। গুৱাহাটীৰ নীলাচল পৰ্বতস্থিত বিশ্ববিখ্যাত কামাখ্যা মন্দিৰো কোঁচ ৰজা নৰনাৰায়ণ আৰু চিলাৰায়ে পুনৰ্নিৰ্মাণ কৰোৱাইছিল। তাৰ পিছতেই ৰজা চিলাৰায়ৰ সু-পুত্ৰ ৰঘুদেৱ নাৰায়ণৰ পৃষ্ঠপোষকতাত ১৫৮৩ খ্ৰীষ্টাব্দত হয়গ্ৰীৱ দেৱালয় পুনৰ্নিৰ্মাণ কৰোৱা হৈছিল। আহোমসকলেও তেওঁলোকৰ ৰাজত্বকালত অসমৰ বিভিন্ন স্থানত থকা বহু মঠ-মন্দিৰ, স্থাপত্য আদিৰ উন্নয়ন সাধন কৰাৰ কথা ইতিহাসৰ পাতত লিপবদ্ধ আছে। পূৰ্ণানন্দ বৰগোহাঁইৰ দিনৰ কলিয়াভোমোৰা বৰফুকনৰ প্ৰথম পত্নী শয়নীয়ে স্থানীয় এটা পাইকৰ পৰিয়ালৰ ওপৰত এই দেৱালয় চোৱা-চিতাৰ দায়িত্ব ন্যস্ত কৰিছিল। একে সময়তে এইগৰাকী মহিষীয়ে দেৱালয়ৰ এটুকুৰা মাটি দান কৰা বুলি বহু ঠাইত উল্লেখ আছে। প্ৰত্নতাত্ত্বিক দিশৰ ফালৰ পৰাও এই মন্দিৰৰ গুৰুত্ব অপৰিসীম। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ বাবেও এই স্থান অতি পৱিত্ৰ। তেওঁলোকৰ বহুতৰে মাজত প্ৰচলিত বিশ্বাস অনুসৰি গৌতম বুদ্ধই শৰীৰ ত্যাগ কৰি প্ৰাচীন কামৰূপৰ কোনো স্থানত মোক্ষ বা নিৰ্বাণপ্ৰাপ্ত হৈছিল। আৰু কামৰূপৰ সেই পৱিত্ৰ স্থান হাজো বুলি তেওঁলোকে চিহ্নিত কৰিছে।

ইয়াৰ লগতে উল্লেখ কৰিব পাৰি যে, বৌদ্ধতন্ত্ৰৰ মাজত হয়গ্ৰীৱে এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। ভূটান আৰু তিব্বতৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে হাজোৰ হয়গ্ৰীৱ মন্দিৰত মহামুনিৰ চৈত্য থকা বুলি অন্তঃকৰণেৰে বিশ্বাস কৰে। কিছু বছৰ আগলৈকে শীত কালত এই দুই চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা পৰিব্ৰাজকসকলৰ পদব্ৰজে ইয়ালৈ আহি শ্ৰদ্ধা তৰ্পণ কৰাৰ এক পৰম্পৰা আছিল। বহু বিদ্বান আৰু গৱেষকে প্ৰকাশ কৰা মতে এই স্থানত আদিতে এক বুদ্ধ স্তূপ আছিল। সম্ভৱতঃ ইয়াতে এক শিলৰ বুদ্ধ মূৰ্তিও আছিল। হয়গ্ৰীৱ মাধৱ মন্দিৰটো বহু আগতেই শিলেৰে নিৰ্মাণ কৰা হৈছিল। ৩০ ফুট ব্যাসৰ এক স্থানত অষ্টভুজাকৃতিৰ স্থাপত্য নিৰ্মাণ কৰা হৈছে। বহু প্ৰাচীন ভাস্কৰ্য আৰু শিল্পকৰ্মৰে ভৰা মন্দিৰটোৰ স্থাপত্য সঁচাই আকৰ্ষণীয় আৰু কৌতূহলপূৰ্ণ। মূল ভেটিৰ ওপৰ ভাগতে এলানি হাতীৰ সুন্দৰ ভাস্কৰ্য খোদিত কৰা আছে। দেখিবলৈ এনে লাগে যেন বিশাল স্থাপত্যটো এশাৰী হাতীয়ে পিঠিত তুলি লৈ আছে। ই প্ৰাচীন অসমীয়া শৈলীৰ এক নিদৰ্শন। হয়গ্ৰীৱ মন্দিৰৰ ভেটিৰ নিৰ্মাণশৈলীৰ সৈতে ইলোৰাৰ বিখ্যাত কৈলাস মন্দিৰৰ ভেটিৰ নিৰ্মাণশৈলীৰ সাদৃশ্য আছে বুলি বহুতে ক'ব খোজে। স্থাপত্যৰ ওপৰভাগ পিৰামিড আকৃতিৰ। বৰ্তমান মন্দিৰৰ স্থাপত্যৰ বেৰত তলৰ পৰা ওপৰলৈ দেৱ-দেৱী আৰু মানুহৰ ভিন ভিন মুদ্ৰাৰ অনেক ভাস্কৰ্য খোদিত কৰা আছে। ইয়াৰ ভিতৰত নৰসিংহ, ব্যাস, বায়ু, বৰাহ, শ্ৰীকৃষ্ণ, সূৰ্য, ৰাম-লক্ষ্মণৰ সৈতে বালি, অগ্নি, ৰাৱণৰ সীতাহৰণ, ইন্দ্ৰ, বকাসুৰ, চামুণ্ডা আদি। এই ভাস্কৰ্যসমূহৰ পৰা একালত যে এই স্থানত এক অতি সুন্দৰ আৰু আকৰ্ষণীয় স্থাপত্য আছিল সেয়া সহজতে অনুমান কৰিব পাৰি।

আনহাতে, চৌহদৰ দুয়োখন তোৰণতে আৰু অতীতৰ শিল্পকৰ্মৰ সাক্ষী কেইবাটাও সুন্দৰ ভাস্কৰ্য। কিন্তু সঠিকভাৱে অধ্যয়ন নকৰাকৈ ৰং দিয়াৰ ফলত বহু সূক্ষ্ম কাম থকা ভাস্কৰ্যসমূহ বৰ্তমান চিনাক্ত কৰিবলৈ যথেষ্ট অসুবিধা হয়। ইতিহাসপ্ৰসিদ্ধ এই মন্দিৰটো আন প্ৰাচীন মন্দিৰসমূহৰ দৰেই তিনিটা ভাগত বিভক্ত। গৰ্ভগৃহ, অন্তৰাল আৰু মণ্ডপ। ১৪ বৰ্গফুট আৱৰা গৰ্ভগৃহ অংশটো ইটাৰে নিৰ্মিত। সন্মুখৰ কোঠালিটো শিলেৰে সজা। কোঠালিটোৰ দুয়োফালে পদুম আকৃতিৰ ছবি কঁটা শিলৰ দুখন দেৱাল আছে। সাধাৰণতে মণ্ডপবোৰ কিছু আহল-বহল আৰু মুকলি হয়। এই মন্দিৰৰ মণ্ডপো ইয়াৰ ব্যতিক্ৰম নহয়। ইয়াৰ আয়তন প্ৰায় ৪০ x ২০ ফুট। শিল আৰু ইটাৰে নিৰ্মিত মণ্ডপৰ শৈলীক আহোমসকলে নিৰ্মাণ কৰা আন আন স্থাপত্যৰ সৈতে তুলনা কৰিব পাৰি। মজিয়াৰ মাজভাগত নিৰ্মিত চাৰিটা শিলৰ খুঁটাৰ ওপৰত মণ্ডপৰ মূধচ নিৰ্মিত। এই খুঁটাৰ ওপৰ ভাগত ধেনুভিৰীয়া নিৰ্মাণৰে বেৰৰ লগত সংযোগ কৰা হৈছে। কোচসকলে এই নিৰ্মাণশৈলী প্ৰৱৰ্তন কৰিছিল। কোচসকলে নিৰ্মাণ কৰা অসমৰ আন আন স্থাপত্যতো এই ধৰণৰ কাৰু-কাৰ্য দেখা যায়। ইয়াৰ সৈতে জড়িত হৈ আছে এখন বৰ্গাকৃতিৰ মজিয়া আৰু বৰ্তমান এই মজিয়াৰ ওপৰত নামঘৰৰ আৰ্হিৰে টিনৰ ছালি নিৰ্মাণ কৰা হৈছে। একে সময়তে এই স্থাপত্যত আহোম নিৰ্মাণশৈলীৰো প্ৰভাৱ দেখা যায়। আহোমৰ নিৰ্মাণশৈলী অনুসৰণ কৰিয়েই এই স্থাপত্যৰ তিনিখলপীয়া শিখৰটো নিৰ্মাণ কৰা হৈছে বুলি ভবাৰ সম্পূৰ্ণ অৱকাশ আছে। আনহাতে, মন্দিৰৰ শিখৰৰ আমলকা আৰু বহুস্তৰীয় নিৰ্মাণশৈলীয়ে ইয়াৰ গৌৰৱময় ইতিহাস প্ৰতিফলিত কৰে। সাধাৰণতে আমলকাৰ ধাৰণাটো ভাৰতীয় নিৰ্মাণশৈলীৰ এক ঐতিহ্যময় আৰু জনপ্ৰিয় উপাদান।

একে সময়তে হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পুনৰ্নিৰ্মাণৰ জৰিয়তে কোচসকলে উত্তৰ-পূব ভাৰতত এক নতুন আৰু স্বকীয় নিৰ্মাণশৈলী প্ৰৱৰ্তন কৰে। মণ্ডপৰ প্ৰৱেশদ্বাৰৰ ওপৰত থকা কিছু শিল্পকৰ্মত উত্তৰ ভাৰতত মোগলৰ ৰাজত্ব কালত নিৰ্মিত বিভিন্ন তোৰণ থকা ইছলামীয় শিল্পকলাৰ প্ৰভাৱ পৰা যেন অনুভৱ হয়। আনহাতে, ভাস্কৰ্যসমূহ স্থাপন কৰা দিশলৈ লক্ষ্য কৰিলে বৰ্তমানৰ মন্দিৰটো পুৰণি স্থাপত্যৰ ভগ্নাৱশেষেৰে নিৰ্মাণ কৰা বুলি বুজিব পাৰি। সেয়ে হয়তো আন আন প্ৰাচীন মন্দিৰৰ সৌন্দৰ্যৰ সৈতে ইয়াৰ কিছু ভিন্নতা পৰিলক্ষিত হয়। কিন্তু প্ৰায়বোৰ ভাস্কৰ্যই সময়ৰ আঘাতত সৌন্দৰ্য হেৰুৱাইছে। বহুকেইটা ভাস্কৰ্য মেৰামতি কৰি আগৰ ৰূপ দিবলৈ চেষ্টা কৰা হৈছে। জংঘা বা বেৰৰ ওপৰ ভাগত এলানি পদুম ফুলৰ চিত্ৰ খোদিত কৰা আছে। আনহাতে, মন্দিৰ চৌহদৰ বিভিন্ন স্থানত কেইবাটাও সুন্দৰ ভাস্কৰ্য মুক্তভাৱেই ৰাখি থোৱা আছে। সঠিক আৰু প্ৰণালীবদ্ধভাৱে ব্যৱস্থা গ্ৰহণ কৰিলে এই সুন্দৰ শিল্পকৰ্মসমূহৰ সৌন্দৰ্য বৰ্তমানৰ লগতে পৰৱৰ্তী প্ৰজন্মবোৰলৈ সুন্দৰভাৱে সংৰক্ষিত কৰি ৰাখিব পৰা হ'ব। লগতে এক গৌৰৱময় ইতিহাসৰ ধাৰা প্ৰবাহিত হ'ব ভৱিষ্যতলৈ।

*ফোন ঃ ৯৪৩৫১-৯০৫৪৫*

### বানপানী কমিলে আৰম্ভ হ'ব নতুন যুদ্ধ

যোৱা সপ্তাহৰ পৰা এতিয়ালৈ অসমৰ বিশেষকৈ নামনি আৰু মধ্য অসমৰ বহু অঞ্চল বানৰ কবলত পৰিছে। বহু ঠাইৰ পানী এতিয়াও শুকোৱা নাই। সা-সম্পত্তি, জন-ধন, পশুধনৰ ক্ষয়-ক্ষতি ভাবিব নোৱৰা ধৰণে হ'ল। বহু পৰিয়াল পুনৰ ঠন ধৰি উঠিলৈ হয়তো আৰু এটা দশক লাগিব। ক'ভিডে জুৰুলা কৰা আৰ্থিক অৱস্থাৰ লগত যুঁজি থাকোতেই বলিয়া বানে আমাক তচ্‌নচ্ কৰি থৈ গ'ল। এইকেইদিনত মাজে মাজে খবৰ আহি আছে ক'ভিড ৰোগী নতুনকৈ চিনাক্ত হোৱাৰ। খুব কমসংখ্যকৰ পৰীক্ষা কৰাৰ মাজতেই যিহেতু ৰোগী ওলাই আছে তাৰ অৰ্থ হ'ল আপুনি-ময়ো হয়তো পুনৰ ক'ভিডৰ লগত যুদ্ধ কৰিব লগা হ'ব পাৰে। অৱশ্যে এতিয়ালৈকে আমাৰ প্ৰায়ভাগৰে শৰীৰ ক'ভিডক হৰুৱাব পৰাৰ জোখাৰে শক্তিশালী হৈ আছে। বান শিবিৰত এইবাৰ কোনো ধৰণৰ ক'ভিড বিধি মানা হোৱা নাই, সম্ভৱো নহয়। গতিকে অচিৰেই চৰ্দি, জ্বৰ, কাহৰ সমস্যা আহিব। পানী কমা অঞ্চলত পেটৰ অসুখ আৰম্ভ হোৱাৰ খবৰ আহিছে আমালৈ। পেটৰ ৰোগ, চালৰ ৰোগ আদি বানপানী কমাৰ লগে লগে আৰম্ভ হোৱাটো খাটাং। মানুহৰ আৰ্থিক দিশটো যথেষ্ট দুৰ্বল হৈ যোৱা হেতুকে ব্যক্তিগত চিকিৎসাতো দূৰৰে কথা, যাতায়াতৰ খৰচ ভৰি হয়তো জিলাৰ অসামৰিক চিকিৎসালয়লৈ যাবও অসুবিধা হ'ব। গতিকে এইক্ষেত্ৰত চৰকাৰে যথেষ্ট ক্ষিপ্ৰতাৰে কাম কৰিব লাগিব। এম্বুলেন্স, নৌকা এম্বুলেন্স আদি সম্পূৰ্ণ সাজু ৰাখিব লাগিব। ইতিমধ্যেই চৰকাৰে ঘোষণা কৰা ধৰণেই ঠায়ে ঠায়ে মেগা হেল্‌থ কেম্প আয়োজন কৰিব লাগিব। অন্যথা বানপানীৰ পিছতে বিভিন্ন ৰোগত মানুহৰ আলৈ-আথানি হোৱাটো নিশ্চিত। আমি আশা ৰাখিছো, এইক্ষেত্ৰত চৰকাৰক ব্যক্তিগত খণ্ডৰ স্বাস্থ্য প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা আদিয়েও নিস্বাৰ্থভাৱে সহায়ৰ হাত আগবঢ়াব।

■ প্ৰণৱ চক্ৰৱৰ্তী

*ফোন ঃ ৯৮৬৪১-৪৯৬৬৪*

# কাজিৰঙাৰ বন্যপ্ৰাণী পুনৰ সংস্থাপন-সংৰক্ষণ কেন্দ্ৰত মহাবিদ্যালয়ৰ স্বেচ্ছাসেৱকৰ দলক প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ২২ জুন ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্যোগত ৱাইল্ড লাইফ ট্ৰাষ্ট অৱ ইণ্ডিয়া আৰু ভুমিৰ সহযোগত বোকাখাতৰ বৰজুৰিত থকা বন্যপ্ৰাণী উদ্ধাৰ পুনৰ সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰত যোৱা তিনি দিন ধৰি চলা স্বেচ্ছাসেৱক প্ৰশিক্ষণৰ ২০ জুনৰ দিনা সামৰণি পৰে। ১৭ জুনৰ পৰা আৰম্ভ হোৱা এই প্ৰশিক্ষণত বোকাখাত মহকুমাৰ জে ডি এছ জি মহাবিদ্যালয়, চি এন বি মহাবিদ্যালয় আৰু কমাৰগাঁও মহাবিদ্যালৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ



নিৰ্বাচিত ৪৫জন স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰে। লগতে বোকাখাত বনাঞ্চলৰ ১৫গৰাকী বন কৰ্মীয়েও এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। চাৰিদিনীয়া এই প্ৰশিক্ষণত কাজিৰঙাৰ গৱেষণা বিষয়া ৰবীন্দ্ৰ শৰ্মা আৰু বন্যপ্ৰাণী উদ্ধাৰ পুনৰ সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰৰ জ্যেষ্ঠ পশু চিকিৎসক তথা কেন্দ্ৰ পৰিচালক ডাঃ চামচুল আলীয়ে কাজিৰঙাৰ এনিমেল কৰিড'ৰত বানপানীৰ সময়ত স্বেচ্ছাসেৱকসকলে বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে কৰিবলগীয়া কাম আৰু নীতি-নিৰ্দেশনাৰ লগতে এনিমেল কৰিড'ৰৰ গুৰুত্বৰ লগতে বন্যাৰ্ত বন্যপ্ৰাণীৰ সুৰক্ষা আৰু উদ্ধাৰৰ সময়ত মানিবলগীয়া বিশেষ প্ৰট'কলৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। ১৭ জুনত এই প্ৰশিক্ষণ শুভাৰম্ভ কৰে পূব অসম বন্যপ্ৰাণী সমণ্ডলৰ ডি এফ অ' ৰমেশ কুমাৰ গগৈয়ে। প্ৰশিক্ষণৰ সামৰণিত ২০ জুনৰ দিনা কাজিৰঙাৰ সঞ্চালক যতীন্দ্ৰ শৰ্মাই স্বেচ্ছাসেৱক সকলৰ সৈতে মত বিনিময় কৰে। প্ৰশিক্ষণত বোকাখাত বনাঞ্চলৰ বনাঞ্চলিক বিষয়া মনজিত সোনোৱাল, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পশু চিকিৎসক ডাঃ [illegible] আৰু কৰবেট ফাউণ্ডেচনৰ সহকাৰী সঞ্চালক ডাঃ নবীন পাণ্ড্যে উপস্থিত থাকে। প্ৰশিক্ষণ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ এই স্বেচ্ছাসেৱক সকলে বানপানীৰ সময়ত কাজিৰঙাৰ এনিমেল কৰিডৰত কৰ্মৰত বনকৰ্মী সকলক বিভিন্ন ধৰণে সহায় কৰি বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে কাম কৰিব।



## বানাক্ৰান্ত ৰাইজৰ বুজ ল'লে বঙাইগাঁৱৰ উপায়ুক্ত নৰদীপ পাঠকে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২২ জুন ঃ** আজি ষষ্ঠ দিন অতিক্ৰম কৰাৰ পিছতো বঙাইগাঁও জিলাৰ বাশবাৰীত বানত আক্ৰান্ত হৈ আছে। বঙাইগাঁৱৰ কিছু কিছু অঞ্চলত পানীৰ পৰিমাণ হ্ৰাস পাইছে যদিও আজিও অধিকাংশ ঠাই অয়নকভাৱে বানৰ কবলত আছে। বিগত কেবাদিন ধৰি চলি থকা মুষলধাৰ বৰষুণৰ ফলত মাণিকপুৰ আৰু সৃজনগ্ৰাম ৰাজহ চক্ৰৰ মাজেৰে প্ৰৱাহিত আই আৰু মানাহ নৈৰ মথাউৰি ছিঙি বিধ্বংসী ৰূপ লৈ ৫-৬খন ৰাজহ গাঁও বুৰাই পেলোৱাত বানাক্ৰান্ত ৰাইজে এতিয়া পানীৰ মাজত থাকি হাহাকাৰ কৰিবলগীয়া অৱস্থা হৈছে। বঙাইগাঁও জিলা উপায়ুক্তৰ নেতৃত্বত মাণিকপুৰ আৰু সৃজনগ্ৰাম চক্ৰ বিষয়া বিতিমণি দাস দ্বাৰাই বানাক্ৰান্তসকলৰ দিনে-নিশাই দুখ-দুৰ্দশাৰ খবৰ লোৱাত ব্যস্ত থকা পৰিলক্ষিত হৈছে। বিগত তিনি দিন ধৰি বানাক্ৰান্ত অঞ্চলৰ ১০-১২টা আশ্ৰয় শিবিৰত খাদ্যবস্তু, তিৰ্পাল, পশুধনৰ খাদ্য আদি যোগান ধৰিছে। যাতে বানাক্ৰান্তসকল কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবেই মাণিকপুৰ চক্ৰ বিষয়া ৰিতিমণি দাস ৰাজ্যিক পশু চিকিৎসালয়ৰ বিষয়া আদিয়ে অহৰহ চোকা নজৰ ৰাখিছে। আনফালে বিজনী বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনৰ অঞ্চলসমূহত যাতে বিদ্যুৎ যোগান ব্যাহত নহয় তাৰ বাবেই কৰ্মচাৰীসকলে দিনে-নিশাই পানীৰ মাজতো কাম কৰা পৰিলক্ষিত হয়।

## নলবাৰী খাৰবন্ধা বিদ্যাপীঠ হাইস্কুলৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন নলবাৰীৰ অখিল ভাৰতীয় মাৰোৱাৰী মহিলা পৰিষদৰ বানাক্ৰান্ত ৰাইজৰ মাজত লঘু আহাৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২২ জুন ঃ** বিগত কেইটামান দিন ধৰি হোৱা নেৰা-নেৰা বৰষুণ তথা নলবাৰীৰ পাগলদিয়া নৈৰ বাঢ়নী পানীৰ বাবে নলবাৰীৰ সন্ধাৰ লগতে ওচৰ-পাঁজৰৰ অঞ্চলসমূহ বানপানীত প্লাৱিত হোৱাত পৰিলক্ষিত হয়। এই বানপানীৰ কৱলত পৰি মানুৰ ঘৰ-দুৱাৰ,খেতি-বাতি,পশুধন আদিৰ যথেষ্ট ক্ষতিসাধন হৈছে । যাৰ বাবে উক্ত অঞ্চলৰ ৰাইজে খাৰবন্ধা বিদ্যাপীঠ হাইস্কুলৰ আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছিল । সেই মৰ্মে আজি এই আশ্ৰয় শিবিৰত নলবাৰী পৌৰ সভাৰ ১ নং ৱাৰ্ডৰ ৱাৰ্ড আয়ুক্ত প্ৰণতি বৰ্মনৰ উপস্থিতিত পৌৰ সভাৰ ৱাৰ্ড আয়ুক্ত নিকি জালানৰ নেতৃত্বত অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলনৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত হয়। শিবিৰটোত থকা প্ৰায় 22টা পৰিয়ালৰ লগত মাৰোৱাৰী মহিলা সন্মিলনৰ বিষয়ববীয়াসকলে মত-বিনিময় কৰি খা-খবৰ লোৱাৰ লগতে লঘু আহাৰ বানাক্ৰান্ত ৰাইজক প্ৰদান কৰে । আনহাতে, আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলনৰ মহিলাসকলো বানাক্ৰান্ত ৰাইজৰ লগতে যোগাসন কৰি যোগ দিৱস পালন কৰাত পৰিলক্ষিত হয়। বানাক্ৰান্ত ৰাইজৰ মাজত উপস্থিত হৈ খা-খবৰ লৈ সহায়-সহযোগিতা আগবঢ়োৱাৰ হে আশ্ৰয় শিবিৰৰ বানাক্ৰান্ত ৰাইজে অখিল ভাৰতীয় মাৰোৱাৰী মহিলা সন্মিলনক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## লিডুত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২২ জুন ঃ** ন-অসমৰ নৱ জাগৰণৰ এজন সৃষ্টিশীল খনিকৰ বহুমুখী প্ৰতিভাৰ আকৰ বিপ্লৱী তথা বৰ্ণাঢ্য জীৱন প্ৰবাহৰ অধিকাৰী বিষ্ণু ৰাভাৰ মৃত্যু তিথি লিডু শাখা সাহিত্য সভাৰ উদ্যোগত লিডু মহাবিদ্যালয়ৰ সহযোগত লিডু কলেজ প্ৰেক্ষাগৃহত দুদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। প্ৰথম দিনা পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলনেৰে দিৱসৰ শুভাৰম্ভ কৰে সভানেত্ৰী ড° দিপালী বৰপুজাৰীয়ে। স্মৃতি তৰ্পণ কৰে ড° কৃপাপ্ৰসাদ উপাধ্যায় আৰু লক্ষীনাথ হালৱাই। তাৰ পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। বিপ্লৱী শিল্পীৰ ৰাভাৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে পথাৰ শিল্পী লোহিত গগৈয়ে। দিৱস উপলক্ষে কেইবা শতাধিক প্ৰতিযোগীৰ অংশ গ্ৰহণেৰে চিত্ৰাংকন, ৰচনা, প্ৰাইজমানী কুইজ, ৰাভা সংগীত, নৃত্য, কবিতা আবৃত্তি আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। ড° দীপালী বৰপূজাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাখনিৰ উদ্বোধন কৰে সু-সাহিত্যিক ড° ৰঞ্জিত দত্তই। লিডু কলেজৰ অধ্যক্ষ ড° কৃপাপ্ৰসাদ উপাধ্যায়ৰ আদৰণী বক্তব্যৰে আৰম্ভ হোৱা সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক ৰাণাজ্যোতি নেওগে । সভাখনত বিশিষ্ট অতিথিৰূপে শাখাৰ প্ৰাক্তন সভাপতি জগত চাংমাই, চন্দ গৌতম, প্ৰাক্তন উপ-সভাপতি নবল কিশোৰ বুঢ়াগোহাঁই, শৰৎ নাথ, উপ-সভাপতি লক্ষীনাথ হালৱা, লিডু শংকৰদেৱ বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী চুফাতি পমুং মিলি, অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ চাংমাই, লিডু কলেজৰ উপাধ্যক্ষ ড° পৱিত্ৰ গগৈ, মাধৱ দয়াল দত্ত, মাৰ্ঘেৰিটা আঞ্চলিক পঞ্চায়তৰ সভাপতি সুখদেৱ শৰ্মা আদি উপস্থিত থাকে। এই সভাত হিলভিউ স্কুল, লিডু বাজাৰ হাইস্কুল, শংকৰদেৱ বিদ্যাপীঠ হাইস্কুল, ছিষ্টাৰ নিবেদিতা আৰু লিডু কেন্দ্ৰীয় বাণিজ্য মহাবিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ২৭গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

## বোকাখাতত অসম গণ পৰিষদৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ২২ জুন ঃ** বোকাখাতত সোমবাৰে অনুষ্ঠিত হৈ যায় অসম গণ পৰিষদৰ অনুসূচিত জাতি বোকাখাত বিধান পৰিষদৰ বিশেষ কাৰ্যনিৰ্বাহক সভা। অসম গণ পৰিষদৰ সভাপতি তথা কেবিনেট মন্ত্ৰী অতুল বৰাৰ গৃহ সমষ্টি বোকাখাতৰ অগপ কাৰ্যালয়ত অনুষ্ঠিত উক্ত সভাত অনুসূচিত জাতি বিধান পৰিষদৰ সাংগঠনিক দিশৰ ওপৰত গুৰুত্বপূৰ্ণ পৰ্যালোচনা কৰাৰ লগতে বোকাখাত মহকুমাৰ বানপীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰি বানাক্ৰান্ত ৰাইজৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ উপৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰাৰ উদ্দেশ্যে এটি সঁজাতী দল প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে বোকাখাত বিধান সভা সমষ্টিৰ অন্তৰ্গত অনুসূচিত জাতিৰ লোকসকলৰ শুদ্ধ জৰীপৰ জৰিয়তে প্ৰকৃত জনসংখ্যাৰ তথ্য যুগুত কৰিবলৈ বোকাখাত মহকুমাৰ প্ৰশাসনলৈ স্মাৰক-পত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে পৰিষদে। ইফালে আগন্তুক দুটা মাহৰ ভিতৰত বোকাখাত বিধানসভা সমষ্টিৰ অনুসূচিত জাতি বিধান পৰিষদৰ আঞ্চলিক সমিতিসমূহ শীঘ্ৰেই গঠন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে অনুসূচিত জাতি পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে । সোমবাৰে অনুষ্ঠিত উক্ত বিশেষ কাৰ্যনিবাহক সভাত উপস্থিত থাকে অনুসূচিত জাতি পৰিষদ অগপৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰমানন্দ দাস, সম্পাদক মনোজ দাস, অনুসূচিত জাতি সমাজ কল্যাণ ব'ৰ্ডৰ অধ্যক্ষ প্ৰহ্লাদ দাস, বিশিষ্ট সমাজকৰ্মী প্ৰদীপ দাস আৰু অগপ বোকাখাত বিধান




পৰিষদৰ সভাপতি জগত চন্দ্ৰ কলিতাৰ লগতে অনুসূচিত জাতি বোকাখাত বিধান পৰিষদৰ সভাপতি জিতু দাস, সম্পাদক জীৱধন ৰবিদাস, সাংগঠনিক সম্পাদক পাৰ্থপ্ৰতিম দাস, ৰুবুল দাস তথা অনুসূচিত জাতি বিধান পৰিষদৰ অন্যান্য বিষয়ববীয়া আৰু সদস্যসকল।

## ৰন্ধনজ্যোতি বঁটাৰে সন্মানিত ধেমাজিৰ খগেশ্বৰ দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২২ জুন ঃ** দুখ-ভাগৰ, খং-ৰাগ নিজৰ মাজতে লুকুৱাই কেৱল মুখত এমোকোৰা হাঁহি লৈ দৈনন্দিন জীৱন অতিক্ৰম কৰি অহা ধেমাজিৰ খগেশ্বৰ দাস। এইজন খগেশ্বৰ দাসে ১৫ জুনত গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত সদৌ অসম প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনী আৰু সহায়িকা সন্থাৰ পঞ্চদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত 'ৰন্ধনজ্যোতি বঁটা' লাভ কৰিবলৈ সক্ষম হয় । এই বঁটা প্ৰদান অনুষ্ঠানত অংশ গ্ৰহণ কৰি সমাজকৰ্মী খগেশ্বৰ দাসে ভৱিষ্যতে আৰু অধিক দায়বদ্ধতাৰে সমাজৰ কাম কৰি যাব বুলি মন্তব্য কৰে । উল্লেখ্য, ১৯৭১ চনৰ সেই সময়ৰ ধেমাজিৰ এখন অতি পিছপৰা কপহুৱা গাঁৱত জন্মগ্ৰহণ কৰা খগেশ্বৰ দাসে বিদ্যালয়ৰ শিক্ষা গ্ৰহণৰ লগতে সমান্তৰালভাৱে চাহ খেতিৰ লগত নিজকে গুৰুত্ব দিয়াৰ উপৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল আৰু বৰ্তমানেও জিলাখনৰ লগতে ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকা বুলি জানিব পৰা গৈছে। ধেমাজি ৰাজহ চক্ৰত কৰ্মৰত খগেশ্বৰ দাস উপেন দাস আৰু প্ৰয়াত পদ্মেশ্বৰী দাসৰ পুত্ৰ । ৰাইজৰ কাম নিজৰ কাম বুলি চিন্তা কৰা এই খগেশ্বৰ দাসক ২০২২ বৰ্ষৰ এপ্ৰিল মাহত দুৰ্নীতিবিৰোধী যুৱ শক্তি অসমৰ ফালৰ পৰা 'ৰঙালী গ্ৰাম্য জেউতি বঁটা'ৰে সন্মানিত কৰা হৈছিল । এই ২০২২ বৰ্ষৰত সমাজকৰ্মী খগেশ্বৰ দাসক 'ৰন্ধনজ্যোতি বঁটা'ৰে সন্মানিত কৰা সদৌ অসম প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজন ৰান্ধনী আৰু সহায়িকা সন্থাৰ সভানেত্ৰী সবিতা বড়ো, উপ - সভানেত্ৰী খুদেজা খাতুন, সম্পাদক সুনীল ৰংপি, উপদেষ্টা তৃষ্ণা নাথ আৰু উক্ত বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা অসম সাহিত্য সভাৰ উপ - সভানেত্ৰী তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাতৃ মৃণালিনী দেৱীক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।

## মাহমৰাত কৃতী শিক্ষাৰ্থীক অভিনন্দন

### শিক্ষাবিদ ৰাধিকা প্ৰসাদ ফুকন সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২২ জুন ঃ** চৰাইদেউ জিলাৰ সোণাৰি শিক্ষাখণ্ডৰ অন্তৰ্গত মাহমৰাৰ অতি পুৰণি শিক্ষানুষ্ঠান ধেমাজি দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ পৰা সদ্যঘোষিত উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ অঞ্চলটোৰ মেধাৱী শিক্ষাৰ্থীসকলক আজি পৰীক্ষা কেন্দ্ৰ পৰিচালনা সমিতিৰ তৰফৰ পৰা অভিনন্দন জনোৱাৰ লগতে চলিত বৰ্ষৰ 'শিক্ষাবিদ ৰাধিকা প্ৰসাদ ফুকন সোঁৱৰণী শৈক্ষিক বঁটা' প্ৰদান কৰা হয়। এই উপলক্ষে আজি ধেমাজি দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত পৰীক্ষা কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি পূৰ্ণানন্দ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে কেন্দ্ৰ পৰিচালনা সমিতিৰ সম্পাদক তথা ধেমাজি দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিজয়া কোঁৱৰে। অনুষ্ঠানত কেন্দ্ৰটোৰ অধীনস্থ বিদ্যালয়সমূহ ক্ৰমে বিশ্ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শুভজ্যোতি বৰুৱা, চফ্ৰাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ফণী চাংমাই, মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তন বাহাদুৰ মগৰ, শ্বহীদ কনকলতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক লোকেশ্বৰ গগৈ, বিশ্ৰামপুৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ অচিন্ত্য লুখুৰাখন আৰু ডবা আদৰ্শ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ৰ'জকমল মহন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কৃতী শিক্ষাৰ্থীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ধেমাজি দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয় কেন্দ্ৰৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ ৪২গৰাকী শিক্ষাৰ্থীক অভিনন্দন-পত্ৰ আৰু কিতাপেৰে অভিনন্দন জনায়। অনুষ্ঠানত বিগত ২০১৮ বৰ্ষৰ পৰা মাহমৰাৰ বিশিষ্ট শিক্ষাবিদ প্ৰয়াত ৰাধিকা প্ৰসাদ ফুকনৰ স্মৃতিত প্ৰদান কৰি অহা 'ৰাধিকা প্ৰসাদ ফুকন সোঁৱৰণী শৈক্ষিক বঁটা-২০২২' পৰীক্ষা কেন্দ্ৰটোৰ পৰা সৰ্বাধিক নম্বৰ লাভ কৰা বিশ্ৰামপুৰ জাতীয় বিদ্যালয়ৰ মেধাৱী ছাত্ৰী দিব্যাশ্ৰী ফুকনক প্ৰদান কৰা হয়। পৰিয়ালৰ হৈ নিৰঞ্জন ফুকন আৰু পাপৰি চেতিয়া ফুকনে প্ৰদান কৰা এই বঁটাত আছে প্ৰশস্তি পত্ৰ, গামোচা, গ্ৰন্থৰ টোপোলা আৰু নগদ ধন। উল্লেখ্য, ধেমাজি দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ পৰা উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ প্ৰাপ্তিৰে উত্তীৰ্ণ মেধাৱী শিক্ষাৰ্থীগৰাকীক এই বঁটা প্ৰদান কৰা হয়।

## লামডিঙত বানপীড়িতক সামগ্ৰীৰ বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ২২ জুন ঃ** লামডিঙত ঘৰোয়া নামৰ স্বেচ্ছাসেৱী সংগঠনটো ১৯৯১ চনৰ পৰাই সমাজৰ বিভিন্ন সেৱামূলক কাম আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে। ডিমা হাচাও পাৰ্বত্য জিলাৰ বছৰৰ প্ৰথম বৰষুণৰ ফলত বানে বিধ্বস্ত কৰিছিল আৰু ভূমিস্খলনৰ ফলত বহু মানুহৰ ঘৰবাৰী উটুৱাই নিছিল আৰু সেইসকল মানুহে আশ্ৰয় শিবিৰত থাকিব লগা হৈছিল সেইসকলো অসহায় মানুহক কিছুমান খাদ্য সামগ্ৰীৰ লগতে চাবোন, মহিলাৰ কাৰণে নেপকিন, তিৰ্পাল ইত্যাদিকে ধৰি বিভিন্ন সামগ্ৰী বিতৰণ কৰে লামডিঙৰ ঘৰোয়া নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে । প্ৰায় চাৰি হাজাৰ মানুহক সাহায্য প্ৰদান কৰাৰ লগতে ইতিমধ্যে তেওঁলোকক অস্থায়ী ঘৰ নিৰ্মাণ কৰি দিয়াৰ প্ৰস্তুতি চলোৱা পৰিলক্ষিত হয়।

## টেঙাখাতত ড্ৰাগ্‌ছসহ দুই যুৱকক আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, টেঙাখাত, ২২ জুন ঃ** ৰাজ্যত ড্ৰাগ্‌ছৰ বিৰুদ্ধে তীব্ৰ অভিযান অব্যাহত থকাৰ সময়তে মঙলবাৰে নিশা টেঙাখাত আৰক্ষীয়ে থানাৰ অন্তৰ্গত দীঘলীয়া অ' চি এছৰ সমীপত স্থানীয় ৰাইজৰ সহযোগত দুই ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে নিষিদ্ধ ড্ৰাগ্‌ছৰ লগত জড়িত আটকাধীন দুই যুৱকে দীৰ্ঘ দিনৰ পৰা ড্ৰাগ্‌ছৰ ব্যৱসায়ৰ লগত জড়িত থাকি অঞ্চলটোৰ উঠি অহা বহু যুৱকৰ জীৱন অন্ধকাৰলৈ ঠেলি দিয়াৰ লগতে সামাজিক পৰিৱেশ বিনষ্ট কৰি আহিছিল। তেনে সময়তে কালি উক্ত দুই যুৱকে এখন মাৰুতি গাড়ীত তিনিচুকীয়াৰ পৰা ড্ৰাগ্‌ছ লৈ অহাৰ খবৰ অঞ্চলৰ কেইজনমান সচেতন ব্যক্তিয়ে লাভ কৰে। আৰু নিশা প্ৰায় ১১ মান বজাত স্থানীয় ৰাইজে খাপ পিটি দীঘলীয়া অ' চি এছৰ সমীপত উক্ত দুই যুৱকক কৰায়ত্ত কৰে। বিষয়টোৰ সন্দৰ্ভত দুই যুৱকে প্ৰথম অৱস্থাত অস্বীকাৰ কৰে যদিও পৰৱৰ্তী সময়ত ৰাইজৰ জেৰাত নিজে স্বীকাৰ কৰিবলৈ বাধ্য হয়। লগে লগে অঞ্চলৰ ৰাইজে ঘটনাস্থলীৰ পৰা আৰক্ষীক খবৰ দিয়াত টেঙাখাত থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লক্ষীনাথ ডলেৰ নেতৃত্বত এটা আৰক্ষীৰ দলে উক্ত স্থানত গৈ উপস্থিত হৈ ঘটনাৰ লগত জড়িত থকা দুই ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে সিহঁতৰ পৰা ২.৫ গ্ৰাম ব্ৰাউন ছুগাৰ, তিনিটা মোবাইল ফোন, বেজীৰ ছিৰিঞ্জ আৰু নগত ২৫ হাজাৰ টকাৰ লগতে ব্যৱহৃত মাৰুতি বাহনখন জব্দ কৰে। আটকাধীন যুৱক দুজন ক্ৰমে টেঙাখাত দীঘলীয়া গাঁৱৰ বিপুল গগৈৰ পুত্ৰ লক্ষ্যজিৎ গগৈ (২৪) আৰু নিজ মদাৰখাটৰ অজিত শইকীয়াৰ পুত্ৰ বিজিত শইকীয়া (২৬) বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে দুই ড্ৰাগ্‌ছ সৰবৰাহকাৰীৰ বিৰুদ্ধে টেঙাখাত থানাত ৩১/২২ নম্বৰত এটা গোচৰ ৰুজু কৰি ভাৰতীয় দণ্ডবিধি আইনৰ ২১ এ ধাৰাৰ অধীনত জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে।

## সাহিত্য প্ৰতিযোগিতাত দিচাং ৰজাবাৰী উঃ মাঃ বিদ্যালয়ৰ সফলতা



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২২ জুন ঃ** ডিমৌ শিক্ষাখণ্ডৰ অন্তৰ্গত দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে ৰাভা দিৱস উপলক্ষে বিভিন্ন স্থানত আয়োজিত সাহিত্য আৰু সংগীত প্ৰতিযোগিতাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি দিচাং ৰজাবাৰী বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ মাজত আয়োজন কৰা আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতাত দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে অংশগ্ৰহণ কৰি তৃতীয় আৰু চতুৰ্থ স্থান দখল কৰাৰ লগতে দলগতভাৱেও তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাখনত দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ক প্ৰতিনিধিত্ব কৰিছিল প্ৰতিভা কুৰ্মী, হেমাংগিনী পৰজা, জেবিন বেগম আৰু প্ৰিন্সিপিয়া চাংমাইয়ে । আনহাতে, কৈবৰ্তদলনীত ৰাভা দিৱস উপলক্ষে আয়োজিত আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতাতো দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে দ্বিতীয় স্থান দখল কৰে । উক্ত অনুষ্ঠানত আয়োজিত ৰাভা সংগীত প্ৰতিযোগিতাৰ প্ৰথম তিনিওটা স্থান দখল কৰে দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে । কুইজ আৰু ৰাভা সংগীত প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগী কেইগৰাকী হ'ল গৰিমা কৰ্মকাৰ, বিষ্ণুজ্যোতি নায়ক আৰু প্ৰাৰম্ভিকা মিলি । বিদ্যালয়খনৰ এই সফলতাত বিদ্যালয়খনৰ প্ৰধান শিক্ষক কেশৱ দেউৰী, সহঃ প্ৰধান ৰাজেন চাংমাইৰ লগতে বিদ্যালয়ৰ কুইজ আৰু সংগীত প্ৰশিক্ষক আৰু তত্ত্বাৱধায়ক মমী তামুলী, হোমেন ৰাজবংশী, বলোভদ্ৰ গগৈ আৰু মৃদুল ৰাজবংশীক কৃতজ্ঞতা জ্ঞাপন কৰে।

## টীয়ক জুনিয়ৰ কলেজৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২২ জুন ঃ** ২০০৬ চনতে প্ৰতিষ্ঠা লাভ কৰা যোৰহাট জিলাৰ টীয়ক অঞ্চলত অৱস্থিত প্ৰথমখন "জুনিয়ৰ কলেজ" (টীয়ক ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল)ৰ ১৬ সংখ্যক প্ৰতিষ্ঠা দিৱস ২২জুন, ২০২২ তাৰিখত উদ্‌যাপন কৰা হয়। স্কুলৰ শৈক্ষিক উপাধ্যক্ষ প্ৰশান্ত চাংমায়ে আঁত ধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে উপাধ্যক্ষ ফুনু ফুকন শইকীয়াই আৰু পতাকা উত্তোলন কৰে অনিমা ওজাই। কলেজ ছ'চাইটীৰ সভাপতি সূৰ্য হাতীবৰুৱাই ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি সামাজিক, সাংস্কৃতিক, শৈক্ষিক, নৈতিক আদি দিশত বহুমূলীয়া ভাষণ আগবঢ়ায়। ইয়াৰ পাছত স্কুল প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে দিনটোৰ কাৰ্যসূচী সামৰণি পৰে।

## প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২২ জুন ঃ** টীয়কৰ প্ৰগতিশীল নাৰী সংঘৰ উদ্যোগত বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ ফলাফল অনুসৰি 'ক' শাখাত প্ৰথম হলি ফ্লাৱাৰ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ কুনাল কিশোৰ গগৈ, দ্বিতীয় জ্যোতি বিদ্যাপীঠৰ ইন্দ্ৰাক্ষী বৰুৱা, তৃতীয় শংকৰ-আজান জাতীয় বিদ্যালয়ৰ পীযূষ গগৈ আৰু বিচাৰকৰ বিশেষ বঁটাৰ বাবে জ্যোতি বিদ্যাপীঠৰ বিদ্যুৎ বিকাশ বৰা বিবেচিত হয় । আনহাতে 'খ' শাখাত প্ৰথম জ্যোতি বিদ্যাপীঠৰ জ্যোতিষ্মান দত্ত, দ্বিতীয় চানক্য পাচনী, তৃতীয় জ্যোতি বিদ্যাপীঠৰ দেৱবৰ্ণিনী শৰ্মা আৰু উদ্‌গনিমূলক বঁটা লাভ কৰে হলি ফ্লাৱাৰ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ নন্দিনী ফুকনে । পৰহি বিয়লি সংঘৰ সভানেত্ৰী অঞ্জনা বৰাৰ সভাপতিত্বত পৌৰপতি লাকী বৰবৰা গগৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সভাত বঁটাসমূহ প্ৰদান কৰা হয় বুলি সম্পাদিকা সন্ধ্যা শৰ্মাই জানিবলৈ দিছে।

## হাতীধুৰা মহাবিদ্যালয়ত ৰাজবংশী ভাষাৰ পাঠ্যক্ৰমৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২২ জুন ঃ** কোচ-ৰাজবংশী সাহিত্য সভা আৰু জনগোষ্ঠীয় সংস্কৃতি-অধ্যয়ন কেন্দ্ৰৰ যৌথ উদ্যোগত কালি ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত হাতীধুৰা মহাবিদ্যালয়ত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয় । হাতীধুৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ফৰিদ উদ্দিন আহমেদৰ সভাপতিত্বত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উদ্বোধনী সভাত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে ৰাজবংশী ভাষাৰ ছাৰ্টিফিকেট পাঠ্যক্ৰমৰ শুভ উদ্বোধন কৰি কয় যে ৰাজবংশী ভাষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমে যথেষ্ট সহায়ক হ'ব । ইয়াৰ উপৰি কে এ চিৰ অধ্যক্ষগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে যে ৰাজবংশী ভাষাটো অতি প্ৰাচীন ভাষা আৰু কোচ



ৰাজবংশী জনগোষ্ঠীৰ সংস্কৃতি, কলা-কৃষ্টি অতি চহকী । ৰাজবংশী ভাষাটোৰ অধিক উন্নতি সাধন কৰিবলৈ হ'লে আমি কাগজ আৰু কলমেৰে আন্দোলন কৰিব লাগিব। সভাত কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতে কয় যে আজি উদ্বোধন কৰা ৰাজবংশী ভাষাৰ এবছৰীয়া পাঠ্যক্ৰমত দুটা ষাণ্মাসিকত ৰাজবংশী ভাষাৰ আৰম্ভণিৰ পৰা শেষ পৰ্যন্ত শিক্ষা প্ৰদান কৰা হ'ব আৰু এই পাঠ্যক্ৰমে ৰাজবংশী ভাষাৰ লিখিত আৰু কথন প্ৰণালীত যথেষ্ট সহায়ক হ'ব। ইয়াৰ উপৰি ৰাজবংশী ভাষা পাঠ্যক্ৰমৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে ক্ৰমে কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মন, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদদ্বয় প্ৰদীপ ৰায় আৰু কাৰ্তিক ৰায়, কামতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ পাৰিষদ মনোজ কুমাৰ ৰায়, কোচ ৰাজবংশী সাহিত্য সভাৰ উপ-সভাপতিদ্বয় নিৰ্মল চন্দ্ৰ ভকত আৰু মনীন্দ্ৰ নাথ ৰায়, সম্পাদক পিনাকী ৰায়, পত্ৰিকা সম্পাদক ৰঘুনাথ চৌধুৰী, সাংগঠনিক সম্পাদক অলকেশ ৰায়, চিলাৰায় মহাবিদ্যালয়ৰ ৰাজবংশী ভাষা চাৰ্টিফিকেট পাঠ্যক্ৰমৰ সমন্বয়ক অলকেশ ৰায়, হাতীধুৰা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰ ডি সিং, চাপৰৰ ইন্দিৰা গান্ধী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মনোৰঞ্জন প্ৰধানীকে ধৰি বিশিষ্ট ব্যক্তিসকলে। উল্লেখ্য যে অতি সোনকালে পাঠ দান হ'বলগীয়া মহাবিদ্যালয়খনত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমত মুঠ ৯৫গৰাকী শিক্ষাৰ্থীয়ে ইতিমধ্যে নামভৰ্তি কৰিছে। উল্লেখ্য যে কাৰ্যসূচী মতে কোচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতে পুৱা ১০ বজাত সাহিত্য সভাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পাছত ক্ৰমে মহাবিদ্যালয়ৰ পতাকা উত্তোলন, গছপুলি ৰোপণ আৰু শ্বহীদ বেদীত মাল্যাৰ্পণ কৰা হয় । মনকৰিবলগীয়া যে নতুন শিক্ষানীতি -২০২০ অনুসৰি কেন্দ্ৰীয় চৰকাৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ মাতৃভাষা বা গৃহ ভাষাত প্ৰাথমিক পৰ্যায়ত পঞ্চম শ্ৰেণীলৈকে পাঠ দান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উক্ত নতুন শিক্ষানীতিৰ আধাৰত কোচ-ৰাজবংশী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক পৰ্যায়ত জনগোষ্ঠীটোৰ মাতৃভাষা ৰাজবংশী ভাষাত পাঠ দান কৰাৰ বাবে কোচ-ৰাজবংশী সাহিত্য সভাই অসম চৰকাৰৰ ওচৰত দাবী জনাই আহিছিল। সমান্তৰালভাৱে কোচ-ৰাজবংশী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক ৰাজবংশী ভাষাত পাঠ দান কৰাৰ বাবে ৰাজবংশী ভাষাৰ শিক্ষকৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি কোচ-ৰাজবংশী সাহিত্য সভাই কেইখন মান বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা কৰিছে।



## মাজুলী মহকুমা অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন পৰিষদৰ সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২২ জুন ঃ** মাজুলী মহকুমা অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন পৰিষদৰ তৰফৰ পৰা জিলাখনৰ অন্যান্য পিছপৰা শ্ৰেণীৰ ৭৫৫ গৰাকী হিতাধিকাৰীৰ মাজত আজি আনুষ্ঠানিকভাৱে বিভিন্ন ধৰণৰ সা-সামগ্ৰী বিতৰণ কৰা হয়। এই উপলক্ষে উত্তৰ কমলাবাৰী সত্ৰৰ শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি সংঘত আয়োজন কৰা এক অনুষ্ঠানত হিতাধিকাৰীসকলক সামগ্ৰীসমূহ বিতৰণ কৰা হয়। মাজুলী মহকুমা অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন পৰিষদৰ অধ্যক্ষ বিমল হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সামগ্ৰী বিতৰণ সভাত উপস্থিত থকা অতিৰিক্ত উপায়ুক্ত বিপুল কুমাৰ দাস, মহকুমা সমাজ কল্যাণ বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া তথা সহকাৰী আয়ুক্ত কেশৱানন্দ টাইদ, জিলা বিজেপি সভাপতি বীৰেন শইকীয়া আৰু অৱসৰপ্ৰাপ্ত শিক্ষক চন্দ্ৰ নাথে হিতাধিকাৰী সকলক উদ্দেশ্যি ভাষণ দিয়ে। ভাষণত তেওঁলোকে চৰকাৰে যোগান ধৰা সামগ্ৰীসমূহৰ উপযুক্ত ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মহকুমা অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন পৰিষদৰ উপাধ্যক্ষ দুলাল ভূঞাই আঁত ধৰা সভাত জিলা বিজেপিৰ প্ৰাক্তন সভাপতিদ্বয় প্ৰমোদ বৰা, লোকনাথ কুটুম, সুভাষ দে, বিজেপি অবিচি মৰ্চাৰ সভাপতি ৰাজীৱ নাথ আৰু হিতাধিকাৰীসকল উপস্থিত থাকে। পৰিষদৰ তৰফৰ পৰা ৭৫৫ গৰাকী হিতাধিকাৰীৰ মাজত চিলাই মেচিন, ধান মৰণা মেচিন, পিঠাগুৰি খুন্দা মেচিন, স্প্ৰে, ফিল্টাৰ, কৃষকসকলৰ বাবে কৃষি বিভাগৰ কীট সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে বিতৰণ কৰে।

## নলবাৰীত অব্যাহত আছে বানপানীৰ তাণ্ডৱ

# নলবাৰীৰ ধৰ্মপুৰৰ কৈঠালকুছি উচ্চ মাধ্যমিক বিদ্যালয়ত আশ্ৰয় শিবিৰত বৰ্তমানো আশ্ৰয় লৈ আছে বানাক্ৰান্ত ৰাইজ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২২ জুন ঃ** চলিত মাহত বিগত কেইটামান ধৰি হোৱা নেৰা নেপেৰা বৰষুণৰ ফলত তথা নলবাৰীৰ জিলাৰে বৈ যোৱা নদীৰ বাঢ়নি পানীয়ে প্লাবিত কৰিছে নলবাৰী চহৰৰ লগতে বিভিন্ন অঞ্চল। যাৰ বাবে বানপানী হোৱা ঠাইসমূহৰ বানাক্ৰান্ত ৰাইজে নিজৰ সপোনৰ ঘৰ-দুৱাৰ এৰি আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰাত পৰিলক্ষিত হয়। সেইমৰ্মে নলবাৰীৰ জিলাৰ ধৰ্মপুৰ অঞ্চলৰ কৈঠালকুছি উচ্চ মাধ্যমিক বিদ্যালয়ত আশ্ৰয় শিবিৰত প্ৰায় ৪০০ গৰাকীৰো অধিক বানাক্ৰান্ত ৰাইজে আশ্ৰয় লোৱাত পৰিলক্ষিত হয়। চলিত মাহৰ ১৬ তাৰিখৰ পৰা উক্ত আশ্ৰয় শিবিৰত প্ৰায়ভাগ নদী কাষৰীয়া ৰাইজে আশ্ৰয় লয়। তেনে সময়তে এই বানাক্ৰান্ত ৰাইজৰ দুৰ্দশা দেখি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ নিৰ্দেশমৰ্মে নলবাৰী/ধৰ্মপুৰৰ কেইগৰাকীমান দলীয় কৰ্মীয়ে উক্ত ৰাইজৰ দায়িত্ব গ্ৰহণ কৰিব আগবাঢ়ি আহে। দলীয় কৰ্মী কেইগৰাকী ক্ৰমে নলবাৰী ভাৰতীৰ জনতা পাৰ্টী অনুসূচীত জাতি মৰ্চাৰ সভাপতি তৰণী দাস, নতুন দেহৰ জিলা পৰিষদৰ সদস্য ভাস্কৰ শৰ্মা, ৩৬ নং গাঁও পঞ্চায়ত আঞ্চলিক সদস্য ৰবুল বেজবৰুৱা, ৩৫ নং গাঁও পঞ্চায়ত সভাপতি সুভাষ বৰ্মনসহ যুৱ দলীয় কৰ্মী সৌৰভ বৰ্মন আৰু ৰিদিপ বৰুৱা। উক্ত দলীয় কৰ্মীসকলে আশ্ৰয় শিবিৰটোৰ আৰম্ভ দিনাৰ পৰা বানাক্ৰান্ত ৰাইজক নিজৰ শ্ৰমদানৰ উপৰিও ব্যক্তিগত খৰচেৰে কেইবাদিনো খাদ্য-সামগ্ৰী যোগান ধৰিছিল। সেইমৰ্মে চৰকাৰী সাহায্য পোৱা আগৰ পৰা আজিপৰ্যন্ত দলীয় কৰ্মী কেইগৰাকীয়ে মুখ্যমন্ত্ৰী তথা স্থানীয় বিধায়ক গৰাকীৰ নিৰ্দেশ মতে বানাক্ৰান্ত ৰাইজৰ ওচৰত প্ৰতিটো মুহূৰ্তত উপস্থিত থাকে। বিদ্যালয়খনৰ প্ৰধান শিক্ষকগৰাকী এই দুৰ্যোগৰ সময়ত ৰাইজক হকে চকীদাৰ পৰ্যন্তৰ কাম কৰা বুলি উল্লেখ কৰে দলীয় কৰ্মী কেইগৰাকীয়ে। আনহাতে আশ্ৰয় শিবিৰটোত আৰম্ভণিৰে পৰা দলীয় কৰ্মী কেইগৰাকীয়ে খাদ্য সামগ্ৰীৰ লগতে আশ্ৰয় শিবিৰত থকা বানাক্ৰান্ত ৰাইজৰ বাবে স্বাস্থ্য পৰীক্ষা ক্ষেত্ৰতো ব্যৱস্থা কৰে। আশ্ৰয় শিবিৰটোত থকা এই কেইগৰাকী দলীয় কৰ্মীৰ সেৱা-ধৰ্মৰ ওপৰত আপ্লুত হয় বানাক্ৰান্ত ৰাইজ।

## তামুলপুৰত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ প্ৰশিক্ষণ শিবিৰৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২২ জুন ঃ** সদৌ তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত অতি শীঘ্ৰেই তামুলপুৰ মহকুমাৰ অন্তৰ্গত কুমাৰীকাটা, তামুলপুৰ, গান্ধীবাৰী, নাওকাটা, মহৰিপাৰা আদি ঠাইত বিভিন্ন আঞ্চলিক ছাত্ৰ সন্থাসমূহৰ সহযোগত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে এক বিশেষ প্ৰশিক্ষণ শিবিৰৰ। অহা জুলাই-আগষ্ট মাহৰ ভিতৰত অনুষ্ঠিত হবলগীয়া অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ বাবে তামুলপুৰ মহকুমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে মহকুমাৰ অন্তৰ্গত বিভিন্ন আঞ্চলিকত অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা এই শিবিৰৰ আয়োজন কৰা হ'ব। ইচ্ছুক প্ৰশিক্ষাৰ্থী সকলক তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ লগত বা আঞ্চলিক ছাত্ৰ সন্থা সমূহৰ সভাপতি সম্পাদকৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সন্তোষ পাটোৱাৰী আৰু সম্পাদক অনুপ কলিতাই।

## যোগীঘোপাৰ কাবাইটাৰীত অগ্নিকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২২ জুন ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত কাবাইটাৰী চতুৰ্থ খণ্ড গাঁৱত আজি দুপৰীয়া এক অগ্নিকাণ্ড সংঘটিত হয়। জানিব পৰা মতে কাবাইটাৰী চতুৰ্থ খণ্ড গাঁৱৰ নিবাসী আবুল হুছেইনৰ ৰান্ধনীশালৰ পৰা হঠাৎ এই অগ্নিকাণ্ড সংঘটিত হয়। মুহুৰ্তৰ ভিতৰতে দপ দপকৈ জ্বলি উঠা জুইৰ শিখাই নিমিষতে ৰান্ধনীঘৰটো ভূষ্মীভূত কৰে। স্থানীয় ৰাইজে জুইৰ শিখা প্ৰত্যক্ষ কৰি যোগীঘোপা আৰক্ষীক খবৰ দিয়ে। খবৰ পোৱা মাত্ৰেই ততালিকে যোগীঘোপা আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ এখন বাহন ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত জুই নিৰ্বাপন কৰিব'লৈ সক্ষম হয়। ফলত আন আন বাসগৃহ কেইটা কথমপি ৰক্ষা পৰে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও স্থানীয় একাংশ লোকৰ মতে বিদ্যুৎ শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰে।

### বানপানীয়ে বিপদ কঢ়িয়াই আনিলে এগৰাকী প্ৰধান শিক্ষকলৈ

## চৰকাৰী নিৰ্দেশনা পালন কৰিবলৈ গৈ ষড়যন্ত্ৰৰ বলি হ'ল নেকি বি কে চি বিদ্যালয়ৰ প্ৰধান শিক্ষক



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২২ জুন ঃ** সাম্প্ৰতিক প্ৰলয়ংকাৰী বানে বিপদ কঢ়িয়াই আনিলে এগৰাকী প্ৰধান শিক্ষকলৈ। বান পৰিস্থিতিত চৰকাৰী নিৰ্দেশনা পালন কৰিবলৈ গৈ ষড়যন্ত্ৰৰ বলি হ'ল নেকি শিক্ষকগৰাকী? আজি এই প্ৰশ্ন উত্থাপন হৈছে কামৰূপ জিলাৰ ছয়গাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত বি কে চি এম ই মাদ্ৰাছাত। সম্প্ৰতি অতিকে বানৰ কবলত পৰা বিদ্যালয়খনৰ প্ৰধান শিক্ষক জালাল উদ্দিন আহমেদে যোৱা ২০ জুন তাৰিখে গৰৈমাৰী সমবায় সমিতিৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ ২৪ বস্তা চাউল সংগ্ৰহ কৰে। পিচত বিভাগীয় কৰ্তৃপক্ষৰ নিৰ্দেশনাৰ ভিত্তিতে চাউলখিনি ঘোঁৰা গাড়ীৰে ভুলুকাবাড়ী বজাৰলৈ বিদ্যালয়ৰ প্ৰাক্তন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আমিৰ আলীৰ হতুৱাই এটা সুৰক্ষিত গুদাম ঘৰত সংৰক্ষিত কৰি ৰাখে। পিচে ভুলুকাবাড়ীৰ একাংশ লোকে উক্ত মধ্যাহ্ন ভোজনৰ চাউল খিনি বিক্ৰীৰ উদ্দেশ্যে গুদামঘৰটোত ৰখাৰ অভিযোগ তুলি জোৰশিমূলী আৰক্ষী চকীত এজেহাৰ দাখিল কৰি চাউলখিনি আৰক্ষীক গতাই দি সংবাদ মাধ্যমত প্ৰচাৰ কৰে। কিন্তু বিদ্যালয়ৰ প্ৰধান শিক্ষক, পৰিচালনা সমিতিৰ সভাপতি আৰু একাংশ অভিভাৱক আৰু ৰাইজে চাউলখিনি বিক্ৰী কৰা বুলি শিক্ষকজনৰ বিৰুদ্ধে গভীৰ ষড়যন্ত্ৰত নামি পৰা বুলি দাবী কৰে। ইফালে শিক্ষকজনে শিক্ষা বিভাগৰ জ্ঞাত সাৰে বিদ্যালয়ত পানী উঠা আৰু বিদ্যালয়লৈ যোৱা বাটত একঁকাল পানী থকাত চাউল যাতে নষ্ট নহয় তাৰ বাবে বান পৰিস্থিতি উন্নত হোৱালৈ ভাড়াতীয় গুদাম ঘৰত মজুত কৰি ৰখা বুলি গুদামৰ স্বত্বাধিকাৰী, বিদ্যালয়ৰ প্ৰধান শিক্ষক, পৰিচালনা সমিতিৰ সভাপতি,অৱসৰী চতুৰ্থ বৰ্গৰ কৰ্মচাৰীকে ধৰি স্থানীয় একাংশ ৰাইজে জানিবলৈ দিয়ে। এতিয়া প্ৰশ্ন হয়, সচাঁকৈয়ে চাউলখিনি বিক্ৰী কৰাৰ বাবে গুদামত ৰাখিছিল নেকি? নে বানপানীৰ বাবে বিদ্যালয়ৰ গুদামত ৰাখিব নোৱাৰাৰ বাবে জবেদ আলী নামৰ লোক এজনৰ ভাড়াতীয়া গুদামত ৰাখিছিল? সেয়া বিভাগীয় কৰ্তৃপক্ষৰ উচিত তদন্তৰ জৰিয়তে হে ওলাই পৰিব প্ৰকৃত সত্য।

## কোলাত কণমানি লৈ নাজিৰাৰ আদালতৰ চৌহদ পালেহি মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২২ জুন ঃ** নাজিৰাৰ বাৰেঘৰ সত্ৰৰ সত্যজিৎ কলিতা নামৰ এজন ব্যক্তিয়ে তেওঁৰ পত্নী পল্লৱী কলিতাক দীৰ্ঘদিন চলাই আহিছিল শাৰীৰিক-মানসিক নিৰ্যাতন। যৌতুক দাবী, বিভিন্ন অজুহাতেৰে সত্যজিৎ কলিতাই পত্নী পল্লৱী কলিতাৰ ওপৰত চলাই আহিছিল শাৰীৰিক মানসিক নিৰ্যাতন। কেইবামাহো ধৰি সত্যজিৎ কলিতাই নিজ পত্নীৰ ওপৰত চলোৱা অত্যাচাৰ, শাৰীৰিক নিৰ্যাতন সন্দৰ্ভত পল্লৱী কলিতাই নাজিৰা আদৰ্শ আৰক্ষী থানাত দাখিল কৰিছিল এজাহাৰ। কিন্তু এই সন্দৰ্ভত আৰক্ষীয়ে কোনোধৰণৰ ভূমিকা গ্ৰহণ নকৰাত উপায়ন্তৰ হৈ পল্লৱী কলিতাই কোলাত এগৰাকী কণমানিক লৈ ন্যায়ৰ আশাত পালেহি নাজিৰা মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত। নাজিৰা মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতত উপস্থিত হৈ পল্লৱী কলিতাই স্বামী সত্যজিৎ কলিতাই চলোৱা অত্যাচাৰ, শাৰীৰিক নিৰ্যাতনৰ বিচাৰিছে ন্যায়।

## বালিকুছি-মুক্তাপুৰ সংযোগী পথৰ দুই মূৰে বৃহৎ ফাঁট মেলি বহি গ'ল পকী কালভাৰ্ট



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২২ জুন ঃ** ৰাজ্যখনৰ প্ৰথমটো বানত ঠাই বিশেষে ঘৰ-বাৰী ৰাস্তা-ঘাট, সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰাৰ পিছত এমাহ পিছতে হোৱা দ্বিতীয়টো সংহাৰী বানত ইয়াতকৈ অধিক বিধ্বস্ত হৈছে বানাক্ৰান্ত অঞ্চলসমূহৰ ৰাস্তা- ঘাট, ঘৰ-বাৰী, সা-সম্পত্তি, মথাউৰি আদিৰ। বিশেষকৈ যাতায়াতৰ গ্ৰাম্য পথসমূহ বিধ্বস্ত হোৱাৰ পিছত যাতায়তৰ এটি ব্যস্ত পথ মুক্তাপুৰ- বালিকুচি সংযোগী পথ চোৱাৰ দুই মুৰে বৃহৎ ফাট মেলি পকী কালভাৰ্ট বহি যোৱাত যাতায়াত সম্পূৰ্ণৰূপে বন্ধ পৰিছে। বৰনদী বাঢ়নী পানীৰ প্ৰবল সোঁতত মাটি খহাই নিয়াৰ ফলত এনেদৰে কালভাৰ্টটোৰ বিস্তৰ ক্ষতিসাধন হৈছে। আৰু একেবাৰে তললৈ বহি যোৱাৰ আকংক্ষাই দেখা দিছে। ইতিমধ্যে পকী কালভাৰ্ট টোৰ ওচৰত বৃহৎ ফাট মেলাৰ উপৰিও প্ৰকাণ্ড গাঁতৰ সৃষ্টি হ'ব ধৰিছে। আনফালে এই পথচোৱা ত ঠায়ে ঠায়ে পুখুৰী সদৃশ গাত সৃষ্টি হৈ এজাক বৰষুণত পানী জমা হৈ পৰাৰ ফলত যাতায়তৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিব লগাত পৰে। তেনে ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই গুৰুত্ব নিদিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। অৱশ্যে এতিয়া এই পথটো সম্পুৰ্ণৰূপে বিধ্বস্ত হৈছে। কমলপুৰ সমষ্টিৰ অন্তৰ্গত এই পথচোৱা দৰং- কামৰূপৰ যাতায়াতৰ এটি গুৰুত্বপূৰ্ণ পথ বন্ধ হৈ যোৱাৰ ফলত বিমোৰত পৰিছে দৰং-কামৰূপৰ অঞ্চলবাসী ৰাইজৰ লগতে মেজিক, টেম্প', ই-ৰিক্সাৰ সমূহৰ মালিক, কৰ্মচাৰী আৰু চালক সকলৰ আনকি কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলৰ যাতায়াতৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সৃষ্টি হৈছে।

## সাংবাদিকে দুষ্প্ৰাপ্য কাছ উদ্ধাৰ কৰি চমজাই দলে বন বিভাগক



**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২২ জুন ঃ** বানৰ বিভীষিকাত মানৱ জীৱন বিপন্ন হৈ পৰা সময়ত এটি দুষ্প্ৰাপ্য কাছ উদ্ধাৰ কৰি বন বিভাগৰ কাৰ্যালয়ত চমজাই দিয়ে হোজাইৰ মোৰাঝাৰৰ সাংবাদিক আব্দুল কাদিৰে।বন বিভাগে ডবকা সংৰক্ষিত বনাঞ্চলত এৰি দিয়ে কাছটোক। ডবকাৰ ৰেঞ্জাৰ জিৰচং তেৰাঙে এই কামৰ বাবে ধন্যবাদ জনায় সাংবাদিক আব্দুল কাদিৰক। উল্লেখ্য যে বানৰ মাজতে আজি পুৱা সাংবাদিকগৰাকীৰ ঘৰৰ চোতালত উদ্ধাৰ হয় দুষ্প্ৰাপ্য কাছটো। লগে লগে উদ্ধাৰ কৰি সাংবাদিকগৰাকীয়ে প্ৰথমিক শুশ্ৰূষা কৰাৰ অন্তত ডবকা বন বিভাগক অৱগত কৰে। বিভাগীয় কাৰ্যালয়ত কাছটো সাংবাদিকগৰাকীয়ে চমজাই দিয়াত তেওঁলোকে সংৰক্ষিত বনাঞ্চলত মুকলি কৰি দিয়ে দুষ্প্ৰাপ্য প্ৰজাতিৰ কাছটোক। এনে মহানতাক এতিয়া সকলোৱে সাংবাদিকগৰাকীৰ কৰ্মক শলাগ লয়।

## নগাঁৱৰ ননৈত বানৰ জটিল ৰূপ ন ন অঞ্চল বুৰ গৈছে পানীৰ তলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২২ জুন ঃ** নগাঁও জিলাৰ বৃহত্তৰ ননৈ অঞ্চলৰ বিভিন্ন ঠাইত বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। সম্প্ৰতি নগাঁও সদৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ননৈৰ কচুপিত, চকৰিগাঁও, গোঁসাইখাট, গোমোঠাগাঁও, মিকিৰপাৰ উৰিয়াগাঁও, ভেলাইগাঁও, দেউৰীগাঁও, কুৰুৱাবাহী, গড়াহাগী, শ'লমাৰী আদিৰ লগতে বহুকেইখন গাঁও বানত বুৰ যোৱাত গঞাই বিনিদ্ৰ ৰজনী যাপন কৰিছে। বছৰৰ দ্বিতীয়টো বানত উক্ত অঞ্চলসমূহত হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। বিগত এসপ্তাহে কপিলী আৰু নিশাৰী নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত ন ন অঞ্চল বুৰ গৈছে। কালিৰ ভিতৰত এই বাঢ়নী পানীয়ে ননৈ মুদৈয়নী গাঁও, বাদলগাঁও আৰু ননৈ জলাহৰ সমগ্ৰ অঞ্চল পাবিত কৰি তুলিছে। যাৰ ফলত আজি গোমোঠাগাঁও আৰু জলাহ সংযোগী দলঙৰ বিপদসীমাৰ ওপৰেদি পানী বৈ গৈছে। বৰ্তমান ৰাইজে ননৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ননৈ উচ্চ বুনিয়াদী বিদ্যালয়, কচুপিত নামঘৰ, গোঁসাইখাট নামঘৰ, খাটৰগাঁও নামঘৰ, মুদৈয়নী নামঘৰকে ধৰি বহুকেইটা শিবিৰত প্ৰায় পাঁচ শতাধিক বানপীড়িত লোকে আশ্ৰয় গ্ৰহণ কৰিছে। ননৈ-দক্ষিণপাট সংযোগী পথটো মাজতে বানে ছিঙি পেলোৱাত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে যোগাযোগ ব্যৱস্থা বন্ধ হৈ পৰিছে। তদ্ৰূপ আজি ননৈ-উৰিয়াগাঁও সংযোগী পথটো বাঢ়নী পানীয়ে বুৰাই পেলোৱাত পথটোৰে যাতায়াত ব্যাহত হৈ পৰিছে। ইফালে ননৈৰ মাজভাগেদি বৈ যোৱা চম্পাৱতী নদী উফন্দি উঠাৰ ফলত শিঙিয়া পোটনি মৌজাৰ অন্তৰ্গত ননৈ কুমাৰগাঁও, কমাৰগাঁও, সুতাৰগাঁও, উকহাগাঁও, চুতীয়াগাঁও, মহৰচুক, পানীগাঁও, জেঙনিচুক, খাটৰগাঁও আদি অঞ্চলত আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে। এই অঞ্চলৰ কৃষিজীৱী ৰাইজে কৰা স্কোৱাছ, জিকা, ভেণ্ডি, বিলাহী, বেঙেনা, লেচেৰামাহ, জলকীয়া, ভাতকেৰেলা আদি ৰবিশস্যসমূহৰ লগতে ইৰি আৰু বৰো ধান সম্প্ৰতি বানৰ তলত। বিশেষকৈ এই অঞ্চলৰ মৎস্যপালনৰ যোগেদি স্বাৱলম্বী হোৱাৰ সপোন দেখা বহুসংখ্যক লোকৰ এতিয়া হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ঘৰৰ ভিতৰত, পথত, পথাৰ-মুঠতে সকলোতে পানী একাকাৰ হৈ পৰাৰ ফলত বহুতৰে ঘৰ-দুৱাৰ ভাঙি ৰাইজৰ ভীষণ ক্ষতিসাধন হৈছে । উপায়হীন হৈ বন্যাৰ্তই খাদ্য আৰু পানীৰ ভয়াৱহ সংকটত ভোগাৰ লগতে নিৰাপদ ঠাই বিচাৰি ঢাপলি মেলিছে । পূৰ্বতে স্থাপন কৰা বান শিবিৰসমূহত বানপীড়িতৰ আশ্ৰয়ৰ বাবে ঠাইৰ অভাৱ ঘটাত ৰাইজ ব্যাপক সমস্যাৰ সন্মুখীন হোৱা দেখা গৈছে । এনে অৱস্থাত জিলা প্ৰশাসনৰ ফালৰ পৰা বন্যাৰ্তৰ বাবে পৰ্যাপ্ত সা-সুবিধাৰ ব্যৱস্থা গ্ৰহণ নকৰাৰো গুৰুতৰ অভিযোগ উঠিছে। ইপিনে বানৰ এনে বিভীষিকাৰ বাবে পোহনীয়া জীৱ- জন্তুৰ বিলৈ-বিপত্তিয়ে দেখা দিয়াত গঞা ৰাইজ চিন্তিত হৈ পৰিছে ।

## ব্যাস সংগীত পৰিৱেশনেৰে শ্ৰোতাৰ মন মুহিছে ভূঞাখাতৰ থগেশ্বৰী বৰদলৈৰ মহিলা ওজাপালি দলে



**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ২২ জুন ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত কলাইগাঁও বিধানসভা সমষ্টিৰ ভূঞাখাট গাঁৱৰ এদল মহিলাই ওদালগুৰি আৰু দৰং জিলাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ২০১৬ চনতেই আৰম্ভণি কৰা ব্যাস ওজাপালি দলটোৰ ওজা থগেশ্বৰী বৰদলৈ অবিভক্ত দৰং জিলাৰ উল্লেখযোগ্য ব্যাস সংগীত শিল্পী, (ওজা) প্ৰয়াত খৰ্গেশ্বৰ বৰদলৈৰ জ্যেষ্ঠ কন্যা। শিশু অবস্থাৰ পৰাই নিজৰ ঘৰখনতেই ব্যাস সংগীতৰ বিভিন্ন ধৰণৰ পূজা- পদ আদিৰ এক সুন্দৰ পৰিবেশ পোৱাৰ বাবে ব্যাস সংগীতৰ প্ৰতি এক আকৰ্ষণ আছিল আৰু মনতে ওজা হোৱাৰো সপোন দেখিছিল কিন্তু সেয়া সম্ভৱ হৈ উঠা নাছিল। ২০১৬ চনত ব্যাস সংগীতৰ গুৰু সুৰেন্দ্ৰনাথ ওজাৰ নেতৃত্বত থগেশ্বৰী বৰদলৈ আৰু প্ৰায় ৮-১০ গৰাকী মহিলা লগত লৈ এটা ওজাপালি দল গঠন কৰে আৰু ৰামায়নৰ পদেৰে তেওঁলোকে পদৰ আখৰা আৰম্ভ কৰে। বৰ্তমান সময়ত মহিলা ব্যাস সংগীতৰ মহিলা ওজাপালি দলটোৱে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ব্যাস সংগীত পৰিবেশন কৰিবৰ বাবে আমন্ত্ৰণ লাভ কৰিছে আৰু ৰাইজৰ সমাদৰ লাভ কৰিছে। আৰ্থিক ভাবে দুৰ্বল হোৱাৰ পিছতো ৮-১০ জনীয়া মহিলা ওজাপালি দলটোৱে কেৱল ওজাপালি পৰিবেশন কৰি গৈছে। ওজাপালি দলটোত সহযোগী হিচাপে আছে জয়ন্তী শৰ্মা, ক্ষীৰদা ডেকা, কৰবী শৰ্মা, ৰেনু শৰ্মা, ভাৰতী শৰ্মা, মইনা শৰ্মা, বীনা শৰ্মা।

## NOTICE INVITING QUOTATION

No. GNZ-44/2018/343-356 :- In cancellation of this office earlier NIQ bearing No. GNZ 44/2018/332-342 dated 22-12-2022 and in cancellation of rates evaluated subsequent to all earlier NIQs/NITs floated for fixation of rates of various articles from the Office of the Deputy Commissioner, Goalpara, sealed quotations affixing Court Fee of Rs 8.25 (Rupees eight and twenty five paisa) (non-refundable) only are hereby invited from the intending registered firms/ suppliers for procurement of various articles:-

Detail list of articles may be seen at the undersigned office.

| | |
|---|---|
| Starting date of submission of Quotation | :- 21-06-2022 |
| Last date of submission of Quotation | :- 05-07-2022 |
| Opening date of Tender Box | :- 05-07-2022 at 3.00 PM |

**Required Documents :-**

1. Quotation must be accompanied with the Bankers Cheque/Demand Draft for an amount of Rs 50.000.00 (Rupees fifty thousand) only as Security Money/EMD to be drawn in favour of the Deputy Commissioner, Goalpara. The security Money/EMD is refundable except for the selected bidder(s).
2. Firms/Suppliers should possess a valid registration Certificate from the Competent Authority. Self Attested copy of the registration certificate should be furnished with the quotation.
3. Self Attested copies of the records/documents relating to Registration of PAN, up to date income tax clearance certificate, trade license, GSTIN etc. should be furnished along with quotation.
4. The bidders should have experience of such supply works in any Govt. institutions for last 3 (three) years.
5. It is compulsory for the bidders to quote the brand rates in all items of the sections Electrical/Stationery or both/Refreshment.

**Terms & Conditions:-**

1. Rate (s) should be inclusive of all taxes. Taxes such as GST/Income Tax as applicable will be deducted as the source from the bill amount.
2. Rate (s) once accepted will be treated as fine and no alternation or modification will be entertained and will remain valid for 1 (one) year from the date of application. However, the District Procurement Committee reserves the right to alter/modify the rate(s) as per procedure as and when required. Mere surrendering the bid claimed before expiry of stipulated time may cause suitable administrative action against the Firms/Suppliers including the forfeiture of Security deposit/EMD.
3. Authority is not bound to accept the lowest rate and reserves the right to accept/reject and /all quotations without notice and assigning reasons thereof.
4. A single bidder will be empanelled for the year in electrical items/stationery Item or both/refreshment. The rate accepted by the authority will be binding on the bidder for all items of the section he bids for.
5. The Registered firms/suppliers who will take part in the tender process mandatorily should have a point of contact with storage facility in the district preferably in the district headquarter.
6. Payment of bills is subject to availability of fund /FOC as and when received.
7. Any dispute arising in any matter shall be settled in the Court of Assam.

Deputy Commissioner,
Goalpara

Janasanyog /C/5198/22


## মৰিগাঁৱত অষ্টম আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২২ জুন ঃ** আজি আন্তঃৰ্জাতিক যোগ দিৱসৰ লগত সংগতি ৰাখি নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ উদ্যোগত আৰু মনিকাঞ্চন যোগ বিদ্যালয়ৰ জাগীভকত উচ্চতৰ মাধ্যমিক বিদ্যয়লয় আৰু নটুৱাগাঁও গোৰক্ষনাথ যোগ বিদ্যালয়ৰ সহযোগত অনিল বৰা স্মৃতি যুৱ সংঘৰ প্ৰেক্ষাগৃহত অষ্টম আন্তঃজাতিক যোগ দিৱসৰ কাৰ্যসূচী উদ্‌যাপন কৰা হয়। 'মানৱতাবাদৰ বাবে যোগ' শীৰ্ষক কাৰ্যসূচী নটুৱাগাঁৱত আনুষ্ঠালিক ভাৱে উদ্বোধন কৰে নেহৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়া বিকাশ চন্দ্ৰ প্ৰধানে। যোগবিদ মুকুল ভাৰতী নাথ আৰু যোগ প্ৰশিক্ষক ভৱজ্যোতি নাথৰ নেতৃত্বত অনুষ্ঠিত যোগাভ্যাস কাৰ্যসূচীত নটুৱা গাওঁ অঞ্চলৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীৰ লগতে নটুৱাগাঁও গাঁও উন্নয়ন সমিতিৰ সভাপতি জয় কুমাৰ নাথ, গোৰক্ষ নাথ যোগ বিদ্যালয়, অনিল বৰা স্মৃতি যুৱক সংঘৰ সভাপতি সম্পাদক প্ৰমুখ্যে কৰ্মকৰ্তাসকলে যোগদান কৰে। যোগ দিৱসৰ অংশ হিচাপে জাগীভকতগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত যোগাভ্যাস কাৰ্যসূচী বিশ্ব হিন্দু পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ক্ষীৰোদ গোস্বামীয়ে বন্তি প্ৰজ্বলেনেৰে শুভাৰম্ভণি কৰা কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে নেহৰু যুৱ কেন্দ্ৰ মৰিগাৱঁৰ গাণনিক আৰু কাৰ্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰে। ত্ৰি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত মংগল ধ্বনিৰে আৰম্ভ কৰি বিভিন্ন প্ৰাণায়ম, আসন, ব্যায়াম আদি কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে যোগ শিক্ষয়িত্ৰী ৰীণা ভৌমিক, যোগ প্ৰশিক্ষক জয়ন্ত সাগৰ শইকীয়া, মনিকাঞ্চন যোগ বিদ্যালয়ৰ সভাপতি নিৰ্মল বৰুৱা আৰু সমিতিৰ কৰ্মকৰ্তাসকল অংশগ্ৰহণ কৰে। যোগ প্ৰশিক্ষক অনন্ত বৰা আৰু নবজ্যোতি নাথৰ পৰিচালনাত অনুষ্ঠিত যোগ অভ্যাস কাৰ্যসূচীৰ অন্তত অংশগ্ৰহণকাৰীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়।

### ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু প্ৰসংগত প্ৰধানমন্ত্ৰী

## তেওঁ মহান ৰাষ্ট্ৰপতি হ'বগৈ



**নতুন দিল্লী, ২২ জুন ঃ** উৰিষ্যাৰ আদিবাসী আৰু জনজাতি সম্প্ৰদায়ৰ বিজেপি নেতা দৌপদী মুৰ্মুৰ নাম এন ডি এ মৰ্চাই পৰৱৰ্তী ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে আনুষ্ঠানিক ঘোষণা কৰাৰ লগে লগে বিভিন্নজনে শুভেচ্ছা জনাইছে। অন্য একাংশই আকৌ মিশ্ৰিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দেশত প্ৰথমবাৰলৈ আদিবাসী আৰু জনজাতি সম্প্ৰদায়ৰ এগৰাকী নেতাই, অতিৰিক্তভাৱে মহিলা প্ৰাৰ্থীয়ে ৰাষ্ট্ৰপতি পদত শক্তিশালীভাৱে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ অগ্ৰসৰ হৈছে। এই সম্পৰ্কত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জ্ঞাপন কৰিছে। টুইটাৰৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল মুৰ্মুক দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি পদত নিৰ্বাচনৰ বাবে সাজু হোৱা মুহূৰ্তত শুভেচ্ছা জনাইছে। ৬৪ বছৰীয়া মুৰ্মু যদিহে নিৰ্বাচিত হয়, তেনেহ'লে বিজেপি নেতৃত্বাধীন এন ডি এ মৰ্চাৰ পক্ষত পৰৱৰ্তী নিৰ্বাচনসমূহ সহায়ক হ'ব বুলি আশা কৰা হৈছে। এহাতেদি জনজাতি মহিলা আৰু অন্যহাতেদি আদিবাসী সম্প্ৰদায়ৰ হোৱাৰ বাবে দেশৰ সকলোবোৰ পিছপৰা জাতি আৰু জনগোষ্ঠীয়ে বিজেপিৰ প্ৰতি অধিক আগ্ৰহী হৈ পৰিব। উল্লেখ্য যে মোদীয়ে নিজৰ বক্তব্যত লগতে কয় যে যিসকলে দৰিদ্ৰতা আৰু ক্ষুধাৰ সৈতে সংগ্ৰাম কৰিছে, অতি কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছে, সকলোবোৰ অসুবিধা অতিক্ৰম কৰি নিজকে দেশৰ সেৱাৰ বাবে উপযুক্ত হিচাপে তুলি ধৰিবলৈ সক্ষম হৈছে, তাৰে অন্যতম হ'ল দ্ৰৌপদী মুৰ্মু। তেওঁৰ এই সফলতাই দেশৰ কোটি কোটি সাধাৰণ জনতাক অনুপ্ৰাণিত কৰিব। ইফালে বিৰোধী পক্ষই কালি দেশৰ প্ৰাক্তন বিত্তমন্ত্ৰী যশৱন্ত সিনহাৰ নাম চূড়ান্ত কৰিছে। ১৭ টা অবিজেপি ৰাজনৈতিক দলে উমৈহতীয়া প্ৰাৰ্থী বিচাৰি হায়ৰাণ হৈছিল। প্ৰথমে এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰ, তাৰ পিছত নেচনেল কনফাৰেন্সৰ মুৰব্বী ফাৰুক আব্দুল্লাৰ নাম প্ৰস্তাৱ কৰিছিল যদিও তেওঁলোকে এই প্ৰস্তাৱ অগ্ৰাহ্য কৰে। তৃতীয় পৰ্যায়ত যশৱন্ত সিনহাৰ সন্মতি আদায় কৰিবলৈ সক্ষম হৈছে। অহা ১৮ জুলাই তাৰিখে ভোটগ্ৰহণ আৰু ২১ জুলাই তাৰিখে ভোট গণনা হ'ব লগা ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কাৰণে মনোনয়ন দাখিল অন্তিম দিন অহা ২৯ জুন। লোকসভা, ৰাজ্যসভা আৰু বিধানসভাৰ সদস্যসকলে ভোটাধিকাৰ সাব্যস্ত কৰি ৰাষ্ট্ৰপতি পদত এগৰাকী প্ৰাৰ্থীক নিৰ্বাচিত কৰিব। অৱশ্যে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে প্ৰতিজন ভোটাৰৰ ভোটৰ মূল্য নিৰ্ধাৰণ কৰা থাকে। লগতে মুঠ ভোটাৰ মূল্যৰ সম্পূৰ্ণ অৰ্ধাংশ বা তাতকৈ অধিক ভোট লাভ কৰিলেহে ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়।

# আফগানিস্তানত বিধ্বংসী ভূমিকম্প, কমেও ৯৫০ জনৰ প্ৰাণ হানিৰ আশংকা

## তালিবান মন্ত্ৰীয়ে সদৰী কৰিলে দুৰ্যোগৰ তথ্য

**কাবুল, ২২ জুন ঃ** আফগানিস্তানৰ বহুকেইটা স্থানত বুধবাৰে পুৱাৰ ভাগতে শক্তিশালী ভূমিকম্পই তীব্ৰভাৱে জোকাৰি যায়। ফলত ধন জনৰ ব্যাপক ক্ষয়ক্ষতি হোৱা বুলি প্ৰকাশ পাইছে। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ কম্পনাংক আছিল ৬.১। আনহাতে বিল্ডিং তথা বাসগৃহ আদি ভাঙি পৰাৰ ফলত কমেও ৯৫০ জন লোকৰ প্ৰাণহানি হোৱা বুলি বাতৰি লিখা পৰলৈকে তথ্য সদৰী হৈছে। দেশখনত শাসন চলাই থকা তালিবানৰ এজন মন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। ভূমিকম্পই ছয় শতাধিক লোকক জখম কৰা বুলিও প্ৰকাশ পাইছে। উদ্ধাৰ অভিযান অব্যাহত আছে আৰু আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। বিগত বৰ্ষৰ মধ্য ভাগৰ পিছত আফগানিস্তানত তালিবানৰ শাসন পুনৰ ঘূৰি অহা দেখা গৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই সেনাবাহিনী ঘূৰি যোৱাৰ পিছত তালিবানে দেশখন দখল কৰিছিল। ভূমিকম্পৰ সম্পৰ্কত পাকিস্তানৰ বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা তথ্য অনুসৰি আফগানিস্তানৰ পাকটিকা প্ৰদেশত বিস্তৰ ক্ষয়ক্ষতি হৈছে। সীমান্তৰ পৰা পঞ্চাশ কিলোমিটাৰ দূৰত্বত অৱস্থিত আছে এই অঞ্চলটো। দক্ষিণ-পশ্চিম অঞ্চলত অৱস্থিত খোষ্ট নামৰ চহৰখনৰ অন্তৰ্গত বুলি কোৱা হৈছে। বাসগৃহ, গ্ৰামাঞ্চলৰ ঘৰ দুৱাৰ আদি ভাঙি পৰাৰ লগতে ভূমিস্খলনৰ ফলতো একাংশ লোকৰ মৃত্যু হৈছে। ইফালে উদ্ধাৰ অভিযানত আফগানিস্তান সেনাৰ হেলিকপ্টাৰ ব্যৱহাৰ কৰা হৈছে। আহতসকলক হেলিকপ্টাৰৰ জৰিয়তে স্থানান্তৰ কৰা হৈছে। উদ্ধাৰ কৰি দুৰ্গত লোকসকলক নিৰাপদ স্থানৰ শিবিৰলৈ প্ৰেৰণ কৰা বুলিও কোৱা হৈছে। অৱশ্যে হতাহতৰ পৰিসংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। পাকটিকা অঞ্চল আৰু কাষৰীয়া অঞ্চলসমূহত প্ৰকৃত ক্ষয়ক্ষতিৰ মূল্যায়ন হ'বলৈ বহু বাকী আছে। তালিবান চৰকাৰৰ উপ মুখপাত্ৰ বিলাল কাৰিমীয়ে পোহৰলৈ অহা নাই। দেশখনৰ প্ৰধানমন্ত্ৰী মহম্মদ হাছান আখুণ্ডই এক জৰুৰী বৈঠকৰ আহ্বান কৰিছে। এই বৈঠকত পাকটিকা আৰু খোষ্ট জিলাত উদ্ধাৰ অভিযান খৰতকীয়া কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অতি ভিতৰুৱা কেতবোৰ অঞ্চল, বিশেষকৈ পাকিস্তানৰ সীমান্তৱৰ্তী কেতবোৰ আফগান গাঁৱত এতিয়াও উদ্ধাৰ অভিযান চলোৱা হোৱা নাই হোৱা স্থানত আফগানিস্তান, পাকিস্তান আৰু ভাৰতৰ ১১৯ নিযুত বাসিন্দা আছে বুলিও প্ৰকাশ পাইছে। আফগানিস্তানৰ পাহাৰীয়া অঞ্চলত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল বুলি ধাৰণা কৰা হৈছে। প্ৰণিধানযোগ্য এয়ে যে দেশখনত ২০১৫ চনতো উত্তৰ পূব অংশত অন্য এক বিধ্বংসী ভূমিকম্পই জোকাৰি গৈছিল। সেইবাৰে আফগানিস্তান আৰু





সংবাদ মাধ্যমৰ আগত কয় যে মৃত্যুৰ সঠিক পৰিসংখ্যা বৰ্তমানেও নিশ্চিত হোৱা নাই। কাৰণ উদ্ধাৰ অভিযান অব্যাহত আছে। পাকটিকা প্ৰদেশৰ চাৰিখন জিলাত অধিক ক্ষয়ক্ষতিৰ আশংকা প্ৰকাশ পাইছে। আনহাতে দেশখনৰ জৰুৰীকালীন বিভাগৰ বিষয়া ছাৰাফুদ্দিন মুছলীমে কয় যে অঞ্চলটোৰ ৯০টা বাসগৃহ ধ্বংসস্তুপত পৰিণত হৈছে। লগতে বহুসংখ্যক আৱাসীয়ে এতিয়াও আবদ্ধ হৈ আছে। গতিকে সঠিক তথ্য বৰ্তমানেও বুলি প্ৰকাশ পাইছে। চুবুৰীয়া ৰাষ্ট্ৰ আফগানৰ এই প্ৰাকৃতিক দুৰ্যোগৰ বাবে পাকিস্তানৰ ৰাষ্ট্ৰপতি শ্বাহবাজ শ্বৰীফে এক বাৰ্তাৰ জৰিয়তে শোক প্ৰকাশ কৰিছে। দুৰ্গত লোকসকলক সহায় কৰিবলৈ আৰু উদ্ধাৰ অভিযানত নিয়োজিত হ'বলৈ পাকিস্তানৰ চৰকাৰ তথা সাধাৰণ ৰাইজ সাজু হৈ থকা বুলিও ব্যক্ত কৰিছে। আনহাতে ৫০০ বৰ্গ কিলোমিটাৰ অঞ্চলজুৰি এই ভূমিকম্পৰ প্ৰভাৱ উপলব্ধ হৈছিল। ভূমিকম্প সংঘটিত পাকিস্তানৰ চুবুৰীয়া অঞ্চলত দুই শতাধিক লোকৰ মৃত্যু হৈছিল। ইফালে দেশখনত ২০০২ চনত ৰিখটাৰ স্কেলত ৬.১ কম্পনাংকৰ ভূমিকম্পই হাজাৰোধিক লোকৰ প্ৰাণ কাঢ়ি নিছিল। আনহাতে ১৯৯৮ত দেশখনৰ উত্তৰ পূব অংশত হোৱা ভূমিকম্পই চাৰি হাজাৰোধিক লোকৰ প্ৰাণ কাঢ়ি নিছিল। ফলত পাহাৰীয়া অঞ্চলত এতিয়া আফগানিস্তানৰ জনতাৰ মৃত্যুৰ কিৰিলি হাতবাউলি থকা বুলিব পাৰি।

# পুডুচেৰী কংগ্ৰেছৰ অভিযোগ দ্ৰৌপদী মুৰ্মু হ'ব প্ৰতিকী ৰাষ্ট্ৰপতি

**পুডুচেৰী, ২২ জুন ঃ** কেন্দ্ৰীয়শাসিত প্ৰদেশ পুডুচেৰীৰ ৰাজ্যিক কংগ্ৰেছ দলে ৰাষ্ট্ৰপতি নিৰ্বাচনত এন ডি এ মৰ্চাৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু প্ৰসংগত নিজৰ অসন্তুষ্টি ব্যক্ত কৰিছে। তেওঁ কয় যে ৰাষ্ট্ৰপ্ৰধান হিচাপে এগৰাকী শক্তিশালী আৰু স্বাভিমানী ব্যক্তিৰ আৱশ্যক আছিল। কিন্তু দ্ৰৌপদী মুৰ্মু ৰাষ্ট্ৰপতি হ'লে তেওঁ প্ৰতিকী ৰূপত আবদ্ধ থাকিব। ডেমী ৰাষ্ট্ৰপতি হিচাপে তেওঁক সন্মুখত ৰাখি বিজেপি দলে নিজৰ ৰাজনৈতিক অভিসন্ধি পূৰণ কৰিব। উল্লেখ্য যে অহা ১৮ জুলাইত ভোটগ্ৰহণ হ'ব লগা ৰাষ্ট্ৰ পতি নিৰ্বাচনৰ কাৰণে শাসকীয় বিজেপি নেতৃত্বাধীন এন ডি এ মৰ্চাৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল দ্ৰৌপদী মুৰ্মুক। গতিকে কংগ্ৰেছৰ পুডুচেৰী শাখাই প্ৰকাশ কৰা এই প্ৰতিক্ৰিয়াৰ পিছত বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ শ্বেহজাদ পুনৱালাই কংগ্ৰেছক সমালোচনা কৰা দেখা গৈছে। তেওঁ কয় যে কংগ্ৰেছে জনজাতীয় সম্প্ৰদায় আৰু মহিলাসকলক অপমান কৰিছে। দ্ৰৌপদী মুৰ্মু দুৰ্বল আৰু জনজাতীয় মহিলা, আদিবাসী সম্প্ৰদায়ৰ বুলি ইতিকিং কৰিছে। উৰিষ্যাৰ বাসিন্দা দ্ৰৌপদী এগৰাকী শক্তিশালী আৰু স্বাভিমানী ব্যক্তিত্বসম্পন্ন নেতা বুলি বিজেপিয়ে অঙুলিয়াই দিছে। বৰ্তমান ৬৪ বছৰীয়া মুৰ্মুৱে বিগত সময়ত নিজৰ দক্ষতা আৰু প্ৰতিভা সঠিকবাৰে প্ৰদৰ্শন কৰি আহিছে। শৈক্ষিক দিশত অতি সফলত আৰু আগৰণুৱা ব্যক্তি হিচাপে পৰিচিত দ্ৰৌপদী হ'ব দেশৰ দ্বিতীয় গৰাকী মহিলা ৰাষ্ট্ৰপতি আৰু জনজাতীয় সম্প্ৰদায়ৰ পৰা প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি। ৰামনাথ কোবিন্দৰ কাৰ্যকাল অহা ২৪ জুলাইত সমাপ্ত হোৱাৰ পিছত ২৫ জুলাইত নতুন ৰাষ্ট্ৰপতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰিব। শাসকীয় এন ডি এ মৰ্চাৰ প্ৰাৰ্থীগৰাকীৰ বিৰুদ্ধে যুঁজ দিব বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী যশৱন্ত সিনহাই।



# কৰ'নাত আক্ৰান্ত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল

**মুম্বাই, ২২ জুন ঃ** মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ভগৎ সিং কৌশাৰী কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈছে। বয়োজ্যেষ্ঠ ৰাজ্যপালগৰাকী বুধবাৰে এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৰাজভৱনৰ পৰা জাৰি কৰা এক প্ৰেছ বাৰ্তাত এই কথা উল্লেখ কৰা হৈছে। বৰ্তমান তেওঁ সুস্থিৰ হৈ আছে আৰু ৰাজ্যপালৰ দায়িত্ব অন্য কোনো ব্যক্তিক অৰ্পণ কৰা হোৱা নাই। যদিহে কোনো ব্যক্তিয়ে ৰাজ্যপালৰ সৈতে যোগাযোগ কৰিব বিচাৰে তেনেহ'লে তেওঁ ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে যোগাযোগ কৰিব পাৰিব বুলি কোৱা হৈছে। উল্লেখ্য যে মঙলবাৰৰ পৰা ৰাজ্যখনত ৰাজনৈতিক অস্থিৰতাই দেখা দিছে। শাসকীয় শিৱসেনা দলৰ বিধায়ক তথা মন্ত্ৰী একতা সিন্ধেৰ নেতৃত্বত একাংশই চৰকাৰৰ বিৰুদ্ধে বিদ্ৰূপ কৰিছে। তেওঁলোকে প্ৰথমে গুজৰাটৰ চুৰাৎ জিলা আৰু পিছত অসমৰ গুৱাহাটীত বাহৰ পাতি আছে। শাসকীয় মৰ্চা চৰকাৰৰ বিৰুদ্ধে নিজৰ অসন্তুষ্টি ব্যসক্ত কৰিছে। সেয়েহে এই সময়ছোৱাত ৰাজ্যপালৰ পদক্ষেপ জৰুৰী হৈ পৰা বুলি ধাৰণা কৰা হৈছে। কিয়নো মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে নেতৃত্বাধীন চৰকাৰখনে সংখ্যাগৰিষ্ঠতা হেৰুৱাইছে বুলি একাংশই আঙুলিয়াই দিছে। গতিকে চৰকাৰ সলনিৰ আৱশ্যকতা দোহাৰিছে। এই সময়ছোৱাত ৰাজ্যপালৰ ভূমিকা অতিশয় লক্ষ্যণীয় হৈ পৰে। ৰাজ্যখনত ২৮৮ জনীয়া বিধানসভাত একক সংখ্যাগৰিষ্ঠতাৰ বাবে ১৪৪ জন বিধায়কৰ সমৰ্থনৰ আৱশ্যক হয়। বৰ্তমান বিৰোধী বিজেপিৰ নিজা বিধায়কৰ সংখ্যা ১০৬ জন। আনহাতে চৰকাৰী পক্ষৰ শিৱসেনাৰ ৫৫, এন চি পিৰ ৫৩ আৰু কংগ্ৰেছৰ ৪৪ জন বিধায়ক আছে। নিৰ্দলীয় হিচাপেও ১৩ জন বিধায়ক আছে ৰাজ্যখনত। শিৱসেনাৰ মুঠ ২২ জন বিধায়কে নেতৃত্বৰ বিৰুদ্ধে বিক্ষোভ কৰা বুলি কোৱা হৈছে। তেওঁলোকক নিৰ্দলীয় বিধায়কসকলেও সমৰ্থন জনোৱা বুলি দাবী কৰা হৈছে। গতিকে এনে এক জটিল সাংবিধানিক ক্ষণত ৰাজ্যৰ ৰাজ্যপালৰ সিদ্ধান্তৰ ওপৰত চৰকাৰখনৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। যাৰ বাবে মহাৰাষ্ট্ৰৰ ৰাজ্যপালৰ ক'ভিড সংক্ৰমণে এতিয়া ৰাজ্যখনত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰা বুলিব পাৰি। ইয়াৰ বাবেই ৰাজ্যপালে কেৱল ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে তেওঁৰ সৈতে যোগাযোগ কৰিব পাৰিব বুলি ঘোষণা কৰিবলৈ বাধ্য হোৱা দেখা হৈছে।



### উচ্চতম ন্যায়ালয়ত উত্তৰ প্ৰদেশ চৰকাৰৰ শপতনামা

# আইন অনুসৰি চলিছে উচ্ছেদ অভিযান, গোষ্ঠী সংঘৰ্ষ দমন কৰা হ'ব সুকীয়া আইনৰ জৰিয়তে

**নতুন দিল্লী, ২২ জুন ঃ** উত্তৰ প্ৰদেশ চৰকাৰে বুলড'জাৰ ব্যৱহাৰ কৰি অপৰাধী আৰু ৰাজনৈতিক প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অভিযান চলোৱা বুলি একাংশই উত্থাপন কৰা অভিযোগ নস্যাৎ কৰিছে চৰকাৰে। এনেদৰে উচ্ছেদ অভিযান বন্ধ ৰাখিবলৈ উচ্চতম ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হৈছিল। এই আবেদনৰ ভিত্তিত হোৱা শুনানিত উত্তৰ প্ৰদেশ চৰকাৰক নিজৰ স্থিতি স্পষ্ট কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। সেই অনুসৰি চৰকাৰে শপতনামাৰ জৰিয়তে ব্যক্ত কৰে যে আইন অনুসৰি অবৈধ দখলকাৰী আৰু আইন উলংঘা কৰি নিৰ্মাণ কৰাসকলৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱা হৈছে। এই উচ্ছেদ অভিযানৰ সৈতে ৰাজনৈতিক বৈৰীতা বা গোষ্ঠী সংঘৰ্ষৰ কোনো সম্পৰ্ক নাই। কিয়নো এইবোৰ নিয়ন্ত্ৰণ কৰিবলৈ সুকীয়া আইন আছে। চৰকাৰেট এনে আইনৰ আধাৰত সংঘৰ্ষ নিয়ন্ত্ৰণৰ পদক্ষেপ লৈছে। ইয়াৰ বিপৰীতে স্থানীয় প্ৰশাসনৰ নীতি-নিয়ম উলংঘা কৰি একাংশই যধেমধে নিৰ্মাণ কাৰ্য চলাইছিল। তেওঁলোকক অবৈধ নিৰ্মাণ নকৰিবলৈ প্ৰশাসনে দিয়া নিৰ্দেশনা সম্পূৰ্ণভাৱে উলংঘা কৰিছিল। গতিকে এনেবোৰ নিৰ্মাণ কাৰ্য উচ্ছেদ কৰাৰ বাহিৰে বিকল্প পথ নাই বুলি ন্যায়ালয়ৰ মজিয়াত চৰকাৰে দাঙি ধৰিছে। এনেধৰণৰ উচ্ছেধসমূহ হ'ল অবৈধ নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে চলাই থকা নিয়মীয়া অভিযান। এনেধৰণৰ জাননী পূৰ্বতেও বহুবাৰ প্ৰদান কৰা হৈছে। গতিকে ন্যায়ালয়ত আবেদনকাৰীয়ে বিষয়টো ভুলভাৱে উপস্থাপন কৰা বুলিও চৰকাৰে আঙুলিয়াই দিছে। উদাহৰণ হিচাপে ব্যক্ত কৰা হৈছে যে জাভেদ মহম্মদৰ বাসগৃহৰ একাংশ ভাঙি পেলোৱা হৈছিল এইকাৰণে যে তেওঁলোকে স্থানীয় প্ৰশাসনৰ নিৰ্দেশ উলংঘা কৰি এনে নিৰ্মাণ কৰিছিল। পূৰ্বে বহুবাৰ জাভেদ ইছলামৰ জাননী দাবী কৰা হৈছিল। কিন্তু তেওঁ প্ৰশাসনৰ নিৰ্দেশনালৈ কেৰেপ কৰা নাছিল। ইফালে প্ৰয়াগৰাজৰ হিংসাত্মক প্ৰতিবাদী কাৰ্যসূচীৰ সৈতে জাভেদ ইছলাম জড়িত থাকিলেও এই স্থিতিৰ সৈতে তেওঁৰ বাসভৱনত চৰকাৰে চলোৱা উচ্ছেদৰ কোনো সম্পৰ্ক নাই। এই বিষয়ত পৃথক আইনৰ দ্বাৰা বিচাৰ কৰাৰ সুবিধা আছে। একেদৰে কানপুৰত উচ্ছেদ অভিযান চলোৱা হৈছিল আৰু নিৰ্মাণকাৰীসকলে ব্যক্ত কৰিছিল যে সঁচাকৈ তেওঁলোকে চহৰীয়া নিৰ্মাণ আইন উলংঘা কৰিছিল। কানপুৰ সংঘৰ্ষৰ সৈতে এই নিৰ্মাণ কাৰ্যৰ বিষয়টো জড়িত নহয়। জমিয়ত উলেমা আই-হিন্দ নামৰ সংগঠনটোৱে ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। গতিকে এই আবেদনৰ ভিত্তিত চৰকাৰে নিজৰ স্থিতি স্পষ্ট কৰি দিয়া দেখা গৈছে। আনহাতে এই উচ্ছেদ কাৰ্য স্থানীয় উন্নয়ন প্ৰাধিকাৰীৰ জৰিয়তে চলোৱা হৈছে। ইয়াৰ সৈতে চৰকাৰখনৰ পোনপতীয়া. সংযোগ নাই বুলিও তেওঁ ব্যক্ত কৰিছে।



# আবদ্ধ বিধায়কসকলক জোৰ কৰি চিকিৎসালয়ত বেজী দিয়া হৈছে

### শিৱসেনাৰ বিধায়ক নীতিন দেশমুখৰ গুৰুতৰ অভিযোগ

**নাগপুৰ, ২২ জুন ঃ** মহাৰাষ্ট্ৰৰ শিৱসেনা দলৰ বিধায়ক নীতিন দেশমুখে বিদ্ৰোহী বিধায়কসকলৰ আত্মগোপন বিষয়ত এক চাঞ্চল্যকৰ তথ্য সদৰী কৰিছে। বিদ্ৰোহী একনাথ সিন্ধেৰ সৈতে নীতি দেশমুখেও চুৰাটলৈ উৰা মাৰিছিল। তেওঁ কোনো ধৰণৰ হৃদৰোগত আক্ৰান্ত হোৱা নাছিল। তেওঁৰ ৰক্তচাপ বৃদ্ধি হোৱা নাছিল। কিন্তু যিসকলে তেওঁ জোৰ জুলুম কৰি লৈ গৈছিল সেইসকলৰ উদ্দেশ্য সন্দেহজনক আছিল বুলি সন্দেহ প্ৰকাশ কৰা হৈছে।



বুধবাৰে তেওঁ ৰাজহুৱাভাৱে কয় যে আবদ্ধ বিধায়কসকলক জোৰ জুলুম কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। তাতে তেওঁলোকক বেজী দিয়া হৈছে। অথচ বেজী ল'ব লগাকৈ তেওঁ কোনোধৰণৰ অসুখত ভোগা নাই। নাগপুৰৰ সংবাদ মাধ্যমৰ আগত আকুলা সমষ্টিৰ বিধায়কজনে কয় যে একাংশ ব্যক্তিৰ সহযোগত তেওঁ নিজকে চুৰাটৰ পৰা মহাৰাষ্ট্ৰলৈ উভতি আহিবলৈ সক্ষম হ'ল। তেওঁ শিৱসেনাৰ সভাপতি উদ্ধৱ থাকৰেৰ একাংন্ত অনুগামী বুলিও ঘোষণা কৰিছে। আকুলা জিলাৰ বালাপুৰ সমষ্টি প্ৰতিনিধিত্ব কৰা নীতিন দেশমুখে কয় যে উদ্ধৱ থাকৰে আৰু বালা সাহেব থাকৰে নেতৃত্ব দিয়া শিৱ সৈনিক হিচাপে তেওঁ নিজকে পৰিচয় দি আহিছে। তেওঁ সম্পূৰ্ণ শাৰীৰিকভাৱে সুস্থ যদিও চুৰাটত তেওঁক আৰক্ষী আৰু ২০-২৫ জন ব্যক্তিয়ে জোৰ জুলুম কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। তেওঁলোকে ব্যক্ত কৰিছিল যে বিধায়ক নীতিন হৃদৰোগত আক্ৰান্ত হৈছে। অথচ একেটা বিষয়তে শিৱসেনাৰ সাংসদ সঞ্জয় ৰাওতে মঙলবাৰে ব্যক্ত কৰিছিল যে একাংশ বিধায়কক বিভ্ৰান্ত কৰি চুৰাটলৈ লৈ যোৱা হৈছে। আৰু প্ৰকৃততে তেওঁলোকক অপহৰণ কৰা হৈছে। ইফালে হাস্পতালত বেজী ল'বলৈ অস্বীকাৰ কৰাৰ বাবে বিধায়ক নীতিন দেশমূখক আৰক্ষী আৰু গুণ্ডা প্ৰকৃতিৰ দল এটাই শাৰীৰিকভাৱে অপসদ্ধ কৰিছিল। অৱশ্যে নিশাৰ ভাগত তেওঁ নিজকে সেই স্থানৰ পৰা আঁতৰাই আনিবলৈ সক্ষম হ'ল। এনে অভিযোগৰ বিপৰীতে একনাথ সিন্ধেই কয় যে তেওঁৰ সৈতে ৪৬ বিধায়কৰ সমৰ্থন আছে। শিৱসেনা দলৰ পৰা সমৰ্থকৰ সংখ্যা অধিক বৃদ্ধি পাব। গতিকে দল বিৰোধী আইনৰ বাহিৰত অৱস্থান কৰিব পৰাকৈ তেওঁলোকৰ পৰ্যান্ত সমৰ্থন আছে। শিৱসেনাৰ ৫৫ জন বিধায়কৰ অধিকাংশই একনাথ সিন্ধেৰ সৈতে হাত মিলাই থকা বুলিও কোৱা হৈছে। কিন্তু একনাথৰ এনে মন্তব্যৰ বিপৰীতে মহাৰাষ্ট্ৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি নানা পাতুলিয়ে কয় যে বিজেপিয়ে গণতন্ত্ৰ হত্যা কৰিছে। জনসাধাৰণে নিৰ্বাচন কৰি দিয়া এখন চৰকাৰ পতন ঘটাবলৈ গ্ৰহণ কৰা পদক্ষেপ সম্পূৰ্ণ অগণতান্ত্ৰিক বুলিও কংগ্ৰেছে দলে অভিযোগ কৰিছে।

### চাঞ্চল্যকৰ পৰিঘটনা পোহৰলৈ আহিছে মহাৰাষ্ট্ৰৰ ৰাজনৈতিক পৰিস্থিতিৰ

# এগৰাকী বিধায়কে বাইক-ট্ৰাকেৰে আহি, চাৰি কিলোমিটাৰ খোজ কাঢ়ি উপস্থিত হ'ল মুখ্যমন্ত্ৰীৰ সন্মুখত

**মুম্বাই, ২২ জুন ঃ** মহাৰাষ্ট্ৰত শিৱসেনাৰ লগতে নিৰ্দলীয় বিধায়কৰ জৰিয়তে বিদ্ৰোহী একনাথ সিন্ধেৰ শক্তি প্ৰদৰ্শনৰ বিষয়টোৱে দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰি থকা সময়তে এজন বিধায়কে উদঙাই দিলে গোটেই ৰাজনৈতিক পৰিঘটনাৰ বিপৰীত দিশ। বৰ্তমানলৈকে বিধায়কজনৰ নাম প্ৰকাশ কৰা হোৱা নাই যদিও মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ বাসগৃহত বুধবাৰে পুৱাৰভাগতে হাজিৰ হোৱাৰ লগে লগে বিদ্ৰোহৰ আঁৰত অন্য এক দিশ স্পষ্ট হৈ পৰিছে। উল্লেখ্য যে ৰাজ্যখনৰ নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী তথা শিৱসেনাৰ বিধায়িনী দলৰ নেতা একনাথ সিন্ধেক তেওঁৰ দলীয় পদবীৰ পৰা অপসাৰণ কৰা হৈছিল। বিধান পৰিষদৰ নিৰ্বাচনত একনাথ সিন্ধেৰ জৰিয়তে দলবিৰোধী কাৰ্যত লিপ্ত হোৱাৰ অভিযোগ উত্থাপিত হৈছিল। ইয়াৰ বাবেই বিধায়িনী দলৰ নেতৃত্বৰ পৰা অপসাৰিত হ'ব লগা হ'ল। কিন্তু মুখ্যমন্ত্ৰী তথা শিৱসেনাৰ মুৰব্বী উদ্ধৱ থাকৰে লোৱা সিদ্ধান্তৰ পিছতে একনাথ সিন্ধে হৈ পৰিল বিদ্ৰোহী। নিজৰ লগত অন্য ২১ জন শিৱসেনাৰ বিধায়কক লগত লৈ গুজৰাটৰ চুৰাট জিলাৰ এখন হোটেলত বাহৰ পাতি আছিল। এই হোটেলত হাজিৰ হোৱাৰ পিছত তেওঁলোকক নজৰবন্দী কৰি ৰখা হৈছিল। একনাথ সিন্ধেৰ নিৰ্দেশ মতে বিধায়কসকলে কেতবোৰ পদক্ষেপ ল'বলৈ বাধ্য কৰোৱা বুলিও অভিযোগ উঠিছে। এনেদৰে হোটেলত আবদ্ধ কৰি ৰখা ছজন শিৱসেনাৰ বিধায়কে পলায়নৰ পদক্ষেপ লোৱা বুলি চৰ্চিত হৈছে। তাৰে এজনে প্ৰথমে বাইকেৰে, পিছত ট্ৰাকত আহি আৰু শেষত চাৰি কিলোমিটাৰ পদব্ৰজে আহি বুধবাৰে পুৱাই মুখ্যমন্ত্ৰীৰ বাসগৃহত হাজিৰ হৈছে। তেওঁ বিৱৰি কৈছে চুৰাটৰ হোটেলত সংঘটিত হোৱা চৰকাৰ ভঙাৰ পৰিকল্পনা আৰু অন্যান্য পদক্ষেপৰ প্ৰসংগত। তেওঁৰ সংগত থকা অন্য পাঁচ বিধায়ক বৰ্তমানলৈ উভতি অহা নাই যদিও তেওঁলোক কি পৰিস্থিতিত আছে সেয়া জানিব পৰা হোৱা নাই। উল্লেখ্য যে এখন বাহনত প্ৰথমে চুৰাটৰ পৰা এইসকলে গুজৰাট অভিমুখে ৰাওনা হৈছিল। কিন্তু বাসাই বীৰাৰ নামৰ সীমান্তৰ স্থান অতিক্ৰম কৰাৰ পিছতে সন্দেহ ঘনীভুত হৈ পৰিছিল। গতিকে বাহনৰ পৰা নামি এজন এজনকৈ অহাৰ পৰিকল্পনা কৰিছিল। এনেকৈয়ে এজন বিধায়কে মুখ্যমন্ত্ৰীৰ বাসভৱনত উপস্থিত হ'বলৈ সক্ষম হ'ল। কিন্তু অন্য পাঁচ বিধায়ক ক'ত আছে সেয়া বৰ্তমানলৈ অৱগত হোৱা নাই বুলি প্ৰকাশ পাইছে। মুঠৰ ওপৰত মন্ত্ৰী একনাথ সিন্ধেৰ জৰিয়তে তেওঁলোকক একগোট কৰি ৰখা হৈছিল যদিও কিয় এনে পদক্ষেপ লোৱা হৈছে সেই বিষয়ে অৱগত কৰা হোৱা নাছিল। ইয়াৰ বাবেই সন্দেহ ঘনীভূত হৈছিল। মূলতঃ এইসকল বিধায়কক নজৰবন্দী কৰি, জোৰ জুলুম কৰি আবদ্ধ কৰা বুলিও মুখথ্যমন্ত্ৰীৰ ওচৰত ভূৰি অহা বিধায়ককজনে চাঞ্চল্যকৰ স্বীকাৰোক্তি প্ৰদান কৰিছে।





*অগ্নিপথ আঁচনিৰ বিৰুদ্ধে দেশৰ কেবাখনো ৰাজ্যত অবিৰতভাৱে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। সেনা বাহিনীত চাৰি বছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তি দিবলৈ গ্ৰহণ কৰা অগ্নিপথ আঁচনি প্ৰত্যাহাৰ কৰিবলৈ বিৰোধী ৰাজনৈতিক দলবোৰে সজোৰে দাবী কৰি অহা দেখা গৈছে*

# হাৰিয়ানাত পৌৰ নিকায়ৰ নিৰ্বাচনৰ ভোট গণনা অব্যাহত

**নতুন দিল্লী, ২২ জুন ঃ** হাৰিয়ানাৰ ৯৩ নগৰায়ী নিকায়, পৌৰসভা আৰু পৌৰ নিগমৰ বাবে অনুষ্ঠিত হোৱা ভোট গ্ৰহণৰ পিছত আজি ভোট গণনা কৰা হৈছে। বৰ্তমানলৈকে প্ৰাপ্ত ফলাফল অনুসৰি বিজেপি দলে দহখন পৌৰ নিকায়ৰ সভাপতিৰ পদত জয়লাভ কৰিছে। আনহাতে নিৰ্দলীয়ৰ পৰা বিছজন সভাপতি জয়ী হৈছে। আম আদমী পাৰ্টীৰ পৰা সভাপতিৰ পদত নিশাকানাভাংঘা নামৰ প্ৰাৰ্থীগৰাকী জয়ী হোৱা বুলি ঘোষণা কৰা হৈছে। যমুনা নগৰ, সাধাউৰা নিকায়ত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হ'ল কেৱল এটা ভোটৰ ব্যৱধানত। সেয়েহে সমষ্টিটোত পুনৰ ভোট গণনাৰ দাবীৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে যোৱা ১৯ জুন তাৰিখে হাৰিয়ানাৰ পৌৰ নিগম আৰু নিকায়সমূহৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। ২৮ খন পৌৰ সমিতিৰ বাবে সভাপতিৰ পদ আৰু ৱাৰ্ড কাউন্সিলাৰৰ পদৰ বাবে ভোট গ্ৰহণ হৈছিল। একেদৰে ১৮ খন পৌৰ পৰিষদৰ বাবেও ভোটগ্ৰহণ কৰা হৈছিল। প্ৰায় ৭০ শতাংশ ভোটদান কৰিছিল নগৰীয়া ভোটাৰে। ৰাজ্যখনত ১৮ পৌৰ পৰিষদৰ ৪৫৬টা ৱাৰ্ড আছে আৰু ইয়াত ১২.৬০ লাখ ভোটাৰ আছে। শাসকীয় বিজেপি আৰু জননায়ক জনতা পাৰ্টীৰ মৰ্চাৰ বিপৰীতে কংগ্ৰছে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সক্ষম হোৱা বুলি প্ৰকাশ পাইছে। বৰ্তমানলৈকে সম্পূৰ্ণ গণনাৰ ফলাফল প্ৰকাশ পোৱা নাই যদিও শাসকীয় পক্ষ পূৰ্বতকৈ অধিক আসন কোনোপধ্যে লাভ কৰিবলৈ সক্ষম নহয় বুলি গণনাৰ জৰিয়তে ইংগিত প্ৰকাশ পাইছে। ইফালে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মনোহৰলাল খাট্টাৰৰ পুত্ৰয়ো এই নিৰ্বাচনত অৱতীৰ্ণ হৈছে। অৱশ্যে আম আদমী পাৰ্টীয়ে নিৰ্বাচনী প্ৰচাৰ তুংগত তুলিছিল বুলি পৰ্যবেক্ষকসকলে ব্যক্ত কৰিছে। বৰ্তমানলৈকে আম আদমী পাৰ্টীৰ বিশেষ অগ্ৰগতি পৰিষ্কাৰ হৈ পৰা নাই। তথাপি ফলাফলৰ শেষৰফালে আম আদমীয়ে বৰ্তমানতকৈ অধিক সফলতা আহৰণৰ আশা প্ৰকাশ কৰিছে সমৰ্থকসকলে। আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে হাৰিয়ানাত পৌৰ নিকায়ৰ নিৰ্বাচন এক অগ্নিপৰীক্ষা হিচাপে পৰিগণিত হৈছে শাসকীয় পক্ষৰ কাৰণে।



# অসমৰ আৰ্বিটাৰলৈ বিশ্ব দবা মহাসংঘৰ স্বীকৃতি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ২২ জুন ঃ** অসমৰ তিনিজন আৰ্বিটাৰ গুৱাহাটীৰ অৰুণ সিং, প্ৰণৱ কুমাৰ নাথ আৰু শিলচৰৰ ড° চাৰ্বাকলৈ বিশ্ব দবা মহাসংঘই আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ আৰু ফিডে আৰ্বিটাৰৰ স্বীকৃতি প্ৰদান কৰিছে। ২০২২ চনৰ ২৮ এপ্ৰিলত আবুধাবিত অনুষ্ঠিত প্ৰথম ফিডে কাউঞ্চিল মিটিঙত অৰুণ সিঙৰ আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ খিতাপ আৰু প্ৰণৱ কুমাৰ নাথ আৰু ড° চাৰ্বাকৰ ফিডে আৰ্বিটাৰৰ খিতাপ অনুমোদন কৰে। বিশ্ব দবা মহাসংঘই ৮জুন, ২০২২ৰ পৰা কাৰ্য্যকৰী হোৱাকৈ অৰুণ সিঙক আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ, প্ৰণৱ কুমাৰ নাথ আৰু ড° চাৰ্বাকক ফিডে আৰ্বিটাৰৰ খিতাপ প্ৰদান কৰে। সদৌ অসম দবা সন্থাই, গুৱাহাটী দবা সন্থাই এই কৃতিত্বৰ বাবে তিনিও জন আৰ্বিটাৰলৈ অভিনন্দন জনাইছে।

## লুকী কুমাৰীৰ ১০ টা গ'ল ঃ দিল্লীৰ বিৰুদ্ধে বিহাৰৰ জয়

# তেলেংগনাক হৰুৱাই পইণ্ট লাভ মধ্য প্ৰদেশৰ

**গুৱাহাটী, ২২ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত ক্ৰমাগত তৃতীয়খন মেচত বৃহৎ ব্যৱধানত জয়লাভ কৰিছে বিহাৰৰ ছোৱালী দলে। আজি গুৱাহাটীৰপল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা মেচত বিহাৰে ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে দিল্লীক। উল্লেখ্য যে ক্ৰমাগত তৃতীয়খন মেচত হেট্ৰিক অৰ্জন কৰিছে বিহাৰৰ লুকী কুমাৰীয়ে (২৫, ৪৫, ৪৯ মিনিট)। তিনিটা গ'ল কৰা লুকী মেচৰ শ্ৰেষ্ঠ হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'চি'ৰ এই খেলপথাৰতে হোৱা নিজৰ প্ৰথমখন মেচত বিহাৰে ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মেঘালয়ক। সেই মেচতো শ্ৰেষ্ঠ হৈছিল চাৰিটাকৈ গ'ল কৰা লুকী কুমাৰী। আনহাতে, দ্বিতীয় মেচত বিহাৰে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তেলেংগনাক। উক্ত মেচতো দলৰ হৈ লুকী কুমাৰীয়ে তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰিছিল। তিনিখন খেলত ১০টা গ'ল কৰিলে লুকীয়ে। আনহাতে, বিহাৰে তিনিখন মেচত ২৮ টা গ'ল কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ প্ৰায় নিশ্চিত কৰিছে। ন পইণ্ট লাভ কৰা দলে মধ্য প্ৰদেশৰ বিৰুদ্ধে পৰৱৰ্তী মেচ খেলিব। ইফালে, আজি পল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা আন এখন মেচত মধ্য প্ৰদেশে ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। এয়া দলৰ ক্ৰমাগত তৃতীয় পৰাজয়। প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত আৰু দ্বিতীয় মেচত বিহাৰে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তেলেংগনাক। ইফালে, মেঘালয়ৰ বিৰুদ্ধে প্ৰথম মেচত ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা মধ্য প্ৰদেশে আজি প্ৰথম জয়ৰ সফলতা লাভ কৰে।



## জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

# আজি দ্বিতীয় মেচত অসমৰ প্ৰতিদ্বন্দ্বী গুজৰাট

**গুৱাহাটী, ২২ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰা অসমে কাইলৈ দ্বিতীয়খন মেচত মুখামুখি হ'ব গুজৰাটৰ। উল্লেখ্য যে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'জি'ৰ প্ৰথম খেলখনত অসমে ৬-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল প্ৰতিদ্বন্দ্বী পুডুচেৰীক। উক্ত মেচত অসমৰ হৈ হেট্ৰিকসহ চাৰিটা গ'ল কৰে অঞ্জুলী বন্মাই (৩৪, ৪৫, ৬৮, ৮৩ মিনিট)। আনহাতে, দুটা গ'ল দিয়ে সোণম দত্তই (৩৩, ৫৭ মিনিট)। মেচৰ শ্ৰেষ্ঠ হয় অঞ্জুলী। উল্লেখ্য যে গ্ৰুপ 'জি' ত আয়োজক অসমৰ লগতে আছে হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। ইয়াৰপূৰ্বে প্ৰথম মেচত হাৰিয়ানাই ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল গুজৰাটক। উল্লেখ্য যে প্ৰতিযোগিতাত অসম দলটোক নেতৃত্ব দিছে তুষামণি গগৈয়ে। আনহাতে, দলৰ সহঃঅধিনায়কৰ দায়িত্বত আছে মৌচুমী ব্ৰহ্ম। দলটোৰ অন্য খেলুৱৈ হ'ল ঃ মম্পী সোণোৱাল, ৰেশ্মী ৰয়, সোণম ডালমা লামা, পূৰ্ণিমা ৰেগন, চয়নিকা সোণোৱাল, কে জুলি চংলয়, ৰেমালী বড়ো, ৰাজশ্ৰী সোণোৱাল, উদাংশ্ৰী নাৰ্জাৰী, চুমি দাস, হেৰিনা বসুমতাৰী, অঞ্জুলী বন্মা, মাইনু বসুমতাৰী, সোণম দত্ত, জানমণি পাংগিং, অংকিতা মেচ, মীনা কাছাৰী আৰু সবিতা ৰাভা। অসমৰ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক লোচন শইকীয়া।



*ইংলেণ্ড আৰু নেডাৰলেণ্ডৰ মাজত অনুষ্ঠিত তৃতীয়খন এদিনীয়াত ইংলেণ্ডৰ বেটছমেন জছ বাটলাৰ*

# আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসত আজি অসম অলিম্পিকৰ দিনযোৰা কাৰ্যসূচী

**গুৱাহাটী, ২২ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে কাইলৈ অসম অলিম্পিক সন্থাই গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত আয়োজন কৰা সদৌ অসম আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা আৰু আন্তঃমহাবিদ্যালয় ক্ৰীড়া কুইজ প্ৰতিযোগিতাৰ কাৰ্যসূচী পুৱা আঠ বজাৰ পৰাই আৰম্ভ হ'ব। কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষুওপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ন্যায়াধীশ মনজিৎ ভূঞা। তদুপৰি সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ভৱেশ চন্দ্ৰ গোস্বামী আৰু বক্সিং ফেডাৰেশ্বন অৱ ইণ্ডিয়াৰ সচিব হেমন্ত কুমাৰ কলিতা। ইফালে, পুৱা ৯.৪০ বজাৰ পৰা সদৌ অসম প্ৰাইজমানী আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা আৰম্ভ হ'ব। আনহাতে, পুৱা ১০ বজাৰ পৰা কটন বিশ্ববিদ্যালয়ৰ ছুডমাৰ্ছন হলত আন্তঃমহাবিদ্যালয় ক্ৰীড়া কুইজ প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক ৰাউণ্ড আৰম্ভ হ'ব। ইফালে, বিয়লি বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসমৰ উচ্চ শিক্ষাৰ সঞ্চালক ধৰ্মকান্ত মিলি আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অইল ইণ্ডিয়াৰ আৱাসিক মুখ্য কাৰ্যবাহী প্ৰশান্ত বৰকটকী।

# সোণাপুৰত জয়লাভ মহাৰাষ্ট্ৰ-দাদৰা আৰু নগৰ হাভেলি মহিলা দলৰ

**গুৱাহাটী, ২২ জুন ঃ** অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি সোণাপুৰত হোৱা গ্ৰুপ 'এফ'ৰ মেচত জয়লাভ কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে মহাৰাষ্ট্ৰ তথা দাদৰা আৰু নগৰ হাভেলি দলে। চত্তিছগড়ৰ বিৰুদ্ধে ২-০ গ'লৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় সফলতা লাভ কৰিছে মহাৰাষ্ট্ৰই। উল্লেখ্য যে ইয়াৰপূৰ্বে সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰত অনুষ্ঠিত হোৱা গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত মহাৰাষ্ট্ৰই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ত্ৰিপুৰাক। সেই মেচত দলৰ হৈ তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰিছিল ছুমায়াই। ইফালে, প্ৰথম মেচত মহাৰাষ্ট্ৰৰ হাতত ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা ত্ৰিপুৰাই আজিও ব্যৰ্থতাৰ সন্মুখীন হয়। এখন একপক্ষীয় মেচত দাদৰা আৰু নগৰ হাভেলি মহিলা দলে ৭-০ গ'লৰ ব্যৱধানত পৰাস্ত ত্ৰিপুৰাক। ইয়াৰপূৰ্বে ওড়িছাৰ বিৰুদ্ধে দ্বিতীয় মেচত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল দাদৰা আৰু নগৰ হাভেলিয়ে। আনহাতে, ত্ৰিপুৰাই ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল চণ্ডিগড়ক। ক্ৰমাগত তিনিখন মেচত পৰাস্ত হোৱাৰ পাছত চণ্ডিগড়ৰ বিদায় নিশ্চিত হৈছে। উল্লেখ্য যে ওড়িছাৰ হাততো ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত হৈছিল চণ্ডিগড়।



*অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অনুষ্ঠিত চতুৰ্থখন এদিনীয়াত জয়ৰ পিছত শ্ৰীলংকান খেলুৱৈৰ উল্লাস*

# মহিলা ফুটবল উপভোগ কৰি ৰোমাঞ্চিত ক্ৰীড়াপ্ৰেমী

**গুৱাহাটী, ২২ জুন ঃ** বান দুৰ্যোগৰ মাজতে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ ৰোমাঞ্চ লৈছে ক্ৰীড়াপ্ৰেমীয়ে। উল্লেখ্য যে আজিৰে পৰা এই ষ্টেডিয়ামত আৰম্ভ হৈছে ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ খেল। গ্ৰুপ 'জি' আৰু গ্ৰুপ 'এইচ'ৰ খেল ডিমাকুছি ষ্টেডিয়ামত হৈছে। গ্ৰুপ 'জি' ৰ দল চাৰিটা হ'ল আয়োজক অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। আনহাতে গ্ৰুপ 'এইচ' ত আছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজস্থান। ডিমাকুছি ষ্টেডিয়ামত চলিত ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ মুঠ ১২ খন মেচ অনুষ্ঠিত হ'ব। খেলৰ সূচী অনুসৰি আজি (২১ জুন) গ্ৰুপ 'জি'ৰ প্ৰথম খেলখন অসম বনাম পুডুচেৰীৰ মাজত অনুষ্ঠিত হয়। আজিৰ আন এখন খেলত হাৰিয়ানা আৰু গুজৰাটে অংশ লয়। গ্ৰুপ 'জি'ৰ অন্য খেলসমুহৰ সূচী হ'ল ঃ ২৩ জুনত প্ৰথম খেলখন গুজৰাট আৰু অসমৰ মাজত আৰু দ্বিতীয় খেলখন পুডুচেৰী আৰু হাৰিয়ানাৰ মাজত অনুষ্ঠিত হ'ব। আনহাতে ২৫ জুনৰ দিনা প্ৰথম খেলখনত গুজৰাট মুখামুখি হ'ব পুডুচেৰীৰ। আনহাতে উক্তদিনাৰ দ্বিতীয় খেলখনত অসমে খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। ইফালে, গ্ৰুপ 'এইচ'ৰ ঘোষিত সূচী অনুসৰি ২২ জুনৰ প্ৰথম খেলখন জম্মু আৰু কাশ্মীৰ বনাম তামিলনাডুৰ মাজত তথা দ্বিতীয় খেলখন পশ্চিমবংগ বনাম ৰাজস্থানৰ মাজত অনুষ্ঠিত হ'ব। ২৪ জুনৰ প্ৰথম মেচত ৰাজস্থানে খেলিব জম্মু আৰু কাশ্মীৰ বিৰুদ্ধে। উক্তদিনাই দ্বিতীয় খেলখন তামিলনাডু আৰু পশ্চিম বংগৰ মাজত অনুষ্ঠিত হ'ব। ২৬ জুনৰ প্ৰথম মেচ তামিলনাডু বনাম ৰাজস্থান আৰু দ্বিতীয় খেলখন পশ্চিমবংগ বনাম জম্মু আৰু কাশ্মীৰ। উল্লেখ্য যে ইয়াত হোৱা দুটা গ্ৰুপৰ চেম্পিয়ন দল দুটা যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ।

## মাষ্টাৰ্ছ এথলেটিকছত নতুন ৰাষ্ট্ৰীয় অভিলেখ অসম কন্যাৰ

# পাঁচ হেজাৰ মিটাৰ দৌৰত দীপামণিৰ সোণৰ পদক লাভ

**গুৱাহাটী, ২২ জুন ঃ** গুজৰাটৰ বদোদ্ৰাত অনুষ্ঠিত হোৱা প্ৰথম ৰাষ্ট্ৰীয় অপেন মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অসমৰ দীপামনি ডেকাই পাঁচ হেজাৰ মিটাৰ দৌৰত সোনৰ পদক অৰ্জন কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে দৰং জিলাৰ উদমাৰী গাঁওৰ জীয়ৰী দীপামনি ডেকাই ইয়াৰ পূৰ্বেও ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় স্তৰৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সোন, ৰূপ, ব্ৰঞ্জকে ধৰি কেবাটাও পদক অৰ্জন কৰিছে। উল্লেখ্য যে সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতাখনত মহিলা শাখাত বিভিন্ন ইভেণ্টত মুঠ ১০ গৰাকী ৰাষ্ট্ৰীয় অভিলেখ গঢ়া খেলুৱৈক এথলেটিকছ ফেডাৰেচন অৱ ইণ্ডিয়াই নিৰ্বাচন কৰে আৰু অসম কন্যা দীপামনি ডেকাই পাঁচ হেজাৰ মিটাৰ দৌৰত অভিলেখ গঢ়ি গৌৰৱময় সফলতা অৰ্জন কৰে।



*শ্ৰীলংকা আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত চতুৰ্থখন এদিনীয়াত উইকেট দখলৰ পিছত শ্ৰীলংকান খেলুৱৈৰ উল্লাস*

## দুটা সোণসহ তিনিটা পদক লাভ

# ৰাষ্ট্ৰীয় কাৰাটেত সফলতা গুৱাহাটীৰ ঋতিকেশ হুজুৰীৰ

**গুৱাহাটী, ২২ জুন ঃ** ৰাষ্ট্ৰীয় শ্বট'কাই কাৰাটে প্ৰতিযোগিতাত অসমৰ ঋতিকেশ হুজুৰীয়ে দুটা স্বৰ্ণসহ তিনিটা পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে উত্তৰাখণ্ডৰ হৰিদ্বাৰত ১৭-১৮ জুনত অনুষ্ঠিত হৈছিল চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় শ্বট'কাই কাৰাটে প্ৰতিযোগিতা। এই প্ৰতিযোগিতাতে অংশ লৈ অসম সন্তান ঋতিকেশ হুজুৰীয়ে কাটাৰ নিজস্ব শাখাত সোণ লাভ কৰি গৌৰৱময় সফলতা লাভ কৰাৰ বিপৰীতে ছিনিয়ৰ ল'ৰাৰ চেলেঞ্জতো সোণ অৰ্জনৰে চমক সৃষ্টি কৰিবলৈ সক্ষম হয়। ইফালে, কুমিটেত ৰূপ লাভ কৰি ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাখনত তৃতীয়টো পদক দখল কৰিবলৈ সক্ষম হয় অসমক প্ৰতিনিধিত্ব কৰা ঋতিকেশ হুজুৰীয়ে। উল্লেখ্য যে ঋতিকেশ হুজুৰী গুৱাহাটীৰ খানাপাৰৰ মাৰ্চিয়েল আৰ্টছ একাডেমীৰ প্ৰশিক্ষাৰ্থী। বশিষ্ঠ আৰ্মি পাব্লিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ ঋতিকেশ হুজুৰী বশিষ্ঠ নিবাসী কুমুদ চন্দ্ৰ হুজুৰী আৰু অপৰাজিতা শৰ্মা হুজুৰীৰ সন্তান।

# ডিমাকুছিত বংগ-তামিলনাডুৰ জয়

**গুৱাহাটী, ২২ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছে তামিলনাডু আৰু বংগই। উল্লেখ্য যে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'এইছ'ৰ আজিৰ প্ৰথম খেলখনত তামিলনাডুই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে জম্মু আৰু কাশ্মীৰক। দলৰ হৈ দুটা গ'ল কৰে গায়ত্ৰীদেৱীয়ে। ইফালে, গ্ৰুপ 'এইছ'ৰ আজিৰ দ্বিতীয় খেলখনত বংগই ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰাজস্থানক। এতিয়া অহা ২৪ জুনৰ প্ৰথম মেচত ৰাজস্থানে খেলিব জম্মু আৰু কাশ্মীৰ বিৰুদ্ধে আৰু উক্তদিনাই দ্বিতীয় খেলখন তামিলনাডু আৰু পশ্চিম বংগৰ মাজত অনুষ্ঠিত হ'ব। ইফালে ডিমাকুছি ষ্টেডিয়ামত কাইলৈৰ প্ৰথম খেলখন গুজৰাট আৰু অসমৰ মাজত হোৱাৰ লগতে দ্বিতীয় খেলখন পুডুচেৰী আৰু হাৰিয়ানাৰ মাজত অনুষ্ঠিত হ'ব।



*ইংলেণ্ড আৰু নেডাৰলেণ্ডৰ মাজত অনুষ্ঠিত তৃতীয়খন এদিনীয়াৰ এটি মুহূৰ্ত*

# প্ৰথম মেচতে বৃহৎ জয় মণিপুৰ-ঝাৰখণ্ডৰ

**গুৱাহাটী, ২২ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত আজি অভিযান আৰম্ভ কৰে চাৰিটাকৈ দলে। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ গ্ৰুপ 'এ' ৰ প্ৰথম মেচত মণিপুৰে ১৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে উত্তৰাখণ্ডক। আনহাতে, গ্ৰুপ 'এ' ৰ আন এখন মেচত ঝাৰখণ্ডে ১১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে অন্ধ্ৰপ্ৰদেশক। মনিপুৰৰ হৈ তিনিগৰাকী খেলুৱৈয়ে হেট্ৰিক অৰ্জন কৰিবলৈ সক্ষম হয়। সঞ্জনা চানুই (৫১, ৫৯, ৬৫, ৭৮ মিনিট) চাৰিটা তথা ববীতা দেৱী (৩, ৩৩, ৩৯ মিনিট) আৰু ভূমিকা দেৱীয়ে (৬৪, ৭৭, ৯০ মিনিট) তিনিটাকৈ গ'ল কৰে। উল্লেখ্য যে, ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হৈছে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।

# জয়ৰে অভিযান নাগালেণ্ড-কেৰালাৰ

**গুৱাহাটী, ২২ জুন ঃ** অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত হোৱা মেচত জয়ী হৈ অভিযান আৰম্ভ কৰিছে গ্ৰুপ 'ই'ৰ দল নগালেণ্ড আৰু কেৰালাই। উল্লেখ্য যে নগালেণ্ডে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে লাডাখক। আনহাতে, পঞ্জাৱক ১-৬ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কেৰালাই। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। প্ৰতিটো গ্ৰুপৰ পৰা চেম্পিয়ন দলটো যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ। অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাখন সুচাৰুৰূপত অনুষ্ঠিত কৰাত কাৰ্যতঃ ব্যৰ্থ হৈছে অসম ফুটবল সন্থা। আচলতে ৰাষ্ট্ৰীয় স্তৰৰ প্ৰতিযোগিতা কিদৰে আয়োজন কৰিব লাগে সেয়া অসম ফুটবল সন্থাই নাজানে আৰু আন সন্থাৰ পৰা শিকিবও বছৰা নাই।



*১৭ বছৰ অনুৰ্ধ জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ তেলেংগনা আৰু মধ্য প্ৰদেশৰ মাজত অনুষ্ঠিত খেলৰ এটি দৃশ্য*

# আজি মুকলি হ'ব যুৱ অলিম্পিকৰ লগো, থিম ছং

**গুৱাহাটী, ২২ জুন ঃ** অসম অলিম্পিক সন্থাই আয়োজন কৰা সমাগত যুৱ অলিম্পিক ২০২২ ৰ লগো, থিম ছং আৰু টি ছাৰ্ট কাইলৈ মুকলি কৰা হ'ব। কাইলৈ দিনৰ এক বজাত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষুওপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত হ'বলগা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোনোৱাল। তদুপৰি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংঘাল। ইফালে, আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে অসম এথলেটিকছ সন্থা আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ যুটীয়া উদ্যোগত মহানগৰীত কাইলৈ অনুষ্ঠিত কৰিছে প্ৰাইজমানি ১০ কিলোমিটাৰ দৌৰ প্ৰতিযোগিতা। উল্লেখ্য যে পাঁচ বজাত খানাপাৰা খেলপথাৰৰ পৰা আৰম্ভ হৈ নেহেৰু ষ্টেডিয়ামত সামৰণি পৰিবলগীয়া ১০ কিলোমিটাৰ দূৰত্বৰ দৌৰ প্ৰতিযোগিতাখনত ৰাজ্যৰ সকলো প্ৰান্তৰে প্ৰতিযোগীয়ে অংশগ্ৰহন কৰিছে। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰথমৰ পৰা পঞ্চম স্থান প্ৰাপ্ত বিজয়ী প্ৰতিযোগীসকলক ক্ৰমে পাঁচ, চাৰি, তিনি, দুই আৰু এহেজাৰকৈ টকা দি পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাখনৰ ফ্লেগ অফৰ লগতে বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকিব এথলীট অম্লান বৰগোঁহাই, অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ,বৰষা ৰাণী বিষয়া,শ্যামন্তিকা শৰ্মা,কণ্ঠশিল্পী ভৃগু কাশ্যপ আৰু আচুৰ্য বৰপাত্ৰ।



*নেডাৰলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত মেচত ইংলেণ্ডৰ বেটছমেনৰ শ্বট*

সমগ্ৰ হাজো বিধানসভা সমষ্টি বানৰ কবলত, পৰিস্থিতি অবৰ্ণনীয়

# হাজো-গুৱাহাটী পথত একাঁঠুপৰ্যন্ত পানী

## উত্তৰ হাজোত পানী কমিবলৈ ধৰিছে, আনফালে দক্ষিণ হাজোত পানী বাঢ়ি আছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২২ জুন ঃ** প্ৰলয়ংকাৰী বানৰ কৰাল গ্ৰাসত এতিয়া কামৰূপ জিলাৰ সমগ্ৰ হাজো বিধান সভা সমষ্টি। উত্তৰ হাজোত কালিৰে পৰা পানী ক্ৰমশঃ কমিবলৈ ধৰিছে যদিও বান পৰিস্থিতি বৰ্তমানেও অবৰ্ণনীয় হৈ আছে। বৰলীয়া, পুঠিমাৰী, পাগলদিয়া নৈৰ ভগ্ন মথাউৰিৰে হুৰাহুৰে সোমাই থকা প্ৰলয়ংকাৰী বানত বিগত ছয়দিনে উত্তৰ হাজোৰ প্ৰায় অৰ্ধশতাধিক গাৱঁৰ প্ৰায় লক্ষাধিক লোক ককবকাই থকাৰ মাজতে কালিৰে পৰা পুনৰ দক্ষিণ হাজোৰ ইখনৰ পিছত সিখনকৈ ন-ন অঞ্চল ব্ৰহ্মপুত্ৰ আৰু ক'লাজল নৈৰ বাঢ়নী পানীত বুৰ যাবলৈ ধৰিছে। এক কথাত সম্প্ৰতি সমগ্ৰ হাজো বিধান সভা সমষ্টি প্ৰলয়ংকাৰী বানৰ কবলত। এনে অবৰ্ণনীয় পৰিস্থিতিত বানাক্ৰান্ত ৰাইজৰ বিলাই বিপত্তি নোহোৱা হৈছে। বহু লোকে নিজৰ সা সম্পত্তি, গৰু, মহ সহ ওখ ঠাইত আশ্ৰয় লৈছে যদিও এতিয়াও বহু লোক জলবন্দী হৈয়ে আছে। উত্তৰ হাজো অঞ্চলৰ প্ৰধান বাট-পথ সমূহত একাঠুৰ পৰা এবুকু



পৰ্যায়লৈ পানী উঠাত যাতায়ত বন্ধ হৈ আছে বিগত ছয়দিনে। ইফালে আকৌ ক'লাজল নদীৰ বাঢ়নী পানীয়ে দমদমা-বৰস্বৈ- ডিমু পথৰ মনাহকুছিত,হাজো-গুৱাহাটী পথৰ দমদমা পেট্ৰল পাম্পৰ পৰা পতনিলৈ সমগ্ৰ পথচোৱা বুৰাই পেলোৱাত যাতায়তৰ ক্ষেত্ৰত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। যাৰ ফলত এতিয়া সমগ্ৰ হাজো সমষ্টিবাসী ৰাইজ জলবন্দী হৈ পৰিছে। **বান সাহায্য, পশু খাদ্য যোগান বুলিবলৈ একো নাই**— এনে পৰিস্থিতিৰ মাজতে প্ৰশাসনৰ ফালৰ পৰা বন্যাৰ্তৰ বাবে পৰ্যাপ্ত বান সাহায্য আৰু পশুধনৰ বাবে খাদ্য যোগান বুলিবলৈ বিশেষ একো নথকাৰ অভিযোগ তুলিছে বন্যাৰ্ত ৰাইজে। প্ৰশাসনে দুই-এঠাইত নামমাত্ৰ সাহায্য বিতৰণ কৰি দায়িত্ব সামৰিছে। হাজোৰ বৃহত্তৰ বৰ্ণি অঞ্চলত প্ৰশাসনে কোনো ধৰণৰ সাহায্য-সামগ্ৰী বিতৰণ কৰা নাই বুলি অঞ্চলটোৰ ৰাইজে অভিযোগ তুলিছে। অৱশ্যে চৰকাৰ প্ৰশাযন, বিধায়িকা সুমন হৰিপ্ৰীয়াৰ নেতৃত্বত বান সাহাৰ্য বিতৰণ কাৰ্যসূচী অব্যাহত থকা বুলি প্ৰায়সংখ্যক লোকে মত পোষন কৰিছে। বিশেষকৈ কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত কমল বৰুৱায়ো বানাক্ৰান্তৰ সহায়ৰ বাবে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ সমৰ্থ হৈছে বুলি ধন্যবাদ জনাইছে বিভিন্নজনে। আনহাতে বিজেপি নেতা ৰাতুল শৰ্মা,ৰিতা তালুকদাৰ, ভাস্কৰ ভৰালী, বিপুল দাস, অজাপ নেতা দুলু আহমেদ আদি বিভিন্নজনে নিজৰ ব্যক্তিগত ধনৰে সহায় সহযোগিতা আগবঢ়াই থকাওঁ দেখিবলৈ পোৱা গৈছে।



# বকোৰ জ্যেষ্ঠ অংগনৱাড়ী কৰ্মী নিলীমা মহন্তক অৱসৰী বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২২ জুন ঃ** কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰপাৰা গাঁৱৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী হিচাপে সেৱা আগবঢ়াই আজি অৱসৰ গ্ৰহণ কৰে নিলীমা মহন্তই। জানিব পৰা মতে আজি অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ বকো-বনগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ অধীনৰ বৰপাৰা অংগনৱাড়ী কেন্দ্ৰৰ পৰা নিলীমা মহন্তই সুদীৰ্ঘ ৪৪ বছৰ কাল নিজৰ কৰ্ম সুচাৰুৰূপে পালন কৰি বিভাগীয়ভাৱে অৱসৰ গ্ৰহণ কৰে। বৰপাৰা অঞ্চলৰ প্ৰথমগৰাকী অংগনৱাড়ী কৰ্মী হিচাপে ১৯৭৮ চনৰ জুন মাহত যোগদান কৰিছিল নিলীমা মহন্তই। ইফালে সুদীৰ্ঘ দিনৰ কৰ্মজীৱনত নিজৰ সাধ্যানুসৰি কণ কণ শিশুসকলক পঢ়োৱাৰ লগতে খেল-ধেমালি, নৃত্য-গীতো শিকাই আহিছিল। আজিৰ পৰা অনুষ্ঠানখনৰ দায়িত্ব সহায়িকা ৰূপালী ৰাভাই পালন কৰিব বুলি ঘোষণা কৰে। অৱসৰৰ দিনা শিশু উন্নয়ন প্ৰকল্প বিষয়া সুকন্যা দাস তথা কৰ্মচাৰী বৃন্দ, বকো- বনগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প, কামৰূপ লগতে আন আন সকলৰ লগতে বৰপাৰা কেন্দ্ৰটিৰ মুখ্য সেৱিকা ববিতা দাসে বকো শিক্ষক ভৱনত অনুষ্ঠিত আনুষ্ঠানিক অনুষ্ঠানত বিদায়ী সম্বৰ্ধনা জনায়। উল্লেখ্য, মহন্তই বকো মজলীয়া বিদ্যালয়ৰ ছাত্ৰীসকলক লগত লৈ এটি নাম— পাটীৰ দল গঠন কৰি পৰিৱেশন কৰাই ভক্তিৰ মাৰ্গ প্ৰতিষ্ঠাৰে নীতি শিক্ষাৰো প্ৰয়াস কৰিছিল। এইক্ষেত্ৰত তেওঁক সহযোগ কৰিছিল শোলামুখ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী প্ৰতিমা ৰাভাই। আজি প্ৰতিমা ৰাভায়ো নিজৰ কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। ইফালে নিলীমা মহন্ত এগৰাকী অঞ্চলটোৰ সৰবৰাহী মহিলা। অঞ্চলটোৰ মহিলাসকলৰ মাজত অতি জনপ্ৰিয় নিলীমা মহন্তই সদায় ৰাজহুৱা সমস্যা সমাধানৰ বাবে কাম কৰি আহিছে।

নগাঁও কলেজ (অট'ন'মাচ)ত সাৰথি দ্য টাইম বেংকৰ উদ্বোধন

# ছুইজাৰলেণ্ডৰ আৰ্হিৰে নগাঁও কলেজত 'সাৰথি দ্য টাইম বেংক' স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ জুন ঃ** নগাঁও কলেজ (অট'ন'মাচ)ৰ আভ্যন্তৰীণ মানদণ্ড আশ্বাসন কোষৰ উদ্যোগত আৰু ছাত্ৰ একতা সভা, এন . এছ. এছ গোট -১, গোট-২ ৰ সহযোগত চুইজাৰলেণ্ডৰ আৰ্হিৰে নগাঁও কলেজ পৰিয়ালৰ অকলশৰীয়া তথা নিসংগ লোকক সহায় কৰিবৰ বাবে স্থাপন হোৱা 'সাৰথি দ্য টাইম বেংক' ৰ উদ্বোধনী অনুষ্ঠান আয়োজন কৰা হয়। এই উদ্বোধনী অনুষ্ঠানখনৰ আঁত ধৰে নগাঁও কলেজ আভ্যন্তৰীণ মানদণ্ড আশ্বাসন কোষৰ সমন্বয়ক ড০ ভুৱন চন্দ্ৰ চুতীয়াই। এই অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে কলেজৰ অধ্যক্ষ ড০ শৰৎ বৰকটকীয়ে। ভাষণত বৰকটকীয়ে এন. এছ. এছ আৰু অধ্যাপক-অধ্যাপিকাৰ উদ্যোগত গঠিত এই 'টাইম বেংক' মানৱীয়তাৰ ক্ষেত্ৰত এক নিদৰ্শন হ'ব বুলি উল্লেখ কৰে। এই অনুষ্ঠানটোৰ উদ্বোধন কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক তথা নগাঁও কলেজ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি ৰূপক শৰ্মাই। নগাঁও কলেজৰ এই ব্যতিক্ৰমী পদক্ষেপ ভাৰতবৰ্ষৰ ভিতৰতে প্ৰথম বুলি তেওঁ মত পোষণ কৰে। প্ৰাক্তন ছাত্ৰ সন্মিলনিৰ সভাপতি হিচাপে তেওঁ এই পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে আৰু উৎফুল্ল হৈ জনহিতাৰ্থে গঠন কৰা 'টাইম বেংক' লৈ তেখেতে বিধায়ক পুঁজিৰ পৰা এখন এম্বুলেন্স আৰু দুটা অ'ক্সিজেন কনচেনট্ৰেটৰ নগাঁও কলেজৰ 'টাইম বেংকলৈ' প্ৰদান কৰিব বুলি ঘোষণা কৰে। ভৱিষ্যতেও জনহিতাৰ্থে গঠন কৰা 'টাইম বেংকলৈ' সহায়-সহযোগিতা আগবঢ়াব বুলি শৰ্মাই মত পোষণ কৰে। এই টাইম বেংকত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাই পাঁচ বুক খোলে আৰু

**এখন এম্বুলেন্স আৰু দুটা অক্সিজেন কনচেনট্ৰেটৰ নগাঁও কলেজৰ 'টাইম বেংক'লৈ প্ৰদান বিধায়ক ৰূপক শৰ্মাৰ**

কিছু সংখ্যকক বিধায়ক ৰূপক শৰ্মাই নিজ হাতে পাচ বুক প্ৰদান কৰে। এই অনুষ্ঠানতে মিচ নৰ্থ ইষ্ট গুৱাহাটীৰ, ২০২২ বৰ্ষৰ শীৰ্ষ স্থান লাভ কৰা ভূগোল বিজ্ঞান বিভাগৰ ছাত্ৰী বিদিশা দেৱীক অভিনন্দন জ্ঞাপন কৰে। এই অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় ডঃ ভুৱন চন্দ্ৰ চুতীয়াই ।অনুষ্ঠানত উপাধ্যক্ষদ্বয় ক্ৰমে ড° ৰাম প্ৰসাদ পৰেল আৰু বন্তি নেওগ, অধ্যাপক-অধ্যাপিকা, অনা শিক্ষক কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# ডিমৌত শিৱসাগৰ জিলা চাইল্ড লেবাৰ টাস্ক ফ'ৰ্চৰ অভিযানত চাৰিটা শিশু শ্ৰমিক উদ্ধাৰ

## কেউটা শিশুক শিৱসাগৰৰ শিশু গৃহলৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২২ জুন ঃ** শিৱসাগৰ জিলা চাইল্ড লেবাৰ টাস্ক ফৰ্চৰ জড়িয়তে আজি ডিমৌৰ বিভিন্ন স্থানত শিশু শ্ৰমিক উদ্ধাৰ বাবে এক বৃহৎ অভিযানত চলাই চাৰিটাকৈ শিশু শ্ৰমিক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। ডিমৌ আৰু কাষৰীয়া অঞ্চল সমূহত একাংশ সম্ভ্ৰান্ত পৰিয়াল তথা ব্যক্তিয়ে কম টকাৰ বিনিময়ত দীৰ্ঘ দিন শিশু শ্ৰমিক নিয়োজিত কৰি অহাৰ তথ্য লাভ কৰি আজি এই অভিযান চলায়। শিৱসাগৰ জিলা চাইল্ড লেবাৰ টাস্ক ফৰ্চৰ এই অভিযানত ডিমৌত পৌৰ সভাৰ একাংশ ব্যক্তিয়ে চূড়ান্ত কাণ্ডজ্ঞানহীনতাৰ পৰিচয় দি জাৱৰ সংগ্ৰহ কৰাত নিয়োজিত



কৰি ৰখা দুটাকৈ শিশু শ্ৰমিক উদ্ধাৰ কৰাৰ এখন ধাবাৰ পৰাও দুই শিশু শ্ৰমিক উদ্ধাৰ কৰিবলৈ সক্ষম হয় ।ডিমৌ আৰক্ষী আৰু শিৱসাগৰ জিলা সহকাৰী আয়ুক্ত মানালী প্ৰসাদ ৰজকৰ নেতৃত্বত ,জিলা শ্ৰম আয়ুক্ত এছ ভট্টাচাৰ্য, জিলা শিশু কল্যান বিভাগৰ ৰূপা গগৈ আৰু দীপক তায়ে চলোৱা এক যৌথ অভিযানত ইয়াৰে দুই শিশুক ডিমৌ পৌৰ সভাই শিশু শ্ৰমিক আইন উলংঘা কৰি পৌৰ এলেকাত জাৱৰ সংগ্ৰহ কৰি থকা এখন টাটা এছি বাহনৰ পৰা দুটি শিশু আৰু অভিজানকাৰী দলটোৱে ডিমৌ অতিথি নামৰ ধাবা খনৰ পৰাও দুটি শিশু শ্ৰমিক উদ্ধাৰ কৰে। প্ৰায় ১৪ পৰা ১৫ বছৰীয়া শিশু শ্ৰমিক কেইটিক পিছত উদ্ধাৰকাৰী দলটোৱে শিৱসাগৰস্থিত শিশুগৃহলৈ লৈ যোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য, শিশু শ্ৰমিক উদ্ধাৰ হোৱা উক্ত ধাবাখনৰ পৰা বুজন পৰিমানৰ সুৰাও উদ্ধাৰ কৰে আৰক্ষীয়ে।

# অৱসৰপ্ৰাপ্ত অধ্যক্ষ, লেখিকা ইৰা বৰঠাকুৰৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২২ জুন ঃ** নগাঁও জিলাৰ বেবেজীয়া নিবাসী, ঐতিহ্যমণ্ডিত বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা, লেখিকা ইৰা বৰঠাকুৰ(৬৫)ৰ আজি পুৱতি নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে । স্নায়ুজনিত ৰোগৰ লগতে আন কেইবাটাও ৰোগত আক্ৰান্ত বৰঠাকুৰ বিগত প্ৰায় এমাহ ধৰি চিকিৎসাধীন হৈ আছিল যদিও চিকিৎসাধীন অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে । ১৯৫৭ চনত জন্ম গ্ৰহণ কৰা বৰঠাকুৰে কুৰুৱাবাহীত প্ৰাথমিক শিক্ষা আহৰণ কৰাৰ পিছত পিতৃৰ চাকৰি সূত্ৰে লামডিঙত হাইস্কুলীয়া আৰু কলেজীয়া শিক্ষা সাং কৰি ১৯৭৭ চনত বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞানৰ শিক্ষক হিচাপে যোগদান কৰে ।শিক্ষকতাকেব্ৰত হিচাপে লৈ বিজ্ঞানৰ এগৰাকী সফল শিক্ষয়িত্ৰী হিচাপে পৰিগতিত হৈ পৰৱৰ্তী পৰ্যায়ত ২০১১ চনত উক্ত বিদ্যালয়খনৰে অধ্যক্ষৰ আসন অলংকৃত কৰে । পিছত ২০১৭ চনত তেওঁ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে । অৱসৰ গ্ৰহণৰ পিছত সাহিত্য চৰ্চাত মনোনিৱেশ কৰি ২০১৮ চনত 'প্ৰেৰণা' নামৰ এখন কাব্য সংকলন প্ৰকাশ কৰি উলিয়াই । সৎ, অমায়িক আৰু মৰমিয়াল স্বভাৱৰ বৰঠাকুৰৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বহু গুণমুগ্ধ আৰু শুভাকাংক্ষী বেবেজীয়াৰ বাসগৃহত সমবেত হৈ তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। এই অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা, প্ৰাক্তন অধ্যক্ষ কৃষ্ণ দুলাল বৰুৱা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বাণীকান্ত শৰ্মা, প্ৰাক্তন ছাত্ৰ দেৱজিৎ হাজৰিকা, সমাজকৰ্মী নবীন বেজবৰা, প্ৰদীপ কাকতি, জান শৰ্মা, প্ৰশান্ত বৰঠাকুৰ, শংকৰী কলা-কৃষ্টিৰ সাধক অনন্ত হাজৰিকা, বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী প্ৰণতি গোস্বামী, মালা বৰঠাকুৰ প্ৰমুখ্যে কৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে শ্ৰদ্ধা নিবেদন কৰে । ইয়াৰ পিছতে নশ্বৰদেহ শোভাযাত্ৰা কৰি নিজৰ কৰ্মস্থলী বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগনলৈ নি বিদ্যালয়ৰ উপাধ্যক্ষা সোনালী দাস, জ্যেষ্ঠ শিক্ষক অৰূপ বেজবৰাকে ধৰি সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে পুষ্পাঞ্জলি অৰ্পণ কৰি শোক নিবেদন কৰে । মৃত্যুৰ সময়ত তেওঁ স্বামী তথা অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত উপ পৰিদৰ্শক দেৱ বৰঠাকুৰ, গোলাঘাট জিলাৰ অতিৰিক্ত উপায়ুক্ত সংগীতা বৰঠাকুৰকে ধৰি মুঠ চাৰিগৰাকী কন্যা আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায় । তেওঁৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে।

# কলঘৰলৈ নিম্ন মানৰ কেঁচা চাহ যোগান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২২ জুন ঃ** সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ধেমাজি জিলা সমিতিৰ প্ৰতক্ষ সহযোগত ডিব্ৰুগড়ৰ লাহোৱাল, ডিকম, চাবুৱালৈ নিম্ন মানৰ কেঁচা চাহ কলঘৰসমূহত যোগান ধৰা পৰিলক্ষিত হৈছে। উল্লেখ্য, ডিব্ৰুগড়ৰ উপায়ুক্তক সভাপতি হিচাপে লৈ গঠিত মনিটৰিং সমিটিৰ সিদ্ধান্ত অনুসৰি ৩০ কিঃমিঃ দূৰত্বৰ ভিতৰতহে কেঁচা চাহৰ সৰবৰাহ কলঘৰসমূহলৈ যোগান ধৰিব পাৰে আৰু এই কেঁচা পাতৰ যোগান ধৰিবলৈ হলে জিলা প্ৰশাসনৰ পৰা আপত্তি বিহীন প্ৰমাণ-পত্ৰ লব লাগে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা ধেমাজি জিলা সমিতিয়ে ডিব্ৰুগড় জিলা প্ৰশাসনক বুঢ়া আঙুলি দেখুৱাবলৈ কেনেকৈ সাহস কৰিলে? ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ক্ষুদ্ৰ চাহ খেতিয়ক সকলক বাৰে বাৰে এচাম মধ্যভোগী দালাল আৰু কলঘৰ কৰ্তৃপক্ষই কেঁচা পাতৰ উচিত মূল্যৰ পৰা বঞ্চিত কৰি কম মূল্যত নিম্ন মানদণ্ডৰ কেঁচা পাত কৰয় কৰা কাম বন্ধ কৰিবলৈ আ আসাম স্মল টী প্লেনটাৰ্চ এছ'চিয়েচনৰ ডিব্ৰুগড় জিলা সমিতিয়ে দাবী জনাইছো। অন্যথা তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হ'বলৈ কলঘৰ কৰ্তৃপক্ষক সাজু থাকক। লগতে টী ব'ৰ্ড আৰু উপায়ুক্তক জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো।

# তামুলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত জ্যেষ্ঠ নাগৰিক মঞ্চৰ স্মৃতিচাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২২ জুন ঃ** তামুলপুৰ জিলা সদৰৰ ঘগ্ৰাচ'কৰ দুৰ্গা মন্দিৰ প্ৰাংগণত আজি তামুলপুৰ জ্যেষ্ঠ নাগৰিক মঞ্চৰ এখন সাধাৰণ সভাত তামুলপুৰ জ্যেষ্ঠ নাগৰিক মঞ্চৰ প্ৰতিষ্ঠাপক তথা বৰ্তমানৰ সভাপতি সদ্যপ্ৰয়াত প্ৰফুল্ল চন্দ্ৰ মহন্তৰ স্মৃতিচাৰণ কৰা হয়। জ্যেষ্ঠ নাগৰিক মঞ্চৰ উপ সভাপতি অভি ৰাম দাসৰ সঞ্চালনাত অনুষ্ঠিত স্মৃতিচাৰণ সভাৰ পূৰ্বে প্ৰয়াত সভাপতিগৰাকীৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে উপ সভাপতি অভিৰাম দাস আৰু সম্পাদক মকুন্দ দাসে। ইয়াৰ পিছত ক্ৰমান্বয়ে সদস্য সকলে প্ৰয়াত সভাপতি প্ৰফুল্ল চন্দ্ৰ মহন্তৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি প্ৰদান কৰে। স্মৃতিচাৰণ সভাত প্ৰয়াত সভাপতি গৰাকীৰ ভাতৃ গিৰিশ চন্দ্ৰ মহন্তই বাল্যকালৰ স্মৃতি সুঁৱৰি যথেষ্ট আবেগিক হৈ পৰে। স্মৃতিচাৰণ সভাত প্ৰয়াত সভাপতিগৰাকীৰ বাল্যবন্ধু তথা সহকৰ্মী অৱসৰী শিক্ষক মোহন দাস, নিৰ্মলা মহিলা সমিতিৰ সভানেত্ৰী হিৰন্ময়ী দাস আৰু জ্যেষ্ঠ নাগৰিক মঞ্চৰ সম্পাদক মকুন্দ দাস আদিয়ে প্ৰয়াত সভাপতিগৰাকীৰ বিভিন্ন দিশ আলোচনা কৰে । সভাত প্ৰয়াত সভাপতি গৰাকী বৈকুণ্ঠ গামী হোৱাৰ কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি এটি প্ৰস্তাৱ গ্ৰহণ কৰা হয়।









শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেঞ্চি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি